
ডিগবৈ মহাবিদ্যালয়
আলোচনী
৩২ তম সংখ্যা, ২০১০-২০১১ বৰ্ষ
সম্পাদক ঃ মিল্টন দেবনাথ

# Photo gallery



Administrative Block




Arts & Science Block



College Garden



Commerce Building



Swahid Bedi



Boys' Hostel








ডিগবৈ মহাবিদ্যালয়

# আলোচনী


৩২ তম্ সংখ্যা, ২০১০-২০১১ বৰ্ষ




সম্পাদক ঃ মিল্টন দেবনাথ



**DIGBOI COLLEGE MAGAZINE :** An annual magazine of Digboi College ***published by*** the Digboi college students' Union & **Edited by** *Milton Debnath.*




## Editorial Board

**President :**
Mrs. Deepika Hazarika

**Vice-President :**
Dr. Amrit Ch. Deka

**Advisor :**
Mr. Poban Gogoi

**Editor :**
Milton Debnath

**Member :**
Mr. Cheni Chandra Baruah
Dr. Mrinal Kr. Gogoi
Mr. Deborshee Gogoi
Ms. Sunita Deb
Sri Pawan Jaishy
Md. Hasan Akhtar Farid

**Cover Artist :**
Mr. Deborshee Gogoi

**Printed at :**
**The Assam Computers**
Industrial Estate, Borguri, Tinsukia - 786 126, Assam

# উচৰ্গা





সদ্যপ্ৰয়াত অসমৰ দুটি উজ্জ্বল নক্ষত্ৰ

**ড০ ভূপেন হাজৰিকা**

আৰু

**মামণি ৰয়চম গোস্বামীৰ** নামত

এই সংখ্যাৰ আলোচনীখন উচৰ্গা কৰা হ'ল।

– সম্পাদনা সমিতি





*Rameswar Dhanowar*
**M.L.A.**



সত্যমেৱ জয়তে

**Constitutional Address :**
TUPLA BASTI, DIGBOI
P.O. Digboi, Tinsukia, (Assam)
Phone : 264302 / 264366
**Guwahati Address :**
OLD M.L.A. HOSTEL
Qtr. No. 82
P.O. Dispur, Guwahati- 781106
Phone : 562994
**Office Address :**
Assam Chah Masdoor Sangha
Margherita Branch
Phone : 20298

# শুভেচ্ছাবাণী

গৌৰৱোজ্জ্বল ৪৬ বছৰ গৰকা উত্তৰ-পূৰ্বাঞ্চলৰ উচ্চশিক্ষাত অগ্ৰণী ভূমিকা গ্ৰহণ কৰা মহাবিদ্যালয়খনি তৈলনগৰী ডিগবৈৰ শিক্ষাজগতৰ এটি উজ্জ্বল জ্যোতিষ্ক। অঞ্চলটোৰ ভিন্ন সামাজিক পৰিবেশৰ ভিন্ন ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশৰ অগ্ৰগতিত মহাবিদ্যালয়খনিয়ে ইতিমধ্যে যথেষ্ট বৰঙনি আগবঢ়াইছে।

মই জানিবলৈ পাই অত্যন্ত সুখী হৈছো যে বিগত বৰ্ষবোৰৰ দৰে ২০১০-১১ বৰ্ষৰ বাৰ্ষিক মহাবিদ্যালয় আলোচনীখন প্ৰকাশৰ বাটলৈ আগবাঢ়িছে।

আশাকৰো আলোচনীখনি উঠি অহা নৱপ্ৰজন্মৰ আলোক সন্ধানী যাত্ৰাৰ সাৰথি হ'ব। ইয়াত প্ৰকাশিত ভিন্ন স্বাদৰ ভিন্ন মুখী সাহিত্যই ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক দিশৰ উন্মোচন কৰাৰ লগতে প্ৰগতিৰ পথত সহায়ক হ'ব আৰু ইয়াৰ জৰিয়তে সাহিত্য-সংস্কৃতিৰ নৱ দিশৰ উন্মোচন হ'ব। মহাবিদ্যালয়খনিৰ এই বৌদ্ধিক যাত্ৰাত মোৰ আন্তৰিক শুভকামনা জ্ঞাপন কৰিলো।

ভৱদীয়

ৰামেশ্বৰ ধানোৱাৰ
বিধায়ক

দিনাংক ঃ ১-৯-২০১১



# মহাবিদ্যালয় সংগীত

ৰচনা ঃ ড° কান্তেশ্বৰ ডেকা / বিমল গগৈ
সুৰ ঃ ড° কান্তেশ্বৰ ডেকা / বৰুণ দেৱ

এয়া অসম দেশৰে প্ৰান্ত,
য'ত পনীয়া সোণেৰে প্ৰাণৱন্ত
আছে এক কামনা অনন্ত,
মানৱ হৃদয় প্ৰাণৱন্ত ।।
এখন ছবি এয়া বহুতো ৰঙৰ,
বহুত জনৰ আৰু বহুতো প্ৰাণৰ ;
তথাপিও এই ছবি প্ৰাণেৰে জীৱন্ত,
মানৱ হৃদয় প্ৰাণৱন্ত ।।
সৃজনমুখী আমাৰ এ মন
উৰ্দ্ধমুখী আমাৰ এ মন,
আমি যাওঁ – শান্তিৰ পোহৰ বিচাৰি যাওঁ,
আমি যাওঁ – শান্তিৰ জোনাক বিচাৰি যাওঁ ।।
মহাপ্ৰলয়ৰ মহাভাৰতৰ
ইতিহাসত আমি পাওঁ
মহান মহান কত শ্ৰেষ্ঠ তুলিকা
মানৱক আমিয়ে বিলাওঁ ।।
ডিগবৈ কলেজৰ কৃতিত্বৰে
দেশ–মাতৃৰ মুখ উজলাওঁ
আমি যাওঁ – জ্ঞানৰ পোহৰ বিচাৰি যাওঁ,
আমি যাওঁ – শান্তিৰ জোনাক বিচাৰি যাওঁ ।।

# EDITORIAL BOARD 2010-11



**Sitting (From L to R) :** Sri Cheni Chandra Baruah (Member), Mrs. Deepika Hazarika *(Principal, I/c)*, Dr. Amrit Ch. Deka *(Vice-Principal)*, Dr. Mrinal Kr. Gogoi (Member)
**Standing (From R to L) :** Sri Deborshee Gogoi (Member), Sri Poban Gogoi *(Advisor)*, Smt. Sunita Deb (Member), Md. Hasan Akhtar Farid (Member), Sri Milton Debnath (Editor), Sri Pawan Jaisy (Member)

# DIGBOI COLLEGE STUDENTS' UNION 2010-11



**Sri Pratap Moran**
President & Gen. Secy. (Acting)



**Sri Milton Debnath**
Editor, College Magazine & Debate & Symposia (Secy. Incharge)



**Sri Parikshit J. Dutta**
Secy., Gymnasium



**Sri Sher Singh Chetry**
Secy., Boy's common room



**Smt. Anurupa Sonowal**
Secy., Girl's common room



**Sri Dipen Shrestha**
Secy., Major Games



**Sri Himanta Gogoi**
Secy., Minor Games



**Sri Piku M. Konwar**
Secy., General Sports



**Sri Robin Bora**
Secy. , Cultural & Music (Secy. Incharge)

# Our Achievements



Pawan Jaishy

ASD/CGF/34008/ Sr.u.o. ***Pawan Jaishy*** a Sr. Cadet of Digboi College have attended the All India Inter Directorate National Shooting Competition Camp 2008 held at Punjab and secured 3rd position in All India Rank. He also passed 'C' certificate examination with Gradding 'A' in the year 2010.



***Dipen Shrestha***
Best Athlete (Boy)



***Rumi Borgohain***
Best Athlete (Girl)

## Photo gallery



**College Football Team**





**Mushroom Cultivation**




**Saraswati Puja**




**World Environment Day 2010**



**Koustubh Book Fair at College**



**Republic Day**



## From the desk of the Principal



Digboi College is one of the premier institutions of Higher Education of Assam imparting education in all the three streams – Arts, Science and Commerce at Higher Secondary and Degree levels. It is situated atop hillocks with lush green surroundings and enjoys serene atmosphere conducive to academic pursuits and co-curricular activities. It was founded on 15th July, 1965 and has, over the years achieved a place of pride through the collective efforts of energetic academicians, generous people and dedicated employees. The performance of the students of the college has all along been remarkable. We are committed to strive hard towards attaining quality sustenance and quality enhancement so that we can reach new vistas of excellence in the field of higher education.

In the backdrop of rapid change in the education scenario, the college is determined to offer courses of contemporary relevance and needs with blends of modernity and tradition. The college tries of keep itself abreast of activities on a wide gamut of pertinent issues through workshops, seminars, talks, extra curricular activities etc.

The cultural crisis and value decay are making education value-deficient. We believe that learning imparted in educational institution today must be supported by moral, intellectual and spiritual upbringing. We encourage cosmopolitan culture that embraces all castes, creeds and communities.

I take the opportunity to urge the students to imbibe the values and study with resolute determination, equanimity of mind, integrity and honesty of character for betterment of self and the society.

Wishing everyone a great time ahead.

**Mrs. Deepika Hazarika**
Principal i/c & Secretary
Digboi College, Digboi



# সূচীপত্ৰ




**প্ৰবন্ধ**

ভূপেন হাজৰিকা ঃ শ্ৰদ্ধাৰ্ঘ *ড° মৃণাল কুমাৰ গগৈ* ০১

Thermal & Nuclear Energy scenario In India... *Dr. Arun Ch. Sarmah* ০৪

বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায় আৰু লক্ষ্মীনাথ বেজবৰুৱা *সীমান্ত বৰদলৈ* ০৬

Employment opportunities at Gellapukhuri Plastic Park.... *Mukunda Madhav Gogoi* ০৯

Snakes : Nature's Endowment & Friends of Mankind... *Rajib Rudra Tariang* ১১

Role of Public Awareness in controlling.... *Jitu Borah* ১৫

National Cadet Corps (NCC) *Pawan Jaishy* ১৯

'শেষ হ'ল দস্তাবেজ' ঃ অন্ত পৰিল অসমীয়া সাহিত্যৰ যুগজয়ী অধ্যায়ৰ *মানসজ্যোতি বেজবৰুৱা* ২১

সাম্প্ৰদায়িক সম্প্ৰীতি *মঃ চেহিদুল হাচান বৰা* ২৫

শিক্ষানুষ্ঠানৰ আলোচনী আৰু ইয়াৰ উপকাৰিতা *মৃণাল শৰ্মা* ৩০

নাম এক, ৰূপ অনেক *হাছান আখতাৰ ফাৰিদ* ৩১

মহাভাৰতৰ এটি ধূলিকণা 'একলব্য' *চন্দ্ৰ বাহাদুৰ ছেত্ৰী* ৩৪

Need a Balance *Chandan Dey* ৩৬

Indian Anti-corruption movement – 2011 *Raj Sonar* ৩৮

The most mysterious painting of the world *Monalisa* *Rimpi Sonowal* ৪০

সুধাকণ্ঠ ড° ভূপেন হাজৰিকালৈ শ্ৰদ্ধা *অম্পি মৰাণ* ৪১

The music Legend *Sunita Deb* ৪২

Role of students in Developing .... *Reshmi Bose* ৪৩


Role of students in Developing.... *Chandan Dey* ৪৪

How to lead a purposeful life... *Usha Upadhaya* ৪৫

অসমৰ প্ৰব্ৰজনকাৰীৰ সমস্যা আৰু ইয়াৰ ভৱিষ্যত *মনোজ কুমাৰ শইকীয়া* ৪৭



# সূচীপত্ৰ





গল্প

ছন্দপতন *পবিত্ৰ ভৰালী* ৪৯

নিঃস্বাৰ্থ হাঁহিৰ মাজত থকা কৰুণ হৃদয়খন *বিশ্বজিত দাস* ৫২

The Truth *Siddhant Bharali* ৫৪

The Earth & its Environment *Pinky Gowala* ৫৪

No pain No gain *Juli Nath* ৫৫

Time & Tide wait for none *Smita Saikia* ৫৫

Truth is beautiful *Mili Debnath*

Participation is important than winning *Rinku Mahato* ৫৬

Education Brings Awareness *Nitesh Rajak*

A Real Beauty *Priyam Rai* ৫৭

Life of a student *Mohan Sharma* ৫৮

কবিতাৰ কৰণী ৫৯–৭৩

ছাত্ৰ একতা সভাৰ বিভাগীয় প্ৰতিবেদন ৭৪

Result of Annual College Week 2010-11 ৭৮



# ভূপেন হাজৰিকা ঃ শ্ৰদ্ধাৰ্ঘ

ড° মৃণাল কুমাৰ গগৈ
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ



ভূপেন হাজৰিকাৰ গান কেৱল ভূপেন হাজৰিকাইহে গাব পাৰে। এইটোৱে ''তেওঁ'' মানুহজনৰ প্ৰধান বিশেষত্ব। তেওঁৰ গানৰ **depth** ৰ লগত তেওঁৰ ব্যক্তিত্বৰ পৰা নিসৃত কণ্ঠ একাকাৰ হৈ পৰে, যেন প্ৰতিটো গানেই ভিন্ন ৰঙৰ ভিন্ন ভাবৰ একো একোটা প্ৰতিমা হৈ পৰিছে।

প্ৰয়াত ভূপেন হাজৰিকা বিংশ শতিকাৰ এগৰাকী বিশিষ্ট অসমীয়া। মন কৰিবলগীয়া যে এই শতিকাটোতে স্বাধীনতা আন্দোলন, অসম আন্দোলন আদিৰ লগতে সামগ্ৰিক ৰূপত অসমীয়া জীৱনৰ আধুনিকীকৰণ প্ৰক্ৰিয়া সম্ভৱ হৈ উঠিছিল। তেওঁৰ সৃষ্টিশীলতাই একবিংশ শতিকা স্পৰ্শ কৰিলে যদিও তেওঁৰ সৃষ্টিৰ প্ৰকৃত বিকাশ ঘটিছিল স্বাধীনোত্তৰ বিংশ শতিকাতহে। জ্যোতিপ্ৰসাদ আগৰৱালাৰ ''ইন্দ্ৰমালতী''বোলছবিত হাজৰিকাই ''কাষতে কলচী লৈ'' আৰু ''বিশ্ব বিজয় নজোৱান'' শীৰ্ষক দুটা গীত গাই তাৰ পিছৰ বছৰতে তেৰ বছৰ বয়সত তেওঁ নিজে লিখি গাইছিল ''অগ্নি যুগৰ ফিৰিঙতি মই'' গীতটি। সেয়া ১৯৩৯-৪০ চনৰ স্বাধীনতা আন্দোলনৰ সময়ৰ কথা। তেতিয়াৰে পৰা তেওঁ সংগীত জগতৰ লগতে বোলছবি জগতৰ লগতো জড়িত হৈ পৰিছিল। তেওঁ পৰিচালনা কৰা আৰু গীত গোৱা বোলছবিৰ সংখ্যাও বৰ কম নহয়। দৃষ্টান্তস্বৰূপে এৰাবাটৰ সুৰ (১৯৫৬), মাহুত বন্ধু (১৯৫৮), শকুন্তলা সুৰ (১৯৬১), প্ৰতিধ্বনি (১৯৬৪), কা স্বজাতি (১৯৬৪), লটি ঘাটি (১৯৬৬), চিক্‌মিক বিজুলি (১৯৬৯), For whom the sun shines (১৯৭৪), মেৰা ধৰ্ম মেৰি মা (১৯৭৬), Through Melody and Rhythm (১৯৭৭), মন প্ৰজাপতি (১৯৭৯), চিৰাজ (১৯৮৮) আদি ছবিৰ পৰিচালক আছিল তেওঁ। আৰু ইন্দ্ৰমালতী (১৯৩৯), চিৰাজ (১৯৪৮), পিয়লি ফুকন (১৯৫৫), এৰাবাটৰ সুৰ, চামেলী মেমচাহাব (১৯৭৫), দেবদাস (১৯৭৮), একপল (১৯৮৬), ৰ'দালি (১৯৯৩), দৰ্‌মিয়ান (১৯৯৭), গজগামিনী (২০০০), দমন (২০০১), শৃঙ্গাৰী (২০০৬), Gandhi to Hitler (২০১১) আদি ছবিত গীত গাইছিল। কিন্তু তেওঁৰ প্ৰকৃত প্ৰতিভাৰ পৰিচয় তাতে শেষ নহয়।

ভূপেন হাজৰিকাৰ গান কেৱল ভূপেন হাজৰিকাইহে গাব পাৰে। এইটোৱে ''তেওঁ'' মানুহজনৰ প্ৰধান বিশেষত্ব। তেওঁৰ গানৰ depth ৰ লগত তেওঁৰ ব্যক্তিত্বৰ পৰা নিসৃত কণ্ঠ একাকাৰ হৈ পৰে, যেন প্ৰতিটো গানেই ভিন্ন ৰঙৰ ভিন্ন ভাবৰ একো একোটা প্ৰতিমা হৈ পৰিছে। উপৰুৱাকৈ চালে গানবোৰ বিভিন্ন যেন লাগিলেও কিন্তু প্ৰতিটো গানেই একো একোটা মুকুতা মণি হৈ মাথোন একেডাল এৰাঁজৰীতে থূপ খাই আছে। ব্যক্তিমনৰ পৰা বিশ্বমনলৈ তেওঁৰ গানৰ পৰিধি।

হাজৰিকাৰ গানৰ আন এক বিশেষত্ব এলিয়টে কোৱা Unification of sensibility ৰ প্ৰয়োগ — য'ত যুক্তি আৰু আবেগ একাকাৰ হৈ পৰে আৰু তেতিয়াই অনুভূতিৰ স্বাভাৱিক সজীৱতা প্ৰকাশি উঠে। যেনে — ''বৰদৈ চিলাজনীৰ আগচুলি থপিয়াই /



মাটিলৈ নমাই আনি / অসমীয়া মনটোত সুমুৱাই দিবলৈ / বহাগেই বতৰ কিজানি'' অথবা ''মোৰ মন বাঘ যদি / আজি চৰাই এটি হয় আৰু ক'ৰবাৰ চিলনীয়ে / খেদি খেদি কয় // তোৰ সাহৰ দেখোন / কোনো চিনচাব নাই // মই ক'ম কি ? /..... মোৰ দেশখন যদি আজি আই হৈ যায়।'' ইত্যাদি।

তদুপৰি গভীৰ অসমবোধে হাজৰিকাৰ গানক অন্য এক মাত্ৰা প্ৰদান কৰিছে। জন্মৰ পৰা মৃত্যুলৈ তেওঁ আছিল এটা যুগৰ অতন্দ্ৰ প্ৰহৰী। বেজবৰুৱা, জ্যোতিপ্ৰসাদ, বিষ্ণু ৰাভা, অম্বিকাগিৰী আদি অসম গঢ়োতাৰ সান্নিধ্য লাভ কৰাৰ লগতে তেওঁ নিজ চক্ষুৰে দেখিছিল দ্বিতীয় বিশ্বযুদ্ধ, স্বাধীনতা আন্দোলন, চীনা বিপ্লৱ, ভাষা আন্দোলন, ছবছৰীয়া অসম আন্দোলন, আলফা-বিদ্ৰোহ, আধুনিকতাৰ উত্থান আৰু পতন। এইবোৰ হাজৰিকাই তেওঁ বাস কৰা বাস্তৱ জগতখনতহে পাইছিল -- কিন্তু তেওঁৰ আত্মাই আজন্ম থিত লৈ আছিল ঐতিহ্যৰ বুকুত। সেয়ে তেওঁ ঐতিহ্য আৰু বাস্তৱৰ সুসমন্বয়ত সৃষ্টি কৰিছিল মানৱতাবাদী জাতীয় ভাবাপন্ন গান। 'মানুহ'তকৈ 'মানৱ'তাৰ চেতনাটো প্ৰবল বুলিলেহে হাজৰিকাৰ সৃষ্টিৰ প্ৰকৃত মূল্যায়ন হয় যেন লাগে। ভাৰতীয় গণনাট্য সংঘৰ লগত জড়িত হৈ থকা কালছোৱাত (১৯৪৮-১৯৫৫) তেওঁৰ এই চেতনাই পোখা মেলিছিল।

ভূপেন হাজৰিকা বহুমুখী প্ৰতিভাৰ অধিকাৰী হ'লেও (কবি প্ৰবন্ধকাৰ, চিত্ৰকৰ, ছবি-নিৰ্মাতা আৰু পৰিচালক, গীতিকাৰ, ৰাজনীতিক, আলোচনী সম্পাদক, শিক্ষক আদি) কিন্তু জনগণৰ মাজত তেওঁ এজন গায়ক ৰূপেহে বিশেষ ভাৱে আদৰণীয় যেন লাগে। তেওঁৰ প্ৰতিভাৰ অন্যবোৰ দিশৰ বিষয়ে বৰ বেছি আলোচনাও হোৱা নাই। ইয়াৰ যথাৰ্থ যিয়েই নহওক — হাজৰিকাৰ সামগ্ৰিক প্ৰতিভাৰ পৰা এটা কথা ক'ব পাৰি তেওঁ আছিল অসম আৰু অসমীয়াৰ শুভশক্তিৰ প্ৰতীক। তেওঁ বিচাৰিছিল সমন্বয়, সাম্য, শান্তি আৰু মানৱতা। তেওঁ অসমীয়া জাতিৰ বাবে কেৱল এজন ''ভূপেন দা'' নহয়। কলিকতাবাসী বঙালী লোকেহে তেওঁক এই নামকৰণেৰে সম্বোধন কৰিছিল। তেওঁৰ সৃষ্টিৰ মাজেৰে বিংশ শতিকাৰ জনগণক যি আহ্বান কৰিছিল সেই আহ্বান ব্যৱহাৰিক ক্ষেত্ৰত প্ৰায় অথলেই গ'ল — কিন্তু তেওঁৰ বাণী কেৱল এটা শতিকাৰ বাবে নহয় ; তদুপৰি আৰ্টৰ দিশৰ পৰা তেওঁৰ সৃষ্টিশীলতাই ইতিমধ্যে শ্ৰেষ্ঠ আৰ্টৰ দৃষ্টান্ত দাঙি ধৰিছে। আনকি বেজবৰুৱাৰ ৰোমান্টিকতাকো প্ৰত্যাহ্বান কৰিছে — ''আমি অসমীয়া নহওঁ দুখীয়া / বুলি সান্ত্বনা লভিলে নহ'ব'' বুলি। সেই বাবেই অসম আৰু অসমীয়াৰ কাৰণে তেওঁ অমৰ। কিন্তু মন কৰিবলগীয়া যে জীৱনৰ ভৰ বয়সত তেওঁ কৰা এই আকুল আহ্বানৰ প্ৰতি কোনেও তেওঁক সঁহাৰি নিদিলে বাবেই ভীৰৰ মাজত থাকিও তেওঁ অকলশৰীয়া অনুভৱ কৰা লক্ষ্য কৰা যায়। হাজৰিকাৰ বোধত থকা এই অতলস্পৰ্শী নিঃসংগতাৰ অনুভূতিও তেওঁৰ সৃষ্টিৰ অন্যতম কাৰক -- ''আকাশীগংগা বিচৰা নাই, নাই বিচৰা স্বৰ্ণ অলংকাৰ'' অথবা ''বহু যাযাবৰ লক্ষ্যবিহীন / মোৰ হ'লে আছে পথ।''

অসমীয়া লোক মনটোক হাজৰিকাই স্বকীয় হৃদয়ত ধাৰণ কৰি তাক তেওঁৰ সৃষ্টিৰ মাজত সফল ৰূপত প্ৰকাশ কৰিব পাৰিছিল। এই দিশত তেওঁ পূৰ্বজ জ্যোতিপ্ৰসাদ আগৰৱালা আৰু বিষ্ণু ৰাভাৰ লগত নিমিলে। কেৱল তেওঁলোকৰ দেশাত্মবোধ আৰু সৃজনী প্ৰতিভাৰ মাজতহে সাদৃশ্য আছে। জ্যোতিপ্ৰসাদ এজন, ৰাভা এজন আৰু হাজৰিকা এজন। তেওঁলোকক তুলনা কৰিলে তেওঁলোকৰ সৃষ্টিৰ প্ৰকৃত মূল্যায়ন হ'ব নোৱাৰে। নিজা নিজা প্ৰতিভাৰ বলত কেউজনেই অতুলনীয়। কিন্তু প্ৰতিজনেই সমন্বিত অসমীয়া সংস্কৃতি আৰু অসমীয়া ভাষাৰ ঐশ্বৰ্যশালী কালিকাটোক স্বকীয় সৃষ্টিশীল চেতনাত ধাৰণ কৰি লৈছিল। হাজৰিকাৰ সৃষ্টিত বাঁহী বজোৱা গৰখীয়া কৃষ্ণ আৰু দিচাংমুখৰ মিছিং ডেকাৰ কথা যেনেকৈ আছে, তেনেকৈয়ে আছে ৰূপচী নৈৰ পাৰেদি নূপুৰ বজাই পাৰ হৈ যোৱা চাওতালী গাভৰুৰ কথাও ; অসমৰ মানুহৰ এই চাক্ষুষ ছবিখনৰ লগতে তেওঁ দেখিছে তেওঁলোকৰ অন্তৰ্লোকৰ যন্ত্ৰণাৰ বাস্তৱ ছবিখনো। ''পাণেইৰ পোনাকণ'' শীৰ্ষক গীতটিত মাতৃৰ কামীহাঁড় সাবটি শুই থকা ভোকাতুৰ পুত্ৰৰ মৃত্যুৰ কথা উল্লেখ হোৱাৰ লগতে মাতৃ পাণেইৰ জৰিয়তে নাৰীবাদী চেতনাৰো কাব্যিক প্ৰকাশ ঘটিছে।

অগাধ কবিত্ব শক্তিৰো গৰাকী আছিল তেওঁ। গীতিকাৰে যিবোৰ কথা সাধাৰণতে পোনপটীয়াকৈ কয়, সেইবোৰ তেওঁ কয় বক্ৰোক্তি প্ৰয়োগ কৰি — ''প্ৰতি অসমীয়াই কি কৰা উচিত / উপদেশ দিবলৈ নাই লাচিত।'' আনকি কবি দেৱকান্ত বৰুৱায়ো এই কথা কওঁতে কেবাটাও চিত্ৰকল্প ব্যৱহাৰ কৰিছে। তেওঁৰ বাক্যবিন্যাস আৰু বিষয়সাৰত চিৰপ্ৰবহমান ভাৰতীয় সংস্কৃতিৰো কিছু উপাদান আছে ; ওজঃগুণসম্পন্ন শব্দৰ লগতে প্ৰাসংগিক ৰূপে তেওঁ কান্তিকোমল শব্দৰো প্ৰয়োগ কৰিছে। তেওঁৰ সামগ্ৰিক চেতনাতে উজ্বল হৈ আছে জীৱনৰ প্ৰতি এক ইতিবাচক সহাঁৰি, যি সহাঁৰিক মানৱতাবাদ বুলি অভিহিত কৰিব পাৰি।

ভূপেন হাজৰিকাৰ কেবাটাও বিশেষ গীত অন্য ভাৰতীয় ভাষালৈ অনূদিত হৈছে। অসমৰ ভাষা আন্দোলনক পটভূমি হিচাপে লৈ ১৯৬১ চনত ৰচনা কৰা ''মানুহে



মানুহৰ বাবে'' শীৰ্ষক গীতটো বাংলা ভাষালৈ শিৱ দাস বন্দোপাধ্যায়ে অনুবাদ কৰিছে ''মানুষ মানুষেৰ জন্যে'' বুলি। গীতটোৱে সেই সময়ত অভূতপূৰ্ব জনপ্ৰিয়তা অতিক্ৰম কৰি লণ্ডনৰ বি বি চিৰ এটা সমীক্ষাত শতিকাৰ শ্ৰেষ্ঠ গীত (বাংলাভাষা)ৰূপে পৰিগণিত হৈছিল। কিন্তু কথা হ'ল অনুবাদত হাজৰিকাৰ গীতটো কিমান মূলনিষ্ঠ হৈ থাকিল! নে হাজৰিকাৰ গীততকৈ সেই গীত ওপৰলৈ উঠিল? শ্ৰোতাই সেই বিচাৰ কৰি চাব পাৰে —

মানুষ মানুষকে পণ্য কৰে
মানুষ মানুষকে জীৱিকা কৰে
পুৰনো ইতিহাস ফিৰে এলে লজ্জা কি তুমি
পাবে না? ও বন্ধু
বলো কি তোমাৰ ক্ষতি
জীৱনেৰ অথৈ নদী
পাৰ হয় তোমাকে ধৰে
দুৰ্বল মানুষ যদি?

আন এটা গান -- স্বাধীনতা আন্দোলনৰ পটভূমিত ৰচনা কৰিছিল — ''বুকু হম্ হম্ কৰে''। স্বাধীনতা উদ্ধাৰৰ প্ৰেৰণা স্বৰূপে পূৰ্বজৰ আত্মবলিদানৰ দৃষ্টান্ত দাঙি ধৰা গানটোৰ মূল theme দেশপ্ৰেম। ''ৰুদালি'' বোলছবিত হিন্দী ভাষালৈ অনূদিত হৈ গীতটো পৰিবেশিত হৈছে — য'ত ব্যক্তিগত প্ৰেমৰ গভীৰ আৰ্তনাদৰ বাহিৰে গীতটোত একো নাথাকিলগৈ। গীতটোৰ বাণী সম্পূৰ্ণ সলনি হৈ এক প্ৰেমৰ গীতৰ ৰূপ লোৱাটো ভাবি চাব লগা কথা। ব্যৱসায়িক স্বাৰ্থত কৰা এনে অনুবাদে হাজৰিকাৰ সৃষ্টিশীল ব্যক্তিত্বত আঁচ বহুৱায়।

আগ্ৰহী পঢ়ুৱৈৰ বাবে হাজৰিকাৰ জীৱনপঞ্জী উল্লেখ কৰা হ'ল —

**ড° ভূপেন হাজৰিকাৰ উল্লেখযোগ্য তথ্যসমূহ —**

**জন্ম** ঃ ৮ ছেপ্তেম্বৰ ১৯২৬ (শদিয়া, অসম)

**মৃত্যু**ঃ ৫ নবেম্বৰ ২০১১ (মুম্বাই, মহাৰাষ্ট্ৰ)

**পৰিচয়** ঃ সংগীতজ্ঞ, গায়ক, কবি, বোলছবি নিৰ্মাতা আৰু গীতিকাৰ

**ক্ৰিয়াশীল পৰিক্ৰমা** ঃ ১৯৩৯ — ২০১১

**পত্নী** ঃ প্ৰিয়ম হাজৰিকা

**সন্তান** ঃ তেজ হাজৰিকা

**পিতৃ** ঃ নীলকান্ত হাজৰিকা

**মাতৃ** ঃ শান্তিপ্ৰিয়া হাজৰিকা

**বাল্যশিক্ষা** ঃ

সোণাৰাম হাইস্কুল, গুৱাহাটী, ধুবুৰী চৰকাৰী হাইস্কুল

**হাইস্কুল শিক্ষান্ত** ঃ

তেজপুৰ হাইস্কুল, ১৯৪০

**ইন্টাৰমেডিয়েট** ঃ

কটন কলেজ, গুৱাহাটী, ১৯৪২

**বি.এ.** ঃ

বেনাৰচ হিন্দু বিশ্ববিদ্যালয়, ১৯৪৪

**এম.এ** ঃ বেনাৰচ হিন্দু বিশ্ববিদ্যালয়, ১৯৪৬, ৰাজনীতি বিজ্ঞান।

**পি.এইচ.ডি** ঃ কলম্বিয়া বিশ্ববিদ্যালয়, ১৯৫২। **বিষয়** ঃ Proposals for preparing India's Basic Education to use Audio-Visual Techniques in Adult Education.

**কৰ্মজীৱন** ঃ আকাশবাণী, ১৯৪৯; শিক্ষক — গু.বি. ৰাজনীতি বিজ্ঞান বিভাগ, ১৯৫৪ – ১৯৫৭

**বঁটা / সন্মান** ঃ শ্ৰেষ্ঠ ৰাজ্যিক ছবি বঁটা (ছামেলী মেম ছাহাব, ১৯৭৫)

- পদ্মশ্ৰী, ১৯৭৭
- অৰুণাচল প্ৰদেশ চৰকাৰৰ পৰা সোণৰ পদক লাভ, ১৯৭৯
- লোক সংগীতৰ সমালোচক ৰূপে সৰ্ব ভাৰতীয় আকাশবাণী সন্মান, ১৯৭৯
- শ্ৰেষ্ঠ সংগীত পৰিচালক ৰূপে ঋতিক ঘটক সৰ্ব ভাৰতীয় বঁটা, ১৯৭৯-৮০, (ছবি ঃ মহুৱা সুন্দৰী আৰু নাগিনী কন্যাৰ কাহিনী)
- বংগীয় সাংবাদিক সংস্থাৰ ইন্দিৰা গান্ধী স্মৃতি পুৰস্কাৰ, ১৯৮৭
- সংগীত নাটক একাডেমী বঁটা, ১৯৮৭
- দাদাচাহেব ফাল্কে বটা, ১৯৯২
- জাপানত অনুষ্ঠিত Asia Pacific International Film Festival ত 'ৰুদালি' বোলছবিৰ বাবে শ্ৰেষ্ঠ সংগীত পৰিচালক, ১৯৯৩
- অসম সাহিত্য সভাৰ সভাপতি, ১৯৯৩
- পদ্মভূষণ, ২০০১
- দশম কলাকাৰ সন্মান, কলকাতা, ২০০২
- সংগীত নাটক একাডেমী ফেল'শ্বিপ লাভ, ২০০৮
- অসমৰত্ন, ২০০৯
- সদৌ অসম ছাত্ৰ সন্থাৰ দ্বাৰা ১৯০৯ চনত গুৱাহাটীত হাজৰিকাৰ প্ৰতিমূৰ্তি স্থাপন
- পদ্মবিভূষণ, ২০১২। ■



For a healthy growth of society an optimum amount of energy is essential. It is largely accepted as the agent of development of the nation. Energy of every kind is the most important ingredient for development of industries and human resource which ultimately propel all other developmental activities in society.


It is known to all that fossil fuel reservoirs are limited in our country. The known reservoirs of oil and natural gas may last hardly for 18 and 26 years respectively at the current reserves to production ratio. At present, about 70% of the total petroleum products demand of our country is being met by imports from foreign countries. India has about 80 billion tonnes of coal reserves which may last for 200 years. In order to provide power for all, additional capacity of 1,00000 MW would be needed by 2012, for which approximately Rs.. 800 billion investment will be required.

Thermal power plants use coal, petroleum and natural gas as fossil – fuels to produce thermal electricity. Both big and small, there are over 310 thermal power plants scattered all over the country. Assam, Jharkhand, Gujarat, M.P., U.P, chattisgarh, and W.B. produce mainly thermal power. Other significant producers are Punjab, Harayana, Rajasthan, Karnataka, Orissa and Delhi. In the total production of electricity in India, the share of thermal electricity is about 70%. They are non-renewable and polluting. Electricity produced by the power stations fed into regional grids.

India's largest power generation company National Thermal Power Corporation (NTPC) at present has an installed capacity of about 28% of all the Indian Thermal capacity. It has committed to add over 9700 MW new capacity during the 10th plan. The NTPC has successfully commissioned super thermal power projects at Singhrauli (UP), Korba (M.P), Ramagundam (A.P), Farakka (W.B), Vidhyachal (M.P), Rihand (U.P.) Dadri (U.P), Kahalgaon (Bihar), Taleher (Orissa) and five combined cycle gas power projects at Anta (Rajasthan), Auraiya (UP), Dadri (UP), Kawas (Gujarat) and Gandhan (Gujarat). The corporation has taken over the 420 MW project at Unchahar (UP) and the 460 MW project at Taleher (Orissa). NTPC is in the process of implementing Vindhyachal – II TPP (1000 MW) in Haryana. NTPC has also been entrusted with the management of 270 MW Badarpur Thermal Power Station (BTPS)

# THERMAL AND NUCLEAR ENERGY SCENARIO IN INDIA

**Dr. Arun Ch. Sarmah**
Associate Professor
Dept. of Physics





in Delhi since 1978 and with the implementations and management of BALCO'S 270 MW power plant near Korba.

In Gujarat, the Nirma Group of Industries setting up 250 MW liquid based power station at Ghogha in Bhavnagar District. Reliance Industries is also starting works of 3500 MW gas based power generation plant at Dadri in UP. This plant will produce clean-green power using environment – friendly natural gas as fuel. West Bengal Govt. is also taking plans for setting up of six power units. In Assam there is estimated to be around 320 million tonnes of coal. It is reported that it may last more than 100 years with generating capacity of 800 MW of power.

Assam has a gas reservoir of 23,000 million cubic meters. The gas-based new Namrup power projects, Amguri CGGT project and Lakwa waste heat power projects were proposed to be produced about 570 MW power by 2011-2012. On the 16th January, 2006, Our Prime Minister Dr. M. M. Singh laid the foundation stone of Bongaigaon Thermal Power Project (BTPP) of 500 MW capacity to be commissioned by NTPC at Kumguri, Salakati. This was also expected to be commissioned by 2012.

Though the idea of generation of electricity from nuclear reaction in becoming popular in the world, India at present is able to produce only 2.6% of electricity from nuclear reactors. At present, there are 14 nuclear reactors in working condition and from these total 2770 MW electricity is produced. Besides, 8 reactors are under construction from which about 1760 MW electricity is expected to be generated.

Indian Nuclear Scientists have planned to develop the aim and objectives of Nuclear Power Corporation (NPC) of India by developing three phase nuclear reactors in future. The first phase reactors are having capacity 235 MW 'Pressurised Heavy Water Reactor'. Here natural Uranium is used as fuel and then plutonium is prepared. The 2nd phase reactors are of 500 MW power each. Here Plutonium is used as fuel. These are Fast-Breeder Reactors. Here, Thorium is converted into Uranium – 233.

The third phase reactors are also fast Breeder Reactor. Here, Uranium – 233 is used as fuel and more Thorium can be converted to Uranium – 233 in comparison to second phase reactors.

In India till today, Tarapur, Kalapakkam, Narora and Rawatbhata first phase reactors are established. Kakrapur (Gujarat) and Kayiga (Karnataka) reactors are under construction. In the mean time the works of 2nd phase reactors have also been started. The Fast- Breeder-Reactor established at the Indira Gandhi Atomic Research Centre, Kalapakkam is the first reactor of this type in the world. Here thorium is converted into Uranium - 233.

In Trombay, there are three nuclear research centres under Bhaba Atomic Research Centre – Apasara (1 MW swimming pool reactor), Cyrus (40 MW Thermal reactor) and Dhruba (100 MW Thermal reactor). In 1972 a Fast-Breeder Reactor PURNIMA - 1 was constructed at Trombay where plutonium is used as fuel. This was renovated in 1984 to use Uranium – 233 as fuel and then it was named as PURNIMA – 2. The new modern form of PURNIMA – 2 is PURNIMA – 3. This is a Zero energy reactor and it is the first experimental research reactor in the would where Uranium – 233 is used as fuel.

In the last few years some steps have been taken by Govt. of India to produce nuclear electricity of 700 MW by own technology. From this high power reactors about 20,000 MW nuclear electricity will also be generated and will be commissional by 2020. Besides these, two reactors of Russian technology will be installed at Kundalkulam (Tamil Nadu) from which about 1000 MW nuclear electricity will be generated.

India joining in the International Thermonuclear Experimental Reactor (ITER) programme on global fusion energy will be a milestone towards the efforts to harness fusion power for the benefit of mankind. Other partners of ITER are US, European Union, Russia, Korea, China and Japan. ■







# বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায় আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ হাস্যৰসাত্মক ৰচনাৰ উদ্দেশ্য আৰু তাৎপৰ্য

**সীমান্ত বৰদলৈ**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

বাংলা গদ্য সাহিত্যৰ ইতিহাসত বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায় অৱদান প্ৰাতঃস্মৰণীয়। আধুনিক বাংলা সাহিত্যক সমৃদ্ধিশালী কৰি তোলাত তেওঁৰ উপন্যাস আৰু বিভিন্ন প্ৰবন্ধ তথা ভিন্ন ধৰ্মী ৰচনাৰ ভূমিকা তাৎপৰ্যপূৰ্ণ। দেশানুৰাগেৰে অনুৰঞ্জিত বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায়ে ঊনবিংশ শতিকাৰ বঙ্গীয় সমাজ জীৱনক উন্নততৰ ৰূপ দিবলৈ আৰু বঙালী সকলক স্বদেশ হিতৈষণাৰে উদ্বুদ্ধ কৰিবলৈ হাতত কলম তুলি লৈছিল। তেওঁৰ সমাজ সংস্কাৰমূলক ভিন্নধৰ্মী তেনে এখন গ্ৰন্থ হ'ল 'কমলাকান্তেৰ দপ্তৰ'।

আধুনিক বাংলা সাহিত্যত 'কমলাকান্তেৰ দপ্তৰ' এখনি অনন্য ৰচনা। অন্যান্য বহুতৰ দৰেই স্বয়ং লেখকে বিশ্বাস কৰিছিল যে কমলাকান্তেৰ দপ্তৰ তেওঁৰ সৰ্বশ্ৰেষ্ঠ ৰচনা। বহুতৰ মতে এই গ্ৰন্থখনৰ সৈতে De Suinceeyৰ 'Confession of an English Opium Eater আৰু Dickensৰ Pickwick Papers ৰ মিল আছে। প্ৰথমখনৰ সৈতে ইয়াৰ সাদৃশ্য ইমানেই যে — 'কমলাকান্তেৰ দপ্তৰত' থকাৰ দৰেই এগৰাকী নিচাসক্ত ইংৰাজে নিচাৰ প্ৰাবল্যত আপাততঃ অসংলগ্ন উক্তি কৰিছে। আনহাতে দ্বিতীয় গ্ৰন্থখন যি ৰীতিত ৰচিত 'কমলাকান্তেৰ দপ্তৰো' সেই একে ৰীতিৰে ৰচিত। সি যি কি

বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায়ৰ প্ৰায় সমসাময়িক আধুনিক অসমীয়া সমাজ আৰু সাহিত্যৰ গঢ় দিওঁতা লক্ষ্মীনাথ বেজবৰুৱাৰ বিচিত্ৰগন্ধী ৰচনাৰ মাজত হাস্যৰসাত্মক ৰচনালানি অন্যতম। সমসাময়িক অসমীয়া সমাজখনৰ দোষ ত্ৰুটি, অসংগতি-বিসংগতি, ভেম-ভণ্ডামি আদি দেখি ক্ষুব্ধ বেজবৰুৱাই অসমীয়া সমাজখনক নিকা কৰিবলৈ আৰু অসমীয়া মানুহখিনিক নতুন চেতনাৰে উদ্বুদ্ধ কৰিবলৈ হাস্যৰসাত্মক ৰচনাৰ আশ্ৰয় লৈছিল।



নহওক এনেবোৰ সাদৃশ্য আচলতে বহিৰঙ্গহে। প্ৰকৃতিৰ ফালৰ পৰা 'কমলাকান্তেৰ দপ্তৰক' মৌলিক বুলিয়েই ক'ব লাগিব। আনহাতে 'কমলাকান্তেৰ দপ্তৰ' ইমানেই অভিনৱ যে ইয়াক থিক উপন্যাস অথবা নাটকৰ অন্তৰ্ভূক্ত কৰিব পৰা নাযায়। কমলাকান্ত চৰিত্ৰটিৰ লঘু আত্মকথনৰ বাবে ইয়াক উপন্যাস জাতীয় ৰচনা বুলি ধৰা হয়। অথবা একক উক্তিৰে কাৰণে ইয়াক ড্ৰামাটিক ম'ন'ল'গ (Dramatic monolog) বুলি ভবাৰ কোনো কাৰণ নাই। ই একান্ত ভাবেই প্ৰবন্ধ জাতীয় ৰচনা ; যদিও ই ভিন্নজাতীয় প্ৰবন্ধ।

গ্ৰন্থখনৰ নায়ক কমলাকান্তই প্ৰচলিত সমাজখনক সমালোচনা কৰিছে। ইয়াৰ কাৰণ হ'ল প্ৰবাহিত জীৱন ধাৰাৰ সামগ্ৰিক ৰূপৰ সৈতে কমলাকান্তৰ বিৰোধ আছে আৰু এই বিৰোধৰ অতিশয় চেতনাই কমলাকান্তক কঠোৰ সমালোচক তথা আত্মজিজ্ঞাসাত প্ৰবুদ্ধ কৰি তুলিছে। কমলাকান্তৰ সমালোচনা কেতিয়াবা গভীৰ উদ্দেশ্যৰ আন্তৰিকতাত আৱেগ চঞ্চল, কেতিয়াবা তীক্ষ্ণ শ্লেষেৰে শানিত আকৌ কেতিয়াবা লঘু হাঁহিৰ বুৰবুৰণিৰে মুখৰ। কমলাকান্তৰ জৰিয়তে বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায় সৰ্বপ্ৰথম বাংলা সাহিত্যত লঘু হাস্যৰসৰ পৰিৱৰ্তে এক পৰিচ্ছন্ন নিৰ্মল কৌতুকপ্ৰিয় আৰু বুদ্ধিদীপ্ত হাস্যৰসৰ ৰহঘৰা নিৰ্মাণ কৰে। এই দিশলৈ লক্ষ্য ৰাখি ৰবীন্দ্ৰ নাথে মন্তব্য কৰিছিল — "হাসিৰ সুচিন্তা আমৰা বঙ্কিম সাহিত্যেই প্ৰথম লাভ কৰি।"

বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায়ৰ এই বিমল কৌতুক প্ৰিয়তা হাস্যৰসৰ প্ৰকাৰ সম্পৰ্কে সামান্য আলোকপাত কৰা হ'ল। আলংকাৰিকসকলৰ মাজত হাস্যৰসৰ প্ৰকৃতি আৰু অভিব্যক্তিৰ একাধিক স্তৰ বিভাগ স্বীকৃত। সেই স্তৰ বিভাগৰ পৰাই আমি ইংৰাজীত Wit আৰু Humour শব্দ দুটিৰ প্ৰয়োগ দেখিবলৈ পাঁও। Wit আৰু Humourৰত জীৱনৰ সহাস্য অসংগতিৰ ধাৰণাই উদ্দীপ্ত কৰা কৌতুকৰ অভিব্যক্তি থাকে ; কিন্তু তথাপি এই দুইৰ মাজত এটা পাৰ্থক্য আছে। Chesterton-এ তেওঁৰ স্বভাৱ সিদ্ধ তিৰ্যক ভঙ্গীৰে এই পাৰ্থক্য বিশ্লেষণ কৰিছে এনেদৰে — "The man who sees consistancy in things is a wit." আৰু "The man who sees the inconsistancy in things is a humour." অৰ্থাৎ আপাতঃ সম্পৰ্কহীন, সংযোগহীন চিন্তা বা বিষয়ৰ মাজত অকস্মাৎ সাদৃশ্য আৱিষ্কাৰ আৰু তীক্ষ্ণ বুদ্ধিগৰ্ভ শব্দৰ যোগেদি তাক প্ৰকাশ কৰাৰ নাম wit, আনহাতে আদৰ্শ আৰু ব্যৱহাৰ চিন্তা আৰু কাৰ্যৰ মাজত অসংগতিৰ আৱিষ্কাৰ আৰু সেই আৱিষ্কাৰক সমবেদনাৰ সহৃদয়তাৰে প্ৰকাশ কৰাৰ নাম humour। wit ত বুদ্ধিৰ অ-প্ৰত্যাশিত দীপ্তিয়ে আমাক অকস্মাতে সচকিত কৰে আৰু humour ত অভিসিঞ্চিত কৰুণাই গোপনে আমাৰ হৃদয়ক ব্যথিত আৰু অশ্ৰুসজল কৰি তোলে। এই সম্পৰ্কে ড° শ্ৰীকুমাৰ বন্দ্যোপাধ্যায়ে কৈছে ঃ—

"humour ত বুদ্ধিৰ তীব্ৰ দীপ্তিহীন সহানুভূতিৰ কৰুণ শীতল স্পৰ্শৰ এক প্ৰকাৰ অপৰূপ সন্মিলন ঘটে, মুখৰ হাঁহি আৰু চকুৰ পানী মিলি গৈ একধৰণৰ অপূৰ্ব ইন্দ্ৰধনু বৰ্ণ বৈচিত্ৰ্যৰ সৃষ্টি হয়। wit ত বুদ্ধিৰ অনায়াস লীলাই আমাৰ চকু তিৰবিৰাই তোলে আৰু অপ্ৰসংশনীয় বিস্ময়ৰ উদ্ৰেক কৰে।"

humourist – এ তেওঁৰ হাঁহিৰ সহায়ত পাঠকক বুজাই দিয়ে যে য'ত আমি গভীৰ ত'তেই আমি হাস্যস্পদ বা তুলুঙা ; যি আমাৰ বাবে উপহাসৰ বস্তু সিয়েই দৰাচলতে সহানুভূতিৰ অধিকাৰী। আনহাতে সাহিত্যত witৰ প্ৰকাশ দুৰ্লভ, কিন্তু humourৰ প্ৰকাশ প্ৰচুৰ। ছেক্সপিয়েৰ, লেম্ব, ডিকেন্স, বেজবৰুৱা প্ৰভৃতি সাহিত্যিকসকলৰ ৰচনাত হাঁহি, অশ্ৰু, আনন্দ বিষাদৰ লগতে হাস্যৰসাত্মক ৰচনাও উভৈনদী হৈ আছে।

বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায়ৰ কৌতুক প্ৰিয়তা আৰু হাস্যৰস humour ৰেই সাৰ্থক অভিব্যক্তি। তেওঁৰ সমকালীন উদাসীন মানুহৰ ব্যৱহাৰিক জীৱনলৈ নামি অহা ভ্ৰান্তি আৰু অসংগতিৰ প্ৰকাশ দেখি তেওঁ অতিশয় ব্যথিত আৰু ক্ষুব্ধ হৈছিল। সেই ক্ষোভ, যন্ত্ৰণা পীড়ন ক্লান্তি ইমানেই বেছি যে সি অনায়াসে ট্ৰেজেদিৰ পৰ্যায়লৈ উন্নীত হ'ব পাৰিলেহেঁতেন ; কিন্তু অবাঞ্চিত পৰিণতিৰ হাতৰ পৰা বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায়ে অব্যাহতি পায় কৌতুকপ্ৰিয়তা আৰু বিমল হাস্যৰসৰ সহায়ত। 'কমলাকান্তেৰ দপ্তৰ'ত সৃষ্ট এই হাস্য ৰস বিশ্লেষণ কৰিলে দেখা যায় যে বাংলা সাহিত্যত ইয়াৰ আগতে এই ধৰণৰ উচ্চ পৰ্যায়ৰ হাস্যৰস পৰিৱেশিত হোৱা নাছিল। 'কমলাকান্তেৰ দপ্তৰ'ত বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায়ে যি জাতীয় হাস্যৰস প্ৰৱৰ্তন কৰিছে তাক humour জাতীয় বুলি কোৱাটোৱেই সমীচীন। Satire ৰ মাজত যি তীব্ৰ বিদ্ৰুপ আৰু বস্তুগত বা ব্যক্তিগত ব্যঙ্গ থাকে 'কমলাকান্তেৰ দপ্তৰ'ত সি অনুপস্থিত।

বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায়ৰ প্ৰায় সমসাময়িক আধুনিক অসমীয়া সমাজ আৰু সাহিত্যৰ গঢ় দিওঁতা লক্ষ্মীনাথ বেজবৰুৱাৰ বিচিত্ৰগন্ধী ৰচনাৰ মাজত হাস্যৰসাত্মক ৰচনালানি অন্যতম। সমসাময়িক অসমীয়া সমাজখনৰ দোষ ত্ৰুটি, অসংগতি–বিসংগতি, ভেম–ভণ্ডামি আদি দেখি ক্ষুব্ধ বেজবৰুৱাই অসমীয়া সমাজখনক নিকা কৰিবলৈ আৰু অসমীয়া মানুহখিনিক নতুন চেতনাৰে উদ্বুদ্ধ কৰিবলৈ হাস্যৰসাত্মক ৰচনাৰ আশ্ৰয়



লৈছিল। তেওঁ 'কৃপাবৰ' বা 'কৃপাবৰ বৰবৰুৱা'ৰ নামত সৃষ্টি কৰা এই শ্ৰেণীৰ ৰচনাসমূহ চাৰিখন কিতাপৰ আকাৰত প্ৰকাশ হৈছে। এই চাৰিখন হ'ল :

১) কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা (১৯০৪)
২) বৰবৰুৱাৰ ওভতনি (১৯০৯)
৩) কৃপাবৰ বৰবৰুৱাৰ ভাবৰ বুৰবুৰণি (১৯৫১)
৪) বৰুৱাৰ বুলনি (১৯৬৪)

ইয়াৰ প্ৰথমখন বেজবৰুৱাৰ ছপা হৈ ওলোৱা দ্বিতীয় পুথি। এইখন খণ্ড খণ্ডকৈ 'জোনাকী'ত প্ৰকাশ হৈছিল। কৃপাবৰে ক্ৰমে ক্ৰমে অসমৰ বিবিধ সমস্যাৰ পৰা আৰম্ভ কৰি সৰ্বভাৰতীয় সমস্যা আনকি মানৱৰ কিছুমান চিৰন্তন প্ৰশ্নৰো অৱতাৰণা কৰিছে। দৰাচলতে হুহুঁৱাবলৈ আৰু তীক্ষ্ণ বাক্যবাণেৰে প্ৰতিপক্ষক কন্দুৱাবলৈ বেজবৰুৱাই ছদ্মনাম লৈছিল 'কৃপাবৰ বৰুৱা'। আচলতে কৃপাবৰ বৰবৰুৱা নামটো দীঘল হোৱা বাবে তেওঁ চুটিকৈ লিখিছে কৃপাবৰ বৰুৱা। কৃপাবৰৰ হাস্যৰসত কটূক্তি, ব্যঙ্গ্য আৰু বক্ৰোক্তি সমানেই চলে। আনহাতে তেওঁ সহানুভূতিপূৰ্ণ হাস্যৰসখিনি সকলোৰে বাবে উপভোগ্য। কৃপাবৰে লিখা এটি চনেটত পোৱা যায় ঃ—

*''কৃপাবৰ বৰবৰুৱা মহাধনুৰ্দ্ধৰ*
*বৰপেট টিকনিৰে মূৰ লৰফৰ*
*সুদৰ্শন হাতে বিষ্ণু, শূলহাতে ভোলা*
*মহেন্দ্ৰ বজ্ৰ, কৃপাৰ কাকতৰ টোপোলা।''*

.................................

*''চৈধ্যফকীয়া কবি কৃপা তয়াময়া ৰণে।*
*নিজৰ জীৱন কাব্য নিজে নিজে ভণে।।''*

ভাৰতৰ বিভিন্ন ভাষা আৰু বিবিধ প্ৰকাশ ভঙ্গীৰ ওপৰোৱা সমন্বয় সাধনৰ ৰূপত ৰচনা কৰা ভাৰতবৰ্ষীয় জাতীয় চিন্তাভঙ্গীয়ে এফালে হাঁহি আনফালে চিন্তাৰ খোৰাক যোগায়। সেইদৰে অসমীয়া মানুহৰ দুৰৱস্থা আৰু অশোভনীয় আচৰণত সূক্ষ্ম দৃষ্টি দিয়া কৃপাবৰে লিখিছে ঃ

*''অসমীয়াৰ চ'ৰাঘৰত ধানৰ মৰণা মৰা।*
*চোতালত একাঠুৱা পলবোকা পৰা।।''*

.................................

*''মজিয়াত কেঁচুমটা ঘৰৰ বেৰত পিক্।*
*পাণত বগা চূণৰ দাগে খুটা চিকমিক্।।''*

.................................

*''ইসব লক্ষণ যিদিনাই নাইকীয়া হ'ব।*
*সিদিনাই জানা মহা প্ৰলয় মিলিব।।''*

ঠিক সেইদৰে বিশাল ভাৰতৰ জনতাৰ অৱস্থালৈ লক্ষ্য কৰি কৃপাবৰে ব্যথা অনুভৱ কৰে আৰু তেওঁলোকৰ অনৈক্য আৰু বিভেদক গৰিহণা দিয়ে ঃ—

*''যোৱাঁ ঐ যোৱাঁ ভাৰত সন্তান।*
*হোৱা দুই মন তিনি প্ৰাণ।।''*

বেজবৰুৱাৰ হাস্যৰসাত্মক ৰচনাৰ বিষয়ে বেণুধৰ শৰ্মাই লিখা কথাখিনি প্ৰণিধানযোগ্য ঃ—

''প্ৰথমটো হৈছে তেখেতৰ অতি অসাধাৰণ হাস্য আৰু ব্যঙ্গ্যৰস 'হিউমাৰ-ছেটায়াৰ', যি দুটা ৰসে সেই সাহিত্যক ৰসাল কৰিব পাৰে। দ্বিতীয়টো হৈছে তেখেতৰ অনুকৰণীয় নিভাজ অসমীয়া গদ্যৰ ঠাঁচ। যিটো আন কালৰ লেখাত পাবলৈ নাই। তৃতীয়টো হৈছে তেখেতৰ বিষয় আৰু ভাবৰ পৰিধি।''

সমসাময়িক ৰাজনৈতিক আৰু সামাজিক সমস্যায়ো বেজবৰুৱাক প্ৰভাৱিত কৰিছিল। তেওঁ ইংৰাজী, বাংলা, সংস্কৃত আৰু বৈষ্ণৱ সাহিত্যৰ উদ্ধৃতি আৰু বিশ্লেষণ দাঙি ধৰি সেইবোৰ প্ৰাসঙ্গিক কৰি তুলিছে। অসম তথা ভাৰতবৰ্ষৰ সাৰ্বজনীন আৰু সৰ্বকালীক বিষয়কো 'কৃপাবৰী' ৰূপত প্ৰকাশ আৰু পৰিৱেশন কৰি তেওঁৰ ৰচনাক চিৰন্তন কৰি ৰাখিবলৈ সক্ষম হৈছে।

শেষত স্বীকাৰ কৰিব লাগিব যে বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায় আৰু লক্ষ্মীনাথ বেজবৰুৱা দুয়োগৰাকীৰ সংস্কাৰকামী ব্যঙ্গ্যই তথা ভাব-অনুভূতিৰ বৈচিত্ৰ্যই, ভাষা আৰু প্ৰকাশভঙ্গীৰ অভিনৱত্বই তেওঁলোকৰ সমাজ সচেতনতা, জাতীয় প্ৰেম, বিশাল প্ৰতিভা আদিৰ বিষয়ে পাঠকক অৱগত কৰায়। সাধাৰণ জনতা তেওঁলোকৰ দ্বাৰা কিমান উপকৃত হ'ল বা সমাজখনে আশাপ্ৰদ উন্নতি লাভ কৰিলে নে নাই নে তেওঁলোকৰ প্ৰয়াস কাগজৰ পৃষ্ঠাতেই আৱদ্ধ হৈ ৰ'ল সেই কথা সামাজিক তথা সাংস্কৃতিক ইতিহাসৰ পাত লুটিয়ালেই দৃষ্টিগোচৰ হয়। ■



Based on the availability of natural gas in Assam, a Gas Cracker unit is under implementation at Lepetkata in Dibrugarh district. The company in the name of Brahmaputra Cracker & Polymers Ltd. was jointly formed by GAIL, OIL and Government of Assam and is expected to be commissioned by 2012. The under constructed Lepetkata Mega project provides a tremendous scope for the development of downstream plastic and plastic product producing industries. In order to facilitate the growth of plastic industries, the government of Assam has taken necessary provisions to set up a plastic park near the gas cracker.

Mott MacDonald was assigned to make a detailed study on downstream of Gas Cracker unit suggested at Tinsukia for locating Plastic Park Vicinity to the raw material sources and availability of all other required parameters like availability of power, water and transport communication. The project was proposed at Gelapukhuri near the Tinsukia Town. An area of around 1500 bighas (500 acres) has been identified and around 400 acres of which is in the final process of acquisition. The under constructed project site for the Plastic Park is located 3-4 kms. from the Tinsukia town. A PMGSY road is passing through the land dividing into 3 portions. The NH 37 is about 4 kms. from the site. The Assam gas cracker project which would supply the raw materials for the units is about 50 kms. from the site. It is 5 kms. from the Railway Station and 45 kms. from Dibrugarh Airport.

The Assam government has identified about 500 units in the plastic sector and in the fair; issues related to technology, finance and infrastructure were discussed. The centre and Assam have already undertaken an ambitious plan to encourage small and medium entrepreneurs to venture into the plastic industry, which will get a boost with the commissioning of the Assam Gas Cracker Project in 2012. The gas cracker project coming up at Lepetkata in Dibrugarh would open up opportunities for investment in the plastic industry as a downstream project.

Now, a very important issue arises in mind, that how this plastic park, small and medium plastic industrial units would generate

# Employment Opportunities at Gelapukhuri Plastic Park of Tinsukia District

**Mukunda Madhav Gogoi**
Asst. Prof., Deptt. of Economics





employment opportunities? Deputy commissioner of Tinsukia, K.K. Dwivedi said, "The news of the proposed plastic park to be set up in Gelapukhuri in Tinsukia has brought a ray of hope not only to hundreds and thousands of unemployed youths in Tinsukia district but also to the whole of Upper Assam. According to our estimates, once the park is set up, it will be able to create employment opportunities for around 25,000 unemployed youths". We can discuss this aspect as follows.

The downs stream projects of Gas Cracker envisage creating employment opportunities to one lakh people. This park will be the major point for generating employment. It will generate entrepreneurship from the entire North Eastern Region. NEDFI has already initiated special entrepre- neurship development drive in all the other seven states of this region. The participation of entrepreneurs from the entire N.E. region during the N.E. International Plasto Fair 2010 at Guwahati anticipates an encouraging participation in the plastic park. This park will be a concentrated on development of downstream industries of the Gas Cracker unit.

Several common services will be created to maximize productivity and minimize capital investment of the individual plastic processing industrial units. They include transportation, banking, advertisements, insurance scheme, selling etc. in which hundreds of job opportunities will be created. These services in turn will reduce the overall operating cost of production. The reduced operating cost coupled with the attractive incentives from the state and central government will make the products from this Park competitive in the national and international market. It is therefore expected that the small and medium plastic processing units would be able to absorb greater number of educated unemployed.

"After completion, the Tinsukia Plastic Park is expected to produce at least 1250 downstream plastic processing units generating over one lakh direct and indirect employment. Plastic parts of aircraft and copter, healthcare items, bags for storage and transportation of fruits and vegetables, electrical and electronics tools, telecommunication, pipes, agriculture and water supply will be the products of these industrial units in the plastic park," an official involved in the project said. Moreover multilayered packaging material, woven sacks, small and medium enterprises for all kinds of household products, small engineering products based on polymer and other assorted products will also be produced. All these downstream plastic processing units under the park is expected to engage around 10,000 people in various roles and capacities.

The deputy commissioner of Tinsukia, K.K. Dwivedi said, "There is every possibility of Tinsukia district becoming the nerve centre of commercial activities in Assam in future once the projects like the proposed plastic park start functioning". So after completion of this park the whole upper Assam will be a major commercial zone. Where there is commerce, there is a hundred of job opportunities open for the people in general. For the most part, there are no special educational requirements for a person to become employed as a plastics machine setter, machine operator, or tender. The minimum knowledge required can be easily acquired through short term training in this aspect.

Once the Plastic Park is complete, it will facilitate the setting up of 1250 numbers of downstream plastic processing Industries which are expected to generate 109000 numbers of both direct & indirect employment. The State of Assam is the entry point for the entire North Eastern region surrounded by international borders with South East Asian countries offers tremendous scope for polymer market including scope for exports. The opening of famous Steel Well road would further accelerate the economic growth of the states of North East through border trade for our plastic products. ■





# Snakes: Nature's Endowment & Friends of Mankind; Come, Let's Save Them Together!

**Rajib Rudra Tariang**
Asst. Prof., Deptt. of Zoology

From time immemorial, snakes are always fascinated by human more than other animals on earth. Reptiles appeared on earth millions of years ago, much before human started colonizing on this planet. Most of them are sensitive to the environmental changes that have made many species of snake disappearance on the slightest disturbances in their ecosystem, while only a few species are flexible to such sensitivity. Human fear for the 'dangerous reptiles', mostly the snakes, is one of the most prevailing threats to these animals. It is because people don't know much about them, and thinks that all snakes are deadly poisonous. In India, most of the snakes are absolutely harmless to humans while only a few ones are responsible for thousands of death each year. Most people consider snakes as dangerous and kill them as and when they are seen. Also lack of knowledge about snakes and snake bite creates confusion among victims that further delay the necessary medication to prevent death.

A total of 270 species of snakes are found in India and in North East India about 102 species and 56 species from Assam. Out off 56 species, 14 of them are recorded to be poisonous among them and another eight (8) species mild venomous.

Snakes form an important component of our food-chain. It is an essential important group of predators, the interaction of which maintains the natural balance in the forest and deserts, the plains and hills of India. Man has to realize that the world's food chains are a product of the plants, animals and their habitat. We need to adopt practices that are more environmentally sound and that have the potential to contribute to the long-term sustainability of our existence. If we let the snakes disappear, it is a sure sign that we are ready to let all wilderness go. This in turn will make the world unfit for both men and other animals as the food-web would



largely affected.

With the advent of human civilization and converting it into tea plantations and paddy fields, village hut and city godowns provided new opportunity for worms and insects, frogs and birds, rats and mice many of which increased in the areas they occupy and become pest. Due to short-fall of their natural habitat and scarcity of food, they are now frequently sighted within human settlements. Such expansion and such changes in their food supply apparently caused shifts in their kinds and density of snake population as well. Every year there are incidents of snake killing by common mass due to physiological fear that all snakes are poisonous. Furthermore, we lack information about those snakes that have been unable to survive the total destruction of natural habitats and about the role these snakes once played in maintaining a balance between pests and crops. We know little about the kinds of snakes occurring in each area and the actual changes that have taken place in snake population with increased cultivation and the use of chemical fertilizers and pesticide. The snake plays an important part of our ecological community because it acts as both predator and prey. Majority of common snakes are regarded as 'Friend's of the farmer' as they keep the rats and mice population under control, while the snake is also a food for its predators like other larger snake, pond herons, hawks, eagles, mongoose, owls, etc.

According to Dr. Salim Ali, famous ornithologist, who also studied on rodent population and its damage, said that about 20-30 % of India's grain crop is destroyed by rodents! every year.

Many snake biting cases both by venomous as well as non-venomous occur in this region, as the encounter rate is high. Many of the snake victims are treated by the traditional way of treatment and couple of these cases are fatal. As per World Health Organization (WHO) the death toll was alarming in the developing countries because of frequent human and reptile confrontations and moreover most of the deaths are due to heart attacks [fear psychosis makes a victim feels insecure, thinks he/she will die immediately] rather than actual death due to venomous bite. The size of the Indian snake ranges from a few centimetres to almost ten meters in length and are found in areas like humid forest, deserts, cool hill ranges, in lakes, streams and even in seas.

Further, loss of forests and wetland habitats from development projects like highways and dams are adding more threats to these smaller useful animals. Threats mentioned above are conspicuous, persistence and are looming on long-term existence of these smaller animals. In Assam, reptiles are now restricted to the protected areas and its adjoining areas only. Further, almost all the reptiles of this region are legally protected under Wildlife (Protection) Act, 1972, and who ever found to injure, capture illegally, trade, poach or kill any of its kind can lead to imprisonment for 6 months to 7 years.

It is important that we recognize the snake fauna as an important key component of any ecosystem and thus understand the need to protect and conserve them. Though it is not an easy task, however, the first step would be increasing our knowledge about these little known creatures. That will assist in evaluating their conservation status comprehensively. Secondly, the communities of the region must come forward and join hands with concerned agencies and conservationists to protect these wonderful animals.

How, one can avoid snakebite?

One can easily prevent snakebite by following the tips given below :

1. Look where you are putting your feet and hands. Carry a torch at night.
2. Never try to catch a snake or kill it. Most of the dangerous snakebites happen while attempting to handle or kill it. Maintain a safe distance from a snake.
3. Keep your house, workplace or surrounding without mice, rat and toad, as all these attract snakes.
4. Clean and remove garbage, logs, brick pile, firewood, haystack and such habitat, as various types of snakes tend to harbour such habitats.



5. Wear boot or shoes when you go in bushy areas as that cover the lower leg to avoid snake-bite.
6. Avoid sleeping on the ground, if there are snakes around, as the snake would rarely climb on bed, if the surrounding habitat seems to be inhabitat by snake dwelling.
7. Use mosquito nets during night sleep as it may also protect you from an accidential snakebite.

**Snakebite First Aid :**

There are no clear guidelines laid for snakebite first aid. However, the following sets of guidelines are universally accepted by medical practitioners and authorities on snakebite :

1. Do not panic or run, it is necessary to stay calm. If possible, identify the snake or remember about its features without trying to catch or kill it. A second bite or a second victim will worsen the situation.
2. Report the incident to the family and friends and ask for help, immediately. Remove rings or bands or any such things to avoid constriction due to possible swelling as a result of envenomation.
3. Carry the victim. An exercise increase blood flow and venom spreads. If you are alone, walk slowly as possible to the nearest point where assistance may be available.
4. Do not waste time in traditional first aid by local tantrik and ojha.
5. Hospitalization and proper treatment at the earliest is must for the victim. The hospital may be informed in advance and it should have its life supporting system ready.
6. Do not drink alcohol and other stimulants or medicines without advice from a physician.
7. Do not cut or squeeze the injury. Such practices causes more harm than benefit and may prove dangerous.
8. Inform the Doctor about any of the following signs appearing on the way to the hospital: difficulty in breathing and speaking, drooping eyelids, drowsiness, bleeding from gums or any unusual bruising.
9. Avoid tourniquet. It might prove more harmful than beneficial. In case of haemototic envenomation a tourniquet may cause excessive tissue damage leading to an amputation.
10. Pressure bandage is recommended, if the envenomation is neurotoxin. Tie it as tightly as you would tie a sprained ankle, but one must make sure that a finger could easy pass through it.
11. Victims should never allow sleeping in the bed ; rather, the patient should be kept awake in a sitting position. ■

Check-lists of Snakes sighted in Upper Assam (Dibrugarh & Tinsukia District of Assam)

| | Common English Name | Scientific Name |
|---|---|---|
| 1. | Brahminy Worm Snake | Ramphotyphlops braminus |
| 2. | Diard's Worm Snake | Typhlops diardii |
| 3. | Burmese Python | Python molurus bivitattus |
| 4. | Green Trinket Snake | Elaphe prasina |
| 5. | Copper Headed Trinket Snake | Coelognathus radiatus |
| 6. | Common Trinket Snake | Coelognathus helena helena |
| 7. | Banded Trinket Snake | Oreocryptophis porphyraceus |
| 8. | Eastern Trinket Snake | Orthriophis cantoris |
| 9. | Indo-Chinese Rat Snake | Ptyas korros |
| 10. | Indian Rat Snake | Ptyas mucosa |
| 11. | White-barred Khukri Snake | Oligodon albocinctus |
| 12. | Blue Bronze-back Tree Snake | Dendrelaphis cyanochloris |



| | | |
|---|---|---|
| 13. | Painted Bronze-back Tree Snake | Dendrelaphis pictus |
| 14*. | Ornate Flying Snake | Chrysopelea ornata |
| 15. | White-banded Wolf Snake | Dinodon septentrionalis |
| 16. | Yellow-speckled Wolf Snake | Lycodon jara |
| 17. | Common Wolf Snake | Lycodon aulicus |
| 18. | Assam Snail Eater | Poreas monticolus |
| 19. | Striped Keelback | Amphiesma stolatum |
| 20. | Checkered Keelback Water Snake | Xenochrophis piscator |
| 21*. | Yellow-spotted Keelback | Xenochrophis flavipunctatus |
| 22*. | Common Smooth-scale Water Snake | Enhydis enhydris |
| 23*. | Himalayan Keelback | Rhabdophis himalayanus |
| 24*. | Red -necked Keelback | Rhabdophis subminiatus |
| 25*. | Short-nosed Vine Snake | Ahaetulla prasina |
| 26*. | Green Cat Snake | Boiga cyanea |
| 27*. | Eastern Cat Snake | Boiga gokool |
| 28*. | Large-spotted Cat Snake | Boiga multomaculata |
| 29*. | Tawny Cat Snake | Boiga ochracea |
| 30*. | Common Indian Cat Snake | Boiga trigonata |
| 31*. | Collared Cat Snake | Boiga nuchalis |
| 32*. | Assam Cat Snake | Boiga quincunciata |
| 33*. | Thai Cat Snake | Boiga siamensis |
| 34*. | Common Mock Viper | Psammodynastes pulverulentus |
| 35**. | King Cobra | Ophiophagus hannah |
| 36**. | Monocled Cobra | Naja kouthia |
| 37**. | MacClelland's Coral Snake | Sinomicrurus macclellandi |
| 38**. | Banded Krait | Bungarus fasciatus |
| 39**. | Greater Black Krait | Bungarus niger |
| 40**. | Common Krait | Bungarus caeruleus |
| 41**. | White Lipped Pit Viper | Cryptelytrops albolabris |
| 42**. | Gumprechit's Pit Viper | Viridovipera gumprechtii |
| 43**. | Brown Spotted Pit Viper | Protobothrops mucrosquamatus |
| 44**. | Pope's Pit Viper | Popeia popeiorum |

**Note** * stands for mildly venomous and ** stands for venomous.

Checklists of snakes prepared by Mr. A. Wats, Mr. R. R. Tariang, Mr. T. Gogoi , Mr. S M. Das And G. Buragohain.



# ROLE OF PUBLIC AWARENESS IN CONTROLLING AIR POLLLUTION




**Jitu Borah**
Assistant Professor
Deptt. of Political Science

Pollution is that when water, air or land becomes very impure. Pollution can come in four different types affecting different types of areas in the world. Air pollution affects air, water pollution affects the water and marine life, land pollution affects the land destroying life and the environment and there is also sound pollution that can affect our hearing. We all contribute to pollution in some way or the other, whether it be with a large amount or small amount we can still cause major damage to our health and the environment. Although we all can contribute to stop the increase of pollution Very little people realize the magnitude of the harmfulness caused by pollution because they do not think of the environment, themselves and other people and what it can do. Pollution is an important factor that affect our lives. It involves our society and all other animals. Pollution is gradually destroying our planet and is gradually killing ourselves too. Like air pollution smog and acid rain is a killer to all of us. It destroys marine life, our own health and destroys historical monuments and statues.

The air is made of mainly oxygen and nitrogen. It also contains tiny amounts of other gases such as carbon dioxide, hydrogen and helium.

Air pollution is the accumulation of hazardous substances into the atmosphere that damage human life and other living matters. Harmful gases and tiny particles (like carbon monoxide, nitrogen dioxide and sulphur dioxide) release into the air and pollute it. Air pollution means the presence in the outdoor atmosphere of one or more contaminates, such as dust, fumes, gas etc. which are injurious to human, plant or animal life or which interfere the comfortable enjoyment of life and property. Air pollution is a major problem affecting the entire world especially when we start burning forests which are the main source of oxygen ($O_2$), essential for all animate lives. Destruction of forestry is very harmful to living organs.

**Sources of Air pollution :** Air can be polluted naturally as well as due to human activities. The various sources can be outlined as given below :

1. **Sulphur Dioxide :** This colourless suffocating gas is produced by the burning of coal, gas or fuel oil both for domestic and industrial purposes. Besides, petroleum industry, Oil refining and sulphuric acid, etc. create pollution.

2. **Nitrogen Oxide :** Nitric oxides and nitrogen oxides are dangerous. Nitrogen oxides are mainly emitted by acid manufactures, automobile exhaust and explorer industry.

3. **Carbon Monoxide :** Carbon monoxide is a colourless and odourless gas produced by the inefficient combustion of carbon fuels. In combustion carbon dioxide and water vapour are formed. But when combustion is incomplete carbon does not have enough oxygen to combine with and form carbon monoxide. Although motor vehicles are the



principal sources of carbon monoxide immersions mines and blast furnaces also emit carbon monoxide.

4. **Hydro Carbons :** Hydro carbons are organic gases composed of carbon and hydrogen. Inefficient combustion in motor vehicles is the major source of hydro carbons. Hydro carbon do not pose immediate threat to health unless absorbed in extreme concentration. The major oxide through photo chemical reaction in sunlight produce 'smog' which can result in serious sight and respiration problems.

5. **Ozone :** Ozone is a highly reactive compound. It is produced mainly from oxygen containing molecules such as $SO_2$, $NO_2$ and aldehyde on absorption of ultra violet radiation. Nitrogen dioxide breaks into nitric oxide and atomic oxygen by the action of sunlight. This atomic oxygen combines with an oxygen molecule to form ozone. Certain substances like chlorofluro carbon (CFCS), nitrous oxides and nitrogen oxides are known to upset the balance between production and destruction of ozone, thus depleting the layer above earth's surface. One of the impacts of depletion of ozone layers is increase of green house effect of carbon dioxide. The other major impact of ozone depletion would be increase in ultra violet radiation.

6. **Smog :** This is a synchrony of two words - Smokes and fog. Smog can be of two types - photo chemical or coal induced. Photo chemical smog is caused by Fumes and mostly composed of solid particles.

7. **Fumes** are mostly composed of solid particles metals, metallic oxides and chlorides, chemical industries, paint, metal and rubber industries mainly emit fumes.

8. **Mists** consist of liquid particles. Steam, fog and sulphur trioxide are some examples of mists.

**Particulates :**

Particulates matter suspended in the air is one of the most noticeable air pollutants and consists of chemically stable substances such as dust, ash and smoke. Industrial use of coal in the steel and electrical power industries are the major sources of particulates into the atmosphere.

**Municipal solid waste :** When solid waste is burnt, heavy metals like lead, gases and soot are spread over residential areas. Rubbish, dust and gases found during the decomposition of waste, all contribute to our pollution.

**Medical waste :** Burning medical waste is a serious source of air pollution, particularly in cities. Most incinerators are rudimentary by today's standards. The burn wastes release acidic gases heavy metals and dioxins into the air.

**Developing Countries :** As developing countries become more industrialized, they also produce more air pollution. The leaders of most developing countries believe that they must become industrialized rapidly in order to be economically competitive. Environmental quality is usually a low priority in the race to develop. Thus while air quality is slowly improving in develop countries, it is rapidly deteriorating in developing countries. Improving the well being of developed nations does not have to result in increased pollution. The key to future development lies in providing the products and services which people want by using the most efficient technologies and consuming the lowest possible of resources.

**Effects of air pollution on human health:**

Air pollutants attack human health primarily through the respiratory system. Toxic substances enter the human body by ingestion, by absorption through the skin or eyes, by mean of a puncture of injection or by inhaling dust or gas. Air pollutants enter the body through respiratory system. In the case of some toxicants there may not be nay threshold level i.e. any exposure, no matter how small, causes some reaction. Asbestos and those that emit joining are examples of pollutants without threshold level.

Several hours of exposure to carbon monoxide to 100ppm (parts per million) results in dizziness, headache and impaired perception with concentrations of 300-400 ppm vision problems, nausea and abdominal pain may develop. Heart patients appear to be particularly susceptibility to the adverse effect of carbon monoxide and hydrogen sulphide. In very high concentrations, hydrogen sulphide impairs that part of the brain that controls chest movements, essential for nor-



mal breathing and causes almost instantaneous death.

Gases that act mainly as irritants of the respiratory track, include ozone, sulphur dioxide and nitrogen dioxide.

Silicon and Asbestos cause fibrosis in the lungs. Victims experience cough and shortness of breath and in the long run may develop pneumonia, chronic bronchitis and lung cancer.

Some particles interfere with the functioning of silicon, thereby slowing the flow of mucus and increasing the retention of toxic pollutants in lungs. It is in this way that carcinogenic agents are retained in the lungs increasing the likelihood of tumour formation. Particles may act as carriers of other pollutants and attacks the blood forming mechanism, the gastro intestinal tract in several cases it affect the central nervous system and may also impair the functioning of heart and kidneys.

**Effect on other species :**

Fluoride and lead are most hazardous to other species. The processing of ceramics and phosphate rock, releases flurides into the atmosphere. Some plant species are damaged by hydrogen florid.

Diary cattle are most sensitive to poisoning called fluorosis. Chronic fluorosis eventually levels to death. When contained by airborne lead, animals lose their appetite, develop dry coats and muscle spasms and frequently suffer from paralysis.

**Effect on plants and materials :**

Air pollution affects plants adversely. Cement dust deposited on leaf, when moistered, destroy plants.

Some of most dramatic instances of air pollution damage to vegetation have been caused by sulphur dioxide fumes from iron and copper smelters. Air pollution damage to plant is indicated by the yellowing of the leaves due to chlorophyll loss. This is called chlorosis.

**Effect on material goods :**

Acids absorbed on the particles on building accelerate corrosion in humid areas. Sulphur oxides speed the deterioration of building materials especially marble and limestone. Fabrics, leather and steel are damaged when exposed to sulphur oxides. Ozone cracks rubber in auto types and reduces life of fibbers. Chemically destructive gases and aerosol destroy invaluable works and monuments of culture and art.

**Effect on Climate :**

The atmosphere absorbs a large percentage of the infrared radiation that is climated by the earth's surface. A portion of the infrared radiation absorbed by the atmosphere is then re-radiate back towards the earth's surface. Re-radiation by the atmosphere makes heated. So the temperature of the lower atmosphere is no more hospitable for living beings. The atmospheric gases that absorb infrared radiation are carbon dioxide, water vapour and to a much lesser extent ozone. An increase in the carbon dioxide contents of the atmosphere (by air pollution activities) may result in more of the outgoing earth radiation being absorbed in the air and a warming of the earth's atmosphere. This working effect is known as "Green House Effect". In addition, growing atmospheric concentrations of halocarbons and nitrous oxides also intensify the "Green House Effect".

**Measures undertaken in the Govt. and NGO level :**

The task of pollution control in India is complex due to the involvement of of large number of heavy, large and small-scale industries. Further, the rise in the number of vehicles coupled with poverty and large population put tremendous pollution pressure on air, water and land. At the Govt. level, a comprehensive approach to control the air pollution is being undertaken. These measures are –

- The clean India programme
- Voluntary and reward schemes
- Compulsory and penalty schemes
- Incentives for new technology and changes in industrial fuel consumption
- Encourage the reduction of use of vehicle
- Increase public transit-diversity options and limit access to existing roads
- Stop building car-oriented roads and highways
- In cities, build more walking paths, bicycle routes and roads for small electric vehicles
- Reward car pools and car-sharing plans



- Provide generous development grants and tax incentives for all non polluting transportation alternatives
- A number of productive steps have been proposed in the union budget (2010-11) *i.e.* NCEF, ATP special Golden Jubilee package for Goa etc.
- Legislative and other measures taken by the government.

NGO, being one of the most effective media to reach the people these days may play a significant role in this regard. NGOs are assisting the state pollution control boards to a greater extent in providing first hand information and generating mass awareness with regard to control of pollution and can better function in this field. India has a number of NGO that works in this field i.e. Assam Science Society, Bombay Natural History Society, CEF, CSE, IAEM, Narmada Bachao Andolan etc. The NGOs have to undertake the following types of activities to control the air pollution.

- Solid waste management
- Zero waste management
- Citizens waterways monitoring programme
- Student environment prog.
- Tree planting
- Vegetable roof gardening
- Rain harvesting
- Conducting preliminary river survey in air pollution control area for identification of any pollution source
- Providing information regarding any case of throwing any poisonous, or polluting matter in any stream or well or land or in air
- Keeping vigil in the surrounding areas, river, well, land and air against pollution and reporting to state / central authority if detected any.
- Conducting interaction meets and training programmes through selected institution as well as area wise.
- Publishing information about the notified restricted areas where industries, industrial operation etc. shall not be carried out or shall be carried out with certain safeguards.

**What we need / can do now :**

- We need a pollution free pollution control board.
- Govt. State / Central should take strict measures on pollution norm violation.
- We should appreciate the aptitude and effort of NGOs who have laid magnificent role in this field
- Govt. as well as NGOs should take up effective mass awareness programme because no scheme / programme can yield good results without public awareness. This public awareness programme in this regard can include interaction meets, workshop, seminars, institutional curriculum, street drama, poster, hording, leaflet, group discussion, debate and quiz, literacy competition etc.
- We should also educate the public about the recycle value of various plastic covers to minimize the pollution level.
- To motivate research on different measures to be taken to solve environmental problems
- A continuous air pollution survey should be conducted in the concern area or it's neighbouring region
- Air pollution control technology should be incorporated through legal requirement.
- Meteorological conditions should be considered while deciding the location of the industries
- Encourage people to leave their car at home and walk or ride a bicycle to travel short distances
- Use smaller, more efficient cars as they consume less fuel and produce fewer emissions
- Keep car maintenance upto date, do not smoke, always replace car air filter, no use of chemical cleaners that can emit fumes, inspect gas appliances and heaters regularly, join a ride share with friends and co-workers etc.

The best way for us to get involved with pollution prevention is to practice efforts on our own or actively take part in such projects and programmes. ▪

**Bibliography :** 1] Environmental Studies – Rama, Dr. S.V.S. – Rastogi publications, Meerut, India, 2004 ; 2] A Text Book of Environmental Students : Environmental Science – Chatwal Gurdeep R and Sharma Harish - Himalaya Publication, 2004 ; 3] Environmental Science : Towards a sustainable future - Wright Richard T, Nebel J Bernard, Prentice Hall ; 4] Internet Sources.



# National Cadet Corps (NCC)

**Pawan Jaishy**
Senior Under Officer
ASD/CGF/06 – 34008

**Introduction :**

The National Cadet Corps (NCC) has its genesis in the University crops; which was created under the Indian defence Act, 1917 with the object to make up the shortage of the Army. In 1920, when the Indian Territorial Act was passed, the 'University Corps' was replaced by the 'University Training Corps (UTC)'. In 1942, the UTC was renamed as the 'University Officers Training Corps (UOTC)'. The need to create a youth organisation at National level to train the young boys and girls to be better citizen and future leaders of the great country in all walks of life, including defence forces, was rightly realised by our leaders. A committee under pandit H.N. Kunzru was set up in 1946 at the behest of our first prime minister, pandit Jawaharlal Nehru. The NCC came into existence on 16th July, 1948 under the NCC Act of 1948 under the Ministry of defence (MOD).

The motto of the NCC is 'Unity and Discipline" which was adopted on 23 Dec. 1957. In living upto its motto, the NCC strives to be and is one of the greatest cohesive forces of our nation, bringing together the youth hailing from different parts of our country and moulding them into united, secular and disciplined citizens of our nation.

**Aims of NCC :**

a) To develop qualities of character, courage, comradeship, discipline, leadership, secular outlook, spirit of adventure, sportsmanship and selfless services among the youth to make them useful citizens.

b) To create human resources of organised, trained and motivated youth; to provide leadership in all walks of life, including the Armed Forces and be always available for the service of the nation.

The NCC, does not act as the feeder of entry of cadet into the defence forces, however it does encourage and assist cadets to do so, should they be so inclined. Keeping this in view, service training is conducted only to the extent it helps in fulfilling the aims of developing character quality among our cadets and making them good leaders and useful citizens of our country. The NCC, therefore, train cadets to take appropriate place in the society, in all walks of life and in service of the nation.

**Organisation :**

a) The NCC organization is administered through the MOD, the defence secretary is over all in charge, who is responsible to the Govt. of India for efficient functioning of the NCC and other matters.

b) The NCC is headed by





Director General (DG), an Army officer of the rank of Lieutenant General, who is responsible for the functioning of the NCC in the country through the Dte. Gen. NCC situated at Delhi. The DG at Dte. Gen. NCC is assisted by two Additional Director General (ADGS), one Major General from the Army and other a Rear Admiral from the navy or an Air Vice Marshal from the Airforce. There are five Deputy Director General (DDG) of the rank of Brigadier and equivalent, three Brigadiers and one commodore / Air commodore and one civilian officer

c) At the state level, the country has been divided into 16 Directorate (Dtes) covering all states and union territories. These Dtes are headed by an officer of the rank of Brigadier or its equivalent from the other two services. Each of the state NCC Dte controls two to fourteen Group Headquarters (GP HQ), Headed by an officer of the rank of colonel or its equivalent. In all, there are 92 Gp HQ in the country, who exercise control over a Network of 658 Army wing units (including Technical and Girls Unit), 58 Naval wing units and 58 Air Squadrons. The NCC unit is commanded by a Major / Lt. col or equivalents. In addition, the NCC has two training establishments officer's Training school (OTS), Kampetee (Near Nagpur) and women officer's Training School (WOTS), 'Gwalior where professors and teachers from colleges and schools are specially trained to impart training to the cadets as Associate NCC officers (ANOs).

**Philosophy of Training :**

Based on the aims of the NCC, the organisation has laid down Training Syllabi for the cadets. The Syllabi for the Junior Division Cadets Cover a period of two years and for Senior Division Cadets the period of three years. Except for minor variations, the syllabi for each Division Similar for both boys and girls Cadets. The training year matches the academic and financial years. The training schedules planned for the cadets ensure that the benefit of the organisation reaches the maximum number of cadets. In fact, it seriously discourage concentration of the limited available resources to a small number of cadets for producing 'Gladiator'. The training activity in NCC can be broken down into the following heads :

a) Institutional Training.
b) Camp Training.
c) Attachment Training.
d) Community Development Activities.
e) Competitions / Awards.
f) Naval Wing Activities.
h) Air Wing Activities.
i) Adventure Activities.

On the successful completion of laid down syllabi, cadets of the Junior Division are eligible for 'A' certificate examination and cadets of Senior Division for 'B' & 'C' certificate examinations. NCC 'A' certificate examination is conducted by OC units 'B' & 'C' certificate examination by GP cdrs and DDsG respectively, after the cadets have completed requisite number of periods and camps during their training.

**Incentives :**

From time to time central and state Governments announce number of incentives for NCC cadets. These incentives are in the field of employment as well as academic and personal incentives including medals, trophies, cash award etc. ■





# “শেষ হ’ল দস্তাবেজ” ঃ অন্ত পৰিল অসমীয়া সাহিত্যৰ যুগজয়ী অধ্যায়ৰ

মানসজ্যোতি বেজবৰুৱা
স্নাতক তৃতীয় বৰ্ষ (কলা)

দস্তাবেজৰ এখিলা পাতত স্তব্ধ হৈ গ’ল সাহিত্যৰ এখন চঞ্চল নৈ। পাহাৰৰ পৰা ভৈয়ামলৈ, ভৈয়ামৰ পৰা মৰুভূমিলৈ চঞ্চল গাভৰুজনী হৈ বৈ থকা নৈখন ৰৈ গ’ল। ৰৈ গ’ল নৈ খনৰ দুয়োপাৰত গজি উঠা এটা দুটা হাজাৰটা..... কবিতা। নৈখনৰ পলসুৱা পাৰৰ সেউজীয়া সাহিত্যৰ বৃহৎ পথাৰখনত আজি শোকৰ বাৰিষা। হাজাৰজনৰ চকুৰ পানীৰে ধূসৰিত হৈ পৰিছে আজি দস্তাবেজৰ অন্তিম পৃষ্ঠা। নিথৰ মৰুভূমিত সাহিত্যৰ বাৰিষা বোৱাই সৃষ্টিৰ কঠীয়া সিঁচা নৈখন আজি ৰৈ গ’ল। আজিৰ পৰা নৈ খনৰ পাৰত বহি জীৱনৰ গান শুনিবলৈ নাপায় নৈপৰীয়া হাজাৰজন লোকে। নিথৰ নৈ, ঢৌহীন, সোঁতহীন নৈৰ পাৰত বহি হিয়া ঢাকুৰি কান্দিলেও ঢৌবোৰে নেখেলে। নৈখনৰ চিনাকী ঘাটত এতিয়া পুৱা সন্ধিয়া সূৰ্য দেৱতাই স্নান কৰিবলৈ নাহে। সোঁতহীন, ঢৌহীন নৈখনৰ পাৰত বহি হাজাৰ হাজাৰ নৈৰ প্ৰেমীকে কেৱল চকুলো টুকিছে। মাথোঁ শুকান নৈৰ বালিচৰত বহি হাজাৰজনে ৰোমন্থন কৰিছে ভৰ বাৰিষাৰ সাহিত্যৰ নৈখনি। হয়, অসমৰ ঘৰে ঘৰে শুৱনি কৰি দেশ-বিদেশতো সাহিত্যৰ নৈ বোৱাই দিয়া মামণি বাইদেউ আৰু আমাৰ মাজত নাই। তেওঁ আমাৰ মাজৰ পৰা নীৰৱে আতৰি গ’ল। অন্ত পৰিল অসমীয়া সাহিত্যৰ এক যুগজয়ী অধ্যায়। দস্তাবেজৰ পাতে পাতে সোণোৱালী জীৱনৰ গান হৈ জীয়াই থকা মামণি বাইদেৱে লাখ লাখ সাহিত্য অনুৰাগীৰ চকুত শোকৰ বন্যা বোৱাই আঁতৰি গ’ল। মামণি বাইদেউৰ কঁপালৰ সেই টিকটিকীয়া ৰঙা ফোঁটটোত যেন সিদিনা পুৱা সূৰ্য দেৱতাই আঁকি দিলে সৰগৰ খবৰ। মৰ্ত্যৰ মানুহৰ মাজত বোকা, ধূলি, বৰফৰ কণাৰ সৈতে উমলি থকা মামণি বাইদেউক অচিন কোনোবাই দূৰণিৰ সৰগলৈ লৈ গ’ল। উস! কি যে নিষ্ঠুৰ বাস্তৱ। পুৱাৰ শোকত ভিজা ৰ’দজাকৰ সৈতে ওলাই আহিল হাজাৰ হাজাৰ মামণি বাইদেউৰ অনুৰাগী। গুৱাহাটী মেডিকেল কলেজ হস্পিটেলৰ আই.চি.ইউ. কক্ষৰ পৰা ২৯ নৱেম্বৰ তাৰিখে ৭-৪৫ বজাত এজাক বিষাদগ্ৰস্ত বতাহত ভাহি উঠিছিল এটি বাক্য — “মামণি বাইদেউ আৰু নাই।” তাৰ পাছতে সমগ্ৰ ৰাজ্যতে শোকৰ ছাঁ।

১৯৪২ চনৰ ১৪ নৱেম্বৰত জন্মগ্ৰহণ কৰা মামণি বাইদেউৰ মাতৃক হেনো এবাৰ এজন জ্যোতিষীয়ে কৈছিল — ‘এইজনী ছোৱালীক বিয়া দিয়াতকৈ দুটুকুৰা কৰি কাটি নদীত উটাই দিয়া ভাল হ’ব”। সেই নিষ্ঠুৰ জ্যোতিষীৰ ভৱিষ্যবাণী পদানত কৰি মামণি বাইদেৱে প্ৰমাণ কৰিলে মানুহ হোৱাৰ গৌৰৱ। কলমক অস্ত্ৰ কৰি লৈ জীৱন-যুদ্ধৰ ঘাত-প্ৰতিঘাত নেওচি মহাজীৱনৰ পাতনি মেলা মামণি বাইদেউৰ আছে জীৱনৰ বহু কৰুণ গাথা। মানসিক সংঘাতে জুৰুলা কৰা মামণি বাইদেৱে গোটেই জীৱন কটালে বৈধব্যৰ বেদনা লৈ। সাহিত্য অকাডেমি, জ্ঞানপীঠ বঁটাকে আদি কৰি অৰ্ধ শতাধিক বঁটা সন্মানেৰে বিভূষিত হোৱা মামণি বাইদেউৰ জীৱনৰ কোঁহে কোঁহে লাগি আছে কৰুণ গাথা। কিন্তু তাৰ মাজতো ৰামায়ণী সাহিত্যই মামণি বাইদেউক জীয়াই থকাৰ সাহস দিছিল। দেশ-বিদেশতো ৰামায়ণী সাহিত্যই মামণি বাইদেউৰ জনপ্ৰিয়তা উজলাই ৰাখিব।

তেওঁ আছিল শান্তিৰ প্ৰতীক। তেওঁৰ আহ্বানত যেন অসমভূমিতে নহয়, সমগ্ৰ বিশ্বতে শান্তিৰ আৱাহন হৈছিল। দেশে-বিদেশে লাভ কৰিছিল তেওঁ শান্তিৰ বঁটা। ভাৰত পাকিস্তানৰ অশান্তজৰ্জৰ সমস্যা সমাধানৰ সূত্ৰ দিছিল মামণি বাইদেৱে।



আলফা–চৰকাৰৰ শান্তি প্ৰতিক্ৰিয়াৰ অগ্ৰদূত হৈছিল মামণি বাইদেউ। মানৱতাৰ জয় গান পাই সাহিত্য সাধনা কৰা, মানুহৰ মাজত থাকি মানুহৰ সুখ–দুখৰ সমভাগী হোৱা মামণি বাইদেউৰ আছিল এটা বহল মানৱ দৰদী মন। সাহিত্য সাধনাৰ জৰিয়তে লাভ কৰা বঁটাৰ ধনো মামণি বাইদেৱে সমাজখনৰ দৰিদ্ৰজনৰ কল্যাণাৰ্থে খৰচ কৰিছিল। স্বামীৰ কৰ্মসূত্ৰে বৰফৰ দেশ কাশ্মীৰত অলপ দিন আছিল মামণি বাইদেউ। হয়তো সেই বৰফবোৰো আজি শোকত গলিছে। এক নৈৰ সোঁতত মিলি গ'ল মামণি বাইদেউৰ আত্মা যিখন নৈৰ পাৰত এদিন স্বামী মাধৱেনৰ সৈতে যুগ্ম জীৱনৰ পাতনি মেলিছিল, সেই জগলীয়া নৈৰ দূৰৈৰ জনশূণ্য বাটত আজি স্বামী মাধবেনৰ সৈতে একেলগ হৈ চুব নোৱৰা, নেদেখা দূৰলৈ গুচি গ'ল মামণি বাইদেউ। শ্বিলং, গুৱাহাটীৰ মনোৰম প্ৰাকৃতিক সৌন্দৰ্যৰ মাজত শৈশৱৰ দিনবোৰ পাৰ কৰা মামণি বাইদেৱে পৰৱৰ্তী কালত ভাৰতৰ বিভিন্ন ঠাইত সাহিত্য সাধনাৰ বাবে ঘূৰি ফুৰিছিল। কাশ্মীৰৰ চেনাব নদীৰ সোঁতে উপন্যাস লিখিবলৈ তেওঁক সকীয়াই দিছিল। লিখিছিল ''চেনাবৰ সোঁত''। বৃন্দাবনৰ ব্ৰাহ্মণ বিধৱাৰ লগত বহি তেওঁলোকৰ সুখ–দুখৰ সমভাগী হৈছিল মামণি বাইদেউ। লিখিছিল ''নীলকণ্ঠী ব্ৰজ''। উত্তৰ প্ৰদেশৰ চাই নদীৰ পাৰতে বহি নিৰ্মাণ প্ৰকল্পত জড়িত শ্ৰমিকসকলৰ শোষণ নিষ্পেষণৰ ঘটনা লিখিছিল ''মামৰে ধৰা তৰোৱাল''ত। দক্ষিণ কামৰূপৰ সত্ৰাধিকাৰৰ পৰিয়ালৰ ব্ৰাহ্মণ বিধৱাৰ দুখত সমভাগী হৈ তেওঁ লিখিছিল — ''দতাল হাতীৰ উঁয়ে খোৱা হাওদা''। মামণি বাইদেউ আছিল এজন সমাজৰ ৰক্ষক, অভিভাৱক। ৰাজনীতি, সমাজনীতি, শিক্ষাৰ পোহৰ কৰি মামণি বাইদেউ আজি গ'লগৈ। ৰাজনৈতিক হিংসাৰ বিৰুদ্ধে হাহাকাৰ কৰি উঠা মামণি বাইদেউৰ মনটোৱে কলমক কৰি ল'লে প্ৰতিবাদৰ অস্ত্ৰ। জন্ম হ'ল ''তেজ আৰু ধূলিৰ ধূসৰিত পৃষ্ঠা''। বিশ্বৰ অৰঙে–দৰঙে আজি বিয়পি আছে মামণি বাইদেউৰ সাহিত্য সমগ্ৰ। শিল্পীৰ মৃত্যু নাই। মৃত্যু নাই সাহিত্যৰ। পৃথিৱীত মানুহ জীয়াই থাকে মানে জীয়াই থাকিব সাহিত্য। শিৰৰ মুকুট যেন টিক্‌টিকীয়া ৰঙা ফোঁটেও মনত পেলাব সদায় মামণি বাইদেউৰ কথা। মামণি বাইদেৱে কৈছিল —

*ৰং ৰঙা জুপুৰিবোৰ*  
*স্নেহসনা এযাৰি মাতৰ বাবে*  
*উজাগৰে ৰাখোঁ মাজৰাতিৰ দুচকু*  
*হাঁহিৰ বাবে সাচি থওঁ*  
*এবুকু কান্দোন.........*

হয় হাঁহি–কান্দোনত জীয়াই থাকিব মামণি বাইদেউ। বৰ লুইতৰ পাৰে পাৰে, জগলীয়াৰ সোঁতে সোঁতে, চেনাবৰ ঘাটত বিচাৰিলে পোৱা যাব মামণি বাইদেউৰ অস্তিত্ব। চকুত জিলিকা সপোনবোৰ চাই থাকিব মামণি বাইদেৱে। তেওঁ পূৰ্বতে দান কৰি থৈ যোৱা মতেই বাইদেউৰ চকুযোৰ শংকৰদেৱ নেত্ৰালয়ত সংৰক্ষিত হৈ ৰ'ব। ৰঙা ৰং বৰ প্ৰিয় আছিল মামণি বাইদেউৰ। কিন্তু নিয়তিৰ নিষ্ঠুৰ কোবত ৰঙা সাজ সলায়, যেন শুভ্ৰ সাজ পিন্ধি ফুলৰ মাজত নিথৰ হৈ শুই আছিল একালৰ চঞ্চলা সাহিত্যৰ নৈখনি। ''আধালেখা দস্তাবেজৰ'' আজি অন্তিম পৃষ্ঠাত ইতিৰেখা টানিলে মামণি বাইদেৱে। ''দস্তাবেজৰ নতুন পৃষ্ঠাত'' আঙুলি বোলাই জীৱনৰ ছবি আঁকিবলৈ আজি নাই মামণি বাইদেউ। বিশ্বৰ প্ৰান্তে প্ৰান্তে ৰামায়ণী সাহিত্যৰ জোৱাৰ অনা মামণি বাইদেউৰ কপালত পুৱা–সন্ধ্যা পুৱাৰ ৰঙা বেলিয়ে চুমা খাবলৈ হাবাথুৰি খালেও কেতিয়াও মামণি বাইদেউ আমাৰ মাজলৈ নাহে। অদৃষ্টজনে মামণি বাইদেউক দুখন পাখিত তুলি লৈ গ'ল সীমান্তৰ সিপাৰলৈ। ৰৈ গ'ল মৰতত মামণি বাইদেউৰ নশ্বৰ দেহ। বৰ লুইতৰ পৰা গংগালৈকে, হয়তো চেনাবলৈকে শোকৰ সোঁত বাগৰিছে। শেষত মামণি বাইদেউৰ আত্মাই চিৰশান্তি লাভ কৰক। এই কামনা কৰিলোঁ। ■

**মামণি ৰয়ছম গোস্বামীৰ জীৱনপঞ্জী —**

জন্ম ঃ ১৪/১১/১৯৪২

মৃত্যু ঃ ২৯/১১/ ২০১১

পিতৃ ঃ উমাকান্ত গোস্বামী

মাতৃ ঃ অম্বিকা দেৱী গোস্বামী

- প্ৰাথমিক শিক্ষা ঃ লতাশিল প্ৰাথমিক বিদ্যালয়। শ্বিলঙৰ লাইনাউন্ট স্কুলত ভৰ্ত্তি (১৯৫০)।
- হাইস্কুলীয়া শিক্ষা ঃ গুৱাহাটী টি চি ছোৱালী হাইস্কুলত নামভৰ্ত্তি (১৯৫৪)।
- ১৯৫৫ ঃ পিতৃৰ বিয়োগ। কীৰ্তিনাথ হাজৰিকাৰ সম্পাদনাত প্ৰকাশিত 'নতুন অসমীয়া'ত প্ৰথম গল্প প্ৰকাশ।



- ১৯৫৭ ঃ মেট্ৰিক পৰীক্ষাত অৱতীৰ্ণ। সন্দিকৈ ছোৱালী মহাবিদ্যালয়ত ভৰ্ত্তি।
- ১৯৬০ ঃ কটন কলেজত স্নাতক শ্ৰেণীত নামভৰ্ত্তি।
- ১৯৬১ ঃ গুৱাহাটী বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ শ্ৰেণীত নামভৰ্ত্তি।
- ১৯৬২ ঃ প্ৰথম গল্প সংকলন ‘চিনাকি মৰম’ প্ৰকাশ।
- ১৯৬৩ ঃ গুৱাহাটীৰ ছেইন্ট মেৰিজ গাৰ্লছ হাইস্কুলত শিক্ষকতা।
- ১৯৬৪ ঃ স্নাতকোত্তৰ ডিগ্ৰী লাভ (গুঃ বিঃ)
- ১৯৬৭ ঃ গোৱালপাৰা সৈনিক স্কুলত শিক্ষয়িত্ৰী।
- ১৯৬৮ ঃ অধ্যাপক উপেন্দ্ৰ চন্দ্ৰ লেখাৰুৰ অধীনত তুলসী দাসৰ ৰামায়ণ আৰু মাধৱ কন্দলীৰ ৰামায়ণৰ তুলনামূলক গৱেষণা।
- ১৯৭১ ঃ দিল্লী বিশ্ববিদ্যালয়ত আধুনিক ভাৰতীয় ভাষা বিভাগৰ প্ৰবক্তা হিচাপে যোগদান।
- ১৯৭৩ ঃ ‘তুলসী দাসৰ ৰামচৰিত মানস আৰু মাধৱ কন্দলীৰ অসমীয়া ৰামায়ণ ঃ এটি তুলনামূলক অধ্যয়ন’ শীৰ্ষক বিষয়ত গৱেষণা কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা পি.এইচ.ডি. ডিগ্ৰী লাভ।
- ১৯৭৬ ঃ দক্ষিণ–পূব এছিয়াৰ দেশসমূহৰ লগতে জাপান ভ্ৰমণ।
- ১৯৮২ ঃ ‘মামৰে ধৰা তৰোৱাল’ৰ বাবে সাহিত্য অকাডেমি বঁটা লাভ।
- ১৯৮৫ ঃ ফ্ৰান্স, ইটালি, ছুইজাৰলেণ্ড, জাৰ্মানি আৰু ইংলেণ্ডকে ধৰি ইউৰোপৰ বিভিন্ন দেশ ভ্ৰমণ।
- ১৯৮৮ ঃ ‘দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা’ৰ বাবে অসম সাহিত্য সভাৰ বাসন্তী দেৱী সাহিত্য বঁটা লাভ।
- ১৯৯৩ ঃ মাতৃৰ বিয়োগ।
- ২০০০ ঃ জ্ঞানপীঠ বঁটা লাভ। ডি. লিট ডিগ্ৰী লাভ (ৰবীন্দ্ৰ ভাৰতী বিশ্ববিদ্যালয়)

২০০৩ চনৰ ১৭–২৪ অক্টোবৰলৈ ঃ পাকিস্তান ভ্ৰমণ। ভাৰত–পাকিস্তান লেখক সন্মিলনত অংশগ্ৰহণ। ষষ্ঠ ছাৰ্ক লেখক সন্মিলনত অংশগ্ৰহণ।

- ২০০৫ ঃ ড° ভূপেন হাজৰিকাৰ সৈতে লক্ষিমপুৰ সাহিত্য সভাত অংশগ্ৰহণ কৰি জাতীয় বীৰৰ প্ৰতিমূৰ্তি উন্মোচন।

  ড° গোস্বামীৰ নিৰন্তৰ প্ৰচেষ্টাৰ ফলত ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা এন কে নাৰায়ণনে আলোচনাৰ বাবে গঠন কৰা পি ছি জিক ২৬ অক্টোবৰত প্ৰধানমন্ত্ৰীৰ বাসভৱনলৈ আমন্ত্ৰণ।
- ২০০৬ ঃ ‘মাই পীচ টক্ উইথ্ আলফা’ শীৰ্ষক প্ৰৱন্ধ পাঠ (দিল্লী বিশ্ববিদ্যালয়ৰ ডেভেলপিং কান্ট্ৰিজ ৰিছাৰ্চ চেন্টাৰত)।
- ২০০৯ ঃ অশোক মোডী স্মৃতি সমাজ সেৱা বঁটা লাভ।
- ২০১১ ঃ ১১ ফেব্ৰুৱাৰীত দিল্লীৰ মেদান্ত দ্যা মেডিচিটি হস্পিটেলত শাৰীৰিক অসুস্থতাৰ বাবে ভৰ্ত্তি কৰোৱা হয়।
- ২০১১ ঃ ১৯ নৱেম্বৰ পুৱা ৭–৪৫ বজাত গুৱাহাটী মেডিকেল কলেজ হস্পিটেলত দেহাৱসান।

**মামণি ৰয়ছমে লাভ কৰা সন্মান আৰু বঁটাসমূহ —**

- সাহিত্য একাডেমি বঁটা (১৯৮২ চন)।
- অসম সাহিত্য সভাৰ বিষ্ণু ৰাভা বঁটা (১৯৮৮ চন)।
- ভাৰত নিৰ্মাণ ৰাষ্ট্ৰীয় বঁটা (১৯৮৯ চন)।
- উত্তৰ প্ৰদেশৰ হিন্দী সংস্থানে আগবঢ়োৱা সৌহাৰ্দ্য বঁটা (১৯৮৯ চন)।
- সাহিত্যৰ কথা ৰাষ্ট্ৰীয় বঁটা (১৯৯৩ চন)।
- ইউৰোপৰ সৰ্বোচ্চ সাহিত্য বঁটা ‘প্ৰিন্স ক্ল’জ’ আগবঢ়াই নেদাৰলেণ্ড চৰকাৰে (এই বঁটাত আছে ৭৫ লাখ ভাৰতীয় টকা) ২০০৮



চনত (উল্লেখযোগ্য যে ড° গোস্বামীয়ে এই টকা আৰু অলপ ভূ-সম্পত্তি দক্ষিণ কামৰূপত এখন হস্পিটেল নিৰ্মাণৰ বাবে দান কৰে)।

- সাহিত্য সভাৰ কৃষ্ণকান্ত সন্দিকৈ সাহিত্য বঁটা (২০০৯ চন)।
- কমল কুমাৰী ৰাষ্ট্ৰীয় বঁটা (১৯৯৭ চন)।
- ভাৰতীয় জ্ঞানপীঠ বঁটা (২০০০ চন)।
- ফ্ল'ৰিডা আন্তঃৰাষ্ট্ৰীয় বিশ্ববিদ্যালয়ৰ পৰা আন্তঃৰাষ্ট্ৰীয় তুলসী বঁটা লাভ (ৰামায়ণ ফ্ৰম গংগা টু ব্ৰহ্মপুত্ৰৰ বাবে ; ১৯৯৯ চন)।
- 'দ্য মথ ইটাৰ্ন হাওদা অব্ দ্য টাছকাৰ' উপন্যাসৰ কাহিনীৰ ভিত্তিত নিৰ্মাণ কৰা 'অদাহ্য' কথাছবিৰ বাবে আন্তঃৰাষ্ট্ৰীয় বঁটা লাভ (১৯৯৬ চন)।
- পদ্মশ্ৰী বঁটা লাভ, অৱশ্যে ড° গোস্বামীয়ে গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে (২০০২ চন)।
- মহীয়সী জয়মতী বঁটা লাভ (২০০০ চন) (আহোম ক'ৰ্ট অব্ আছামে প্ৰদান কৰে)।
- শান্তিদূত বঁটা (২০০৬ চন)।
- দিল্লী বিশ্ববিদ্যালয়ৰ প্ৰফেছাৰ এমেৰিটাছ লাভ, ২০০৯ চন।
- কলকাতাৰ এছিয়াটিক ছ'চাইটিৰ পৰা ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ সোণৰ ফলক লাভ (২০০৮ চন)।
- 'অসম ৰত্ন বঁটা লাভ (২০১১ চন)।
- বটবৃক্ষ সন্মান (কলিকতা) (২০১১ চন)।




# সাম্প্ৰদায়িক সম্প্ৰীতি

মঃ চেহিদুল হাচান বৰা
প্ৰাক্তন ছাত্ৰ, ডিগবৈ কলেজ

ধৰ্মীয় সহনশীলতা আৰু সম্প্ৰীতিয়েই হ'ল গোড়ামি তথা ৰক্ষণশীলতাৰ বাবে তীব্ৰ ভাবুকিস্বৰূপ। যিমানেই আমাৰ মাজত ভাতৃত্ববোধ তথা সৌহাদ্য বাঢ়ি যাব সিমানেই এই ধৰা বসবাসৰ বাবে স্বৰ্গপুৰী হেন হৈ উঠিব। এইক্ষেত্ৰত তেনে কিছু উদাহৰণ আগবঢ়োৱা হ'ল।

উত্তৰ প্ৰদেশৰ এজন আস্থাবান মুছলিমে হিন্দু ধৰ্মৰ পবিত্ৰ গ্ৰন্থ গীতা উৰ্দু লৈ অনুবাদ কৰাৰ সপোন বহু বছৰৰ আগতেই দেখিছিল আৰু আজি এই সপোন তেওঁৰ বাবে এটা ''মিছন'' হৈ পৰিছে। সাম্প্ৰদায়িক সম্প্ৰীতিৰ উজ্জ্বল নিদৰ্শন এই ব্যক্তিজনে গীতাৰ ''গীতাত্মক'' সংস্কৰণত সম্প্ৰতি ব্যস্ত হৈ আছে। এতিয়ালৈকে তেওঁ বহু শ্লোকৰ অনুবাদ কৰাত সফলকাম হৈছে। কিন্তু তেওঁ এই মিছনত ডাঙৰ সফলতা লাভ কৰিব বিচাৰিছে। লক্ষ্ণৌৰ পৰা প্ৰায় ২০০ কিঃ মিঃ দূৰৰ আম্বেদকাৰ নগৰ ডিলোৰ বাসিন্দা এ, জালালপুৰীয়ে বিগত প্ৰায় পাঁচ বছৰ গীতাৰ অনুবাদ কাৰ্য্যত ব্যস্ত হৈ আছে। গীতাক তেওঁ এইদৰে অনুবাদ কৰিবলৈ আৰম্ভ কৰিছে যাতে সৰ্বসাধাৰণ লোকে এই গ্ৰন্থখনি গীতৰ দৰে গাই পঢ়িব পাৰে। এওঁৰ মতে গীতাৰ অনুবাদ কাৰ্য্য কঠিন কাম নহয়, কিন্তু গোটেই গ্ৰন্থখনি গীতৰ আকাৰে অনুবাদ কৰা কঠিন কাম। জালালপুৰীৰ বাবে এই কাৰ্য্য নিসন্দেহে অতি প্ৰত্যাহ্বানমূলক কিন্তু তেওঁ ভাবে এই ''মিছন''ত তেওঁ সফলতা লাভ কৰিব। তেওঁ সেই দিনটোলৈ অধীৰ আগ্ৰহেৰে অপেক্ষা কৰিছে যিদিনা গোটেই গীতা খনৰেই অনুবাদ সম্পূৰ্ণ হ'ব।

বাৰাণসীৰ এগৰাকী নৈষ্ঠিক ইছলাম ধৰ্মাৱলম্বী মহিলাই মক্কালৈ হজ কৰিবলৈ যাবলৈ কিছু টকা জমা কৰি থৈছিল। এনেতে তেওঁ এদিন খবৰ পালে যে ওচৰ চুবুৰীয়া নৈষ্ঠিক হিন্দু ব্ৰাহ্মণ পৰিয়াল এটাৰ এগৰাকী বিবাহ-উপযুক্ত কন্যাৰ বাবে পাত্ৰৰ নিৰ্বাচন হ'ল। এতিয়া ধুমধামেৰে বিয়া দিবলৈ বাকী। কইনা ঘৰৰ পৰিবেশ গোমা। কাপোৰে-কানিয়ে, সোণে-অলংকাৰে, ৰাইজক খুওৱাৰ আয়োজন কৰা আদি কাৰ্য্যত যিমান টকাৰ দৰকাৰ তেনে পৰিমাণৰ টকা সেই পৰিয়ালটোত নাই। খবৰ পাই ইছলামধৰ্মী মহিলা গৰাকীয়ে হজৰ বাবে থোৱা টকা বিয়াত খৰচ কৰিবলৈ দি দিলে। সুন্দৰভাৱে ধুমধামেৰে বিয়াখন হৈ গ'ল। তেনেতে মুছলিম মহিলা গৰাকীয়ে সপোনত





দেখিলে মক্কালৈ গৈ হজ কৰি যি পূণ্য তেওঁ আৰ্জ্জন কৰিলেহেতেন তেনে পূণ্য তেওঁ টকা দান দি বিয়াখন অনুষ্ঠিত কৰাতেই লাভ কৰিলে।

সম্প্ৰীতিৰ এটা বিৰল উদাহৰণ এয়া। বিহাৰৰ বেগুচৰাই জিলাৰ কদৰবাদ এখন গাঁও। গাঁওখনৰ সৰহ সংখ্যক লোকেই ইছলাম ধৰ্মাৱলম্বী। হিন্দু ধৰ্মাৱলম্বী পৰিয়াল কেইটামানহে আছে। কিন্তু গাঁওখনত সোমালে কোন হিন্দু, কোন মুছলমান — সেই পাৰ্থক্য বিচাৰি উলিয়াবলৈ খুবেই কঠিন। শান্তি-সম্প্ৰীতিৰে সকলোৱে মিলি বাস কৰি আছে কদৰবাদ গাঁওখনত। প্ৰায় তিনি দশক আগৰ কথা। গাঁওখনত বাস কৰা হিন্দু সকলেই মছজিদ এটা সাজি দিছিল কদৰবাদত। সম্প্ৰীতিৰ চিনস্বৰূপে এইবাৰ গাঁওখনত মুছলমানসকল হিন্দু লোক সকলক সহায় কৰিবলৈ আগবাঢ়ি আহিল। গাঁওখনত এটা শিৱ মন্দিৰ প্ৰতিষ্ঠা কৰিব লাগে। কিন্তু হিন্দু লোকসকলে সেই কাম ইমান দিনে সমাপণ কৰিব পৰা নাছিল বিভিন্ন কাৰণত। তদুপৰি মন্দিৰটো স্থাপন কৰিবলৈ মাটিৰ অভাৱ। মাটি কোনে দিব মন্দিৰটো স্থাপন কৰিবলৈ ? অৱশেষত ভূমিদানৰ বাবে আগবাঢ়ি আহিল গাওঁখনৰে বাসিন্দা মহম্মদ ফকৰুল ইছলাম। তেওঁ মন্দিৰ স্থাপন কৰিবৰ বাবে দান দিলে ২,৭০০ বৰ্গফুট মাটি। অকল মাটি দান কৰাই নহয়, গাওঁখনৰ মহম্মদ হজৰত আৰু মহম্মদ ৱাচিয়ে গাঁৱৰ আন মুছলমান লোক সকলকো লৈ আহি আৰম্ভ কৰিলে শিৱ মন্দিৰটোৰ নিৰ্মাণৰ কাম। বহুতৰ পৰা টকা-পইচা দান হিচাপে গোটালে। অৱশ্যে সকলো ক্ষেত্ৰতে কিছুমান ঠেক মনৰ মানুহে বাধা দি আহে। ঠিক তেনেকৈ কদৰবাদ গাঁওখনৰো কিছুমান ঠেক মনৰ লোকে মুছলমানসকলৰ এই কাৰ্য্যত বাধা দিয়াৰ চেষ্টা কৰিলে। কিন্তু কাৰো কথালৈ কাণ দিয়া নাই কদৰবাদৰ মুছলমানসকলে। তেওঁলোকে সেইসকল লোকৰ আগত ক'লে — কোনোবা মুছলমান, কোনোবা হিন্দু, সেয়া সকলোৰে নিজা কথা। কিন্তু প্ৰকৃত কথাটো হ'ল আমি সকলো মানৱ প্ৰজাতিৰ। আমি বাস কৰোঁ একেখন দেশত আৰু সেইখন দেশ হ'ল অনৈক্যৰ মাজত ঐক্যত বিশ্বাসী ভাৰতবৰ্ষ। তদুপৰি আজিৰ পৰা ৩০ বছৰ আগতেই হিন্দু সকলেই আগবাঢ়ি আহি আমাক এটা মছজিদ নিৰ্মাণ কৰি দিছিল। গতিকে আমাৰ মাজত নাই কোনো ভেদভাব। আমি সকলোৰে মিলিজুলি থকাটোহে উচিত। মুঠতে বিহাৰৰ কদৰবাদ হ'ল সম্প্ৰীতিৰ এখন গাঁও। বৰ্তমান পৰিস্থিতিত এইখন গাঁও আমাৰ সকলোৰে আদৰ্শ হোৱা উচিত।

যদিহে এজন চি.পি.এম. কৰ্মীয়ে বন্দুকৰ গুলী বুকু পাতি নল'লেহেতেন তেন্তে ২০১০ চনৰ ১৭ জানুৱাৰীত পৰলোক- প্ৰাপ্তি ঘটা মাৰ্ক্সবাদী নেতা জ্যোতি বসুৰ চাৰিটা দশকৰ পূৰ্বেই মৃত্যু হ'লহেঁতেন। ঘটনাটো ঘটিছিল ১৯৭০ চনৰ ৩১ মাৰ্চত পাটনাত। দিল্লী এক্সপ্ৰেছ ৰেলখনৰ পৰা তেওঁ পাটনা ৰেল ষ্টেচনত নামিছিল। বসুক আদৰণি জনাবলৈ ৰে'লৰ দবাটোৰ চাৰিওফালে বহু চি.পি. এম. কৰ্মীৰ সমাবেশ ঘটাৰ সময়তে গুলীচালনাৰ ঘটনাটো ঘটিছিল। সেই সময়ত জ্যোতি বসুক (তেতিয়াৰ উপ মুখ্যমন্ত্ৰী) কৰমৰ্দন কৰিবলৈ আগবাঢ়ি গৈছিল আলী ইমাম নামৰ এজন চি.পি.এম. কৰ্মী। গুলী লাগিল আলী ইমামৰ বুকুত আৰু লগে লগে ঘটনাস্থলীতে তেওঁৰ মৃত্যু হয়। ঘটনাটোত হতভম্ব হৈ পৰিছিল বসু, খহি পৰিছিল তেওঁৰ হাতত লৈ থকা ফুলৰ থোপা।

বংগৰ মতিঝিল প্ৰাসাদত শাহমত জংগ, সউলত জংগ আৰু মনচুৰ গঞ্জ প্ৰাসাদত নবাব চিৰাজ দৌলাই ''হোলী উৎসৱ''টোক জাতীয় উৎসৱৰূপে পালন কৰিছিল। ৰজা মোবাৰক দৌলাই ভেল ভহাই দিয়া পৰ্ব আৰু হোলী উৎসৱৰ আয়োজন কৰি সমন্বয়ৰ নিদৰ্শন দাঙি ধৰিছিল। বংগৰ ''পোছাক-উৎসব''ত পাঠান আৰু ৰাজপুতানী সকলে অংশগ্ৰহণ কৰি হোলী খেলাৰ নিদৰ্শন আছে। কেইবাগৰাকী মোগল শাসক আৰু অযোধ্যাৰ ৰজা সকলেও প্ৰতিবছৰে হোলী উৎসবত অংশগ্ৰহণ কৰিছিল। ''তুংখুঙীয়া বুৰঞ্জী''ত উল্লেখ থকামতে আহোম ৰজাৰ ৰাজ প্ৰাসাদত অনুষ্ঠিত হোৱা হোলী উৎসৱত ইছলাম ধৰ্মী লোক সকলেও পায়জামা আৰু লুঙী পিন্ধি অংশগ্ৰহণ কৰিছিল। শংকৰদেৱ-মাধৱদেৱ বিৰচিত বৰগীতৰ একাধিক ইছলামধৰ্মী শিল্পী অসমত আছে। সেইদৰে জিকিৰ জাৰী দুৰদৰ্শন আৰু অনাতাঁৰ কেন্দ্ৰত পৰিবেশন কৰি খ্যাতি লাভ কৰা বহুতো হিন্দু ধৰ্মৰ লোকো আমাৰ এইখন অসমতে আছে। যোৱা পাঁচশ বছৰে নামঘৰ, থান আৰু সত্ৰসমূহত শংকৰদেৱৰ অনুগামী সকলৰ সতে নাম-কীৰ্তন আৰু সাংস্কৃতিক পৰম্পৰাত অনেক ইছলাম ধৰ্মীয় লোকে অংশগ্ৰহণ কৰাৰ নিদৰ্শন আছে।

সংঘাত নহয়, সম্প্ৰীতিয়েহে মানুহৰ মাজত বান্ধোন কটকটীয়া কৰে। এই চানেকি দেখুৱাইছে উত্তৰ কৰ্ণাটকৰ পুৰ্টাগেৰিৰ বাসিন্দাসকলে। তাত থকা শতিকা পুৰণি মছজিদ এটা অলপতে ভাগি পৰিছিল। শেহতীয়াকৈ মছজিদটো পুনৰ নিৰ্মাণৰ কাম আৰম্ভ হৈছে। সন্তোষজনকভাবে মছজিদ নিৰ্মাণৰ কামত সহায় কৰিবলৈ আগবাঢ়ি আহিছে স্থানীয় হিন্দু ধৰ্মাৱলম্বী লোক সকল। পুনৰ নিৰ্মাণৰ কামত যাতে ধনৰ অভাৱ নঘটে তাৰ বাবে স্থানীয় লোক সকলে বিভিন্ন দান-বৰঙণি তুলিছে। লক্ষণীয় ভাবে হিন্দু ধৰ্মাবলম্বী লোকসকলেও দান-দক্ষিণা দি মছজিদ নিৰ্মাণৰ কামত সহযোগ কৰিছে।



শতিকা পুৰণি এই মছজিদটো আছে উত্তৰ কৰ্ণাটকৰ সদাগৰ সমীপৰ পুৰ্টাগেৰি গাঁৱত। এই গাঁওখন বাংগালোৰৰ পৰা চাৰিশ কিলোমিটাৰ আঁতৰত অৱস্থিত। পুৰ্টাগেৰিত মুঠতে ১৫০ টা পৰিয়াল আছে, ইয়াৰে মাত্ৰ দহটা পৰিয়ালহে ইছলাম ধৰ্মাৱলম্বী। দিন-মজুৰি আৰু কৃষি কৰ্মেৰে পেট প্ৰবৰ্তোৱা এই পৰিয়াল কেইটাই উপাসনাৰ বাবে প্ৰয়োজন হোৱা নিজৰ মছজিদটো মেৰামতি কৰিবলৈ ধনৰ যোগাৰ কৰিব নোৱাৰে। পিছে প্ৰতিবেশীৰ এনে অভাৱ দেখি গাঁওখনৰ উপৰি চুবুৰীয়া গজেন্দ্ৰ ঘাৰা চহৰৰ হিন্দু ধৰ্মাৱলম্বী লোকসকলে মছজিদটো নিৰ্মাণৰ বাবে দান হিচাপে এক লাখ টকা তুলি দিছিল। সম্প্ৰতি পূৰ্ণোদ্যমে মছজিদৰ পুনৰ নিৰ্মাণৰ কাম চলিছে। বিশেষকৈ সাম্প্ৰদায়িক চেতনা তীব্ৰতৰ হোৱাৰ সময়ত পুৰ্টাগেৰিৰ গঞাই দেশবাসীক এটা অনুকৰণীয় নিদৰ্শন দেখুৱাইছে।

সাম্প্ৰদায়িক সংঘাত ঠাই বিশেষ বঢ়া বুলি শুনা গলেও আজমীৰ শ্বৰীফত ইয়াৰ বিপৰীত ছবি দেখা গৈছে। খোৱাজা (Khowaja) গৰীব নাৱাজ চিস্তী দৰ গাহৰ খাদিম সকলে ওচৰতে থকা পুৰণি শিৱ মন্দিৰ এটাৰ পুনৰ গঠনৰ কামত হাতে-কামে লাগিছে। এই শিৱ মন্দিৰটো বেছ পুৰণি। দৰগাহৰ ওচৰতেই মন্দিৰটো আছে। বহুদিন মেৰামতি আৰু পুনৰ নিৰ্মাণৰ কাম নকৰাত মন্দিৰটোৰ অৱস্থা জীৰ্ণ-শীৰ্ণ হৈ পৰিছিল। মন্দিৰটোৰ পুনৰ নিৰ্মাণৰ বাবে শেহতীয়াকৈ স্থানীয় লোকসকলে উদ্যোগ গ্ৰহণ কৰাৰ পাছত আজমীৰ শ্বৰীফৰ খাদিম কেইজনে স্বেচ্ছাই এই কামত সহায় কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে। মন্দিৰটোৰ জৰাজীৰ্ণ অৱস্থা আৰু অযত্নৰ বাবে ওচৰতে থকা হিন্দু লোকসকলে ইয়াৰ প্ৰতি মন-কাণ দিছিল। খাদিম কেইজনে আগ্ৰহ প্ৰকাশ কৰাৰ পাছত হিন্দু ধৰ্মাৱলম্বী লোকেও শিৱ মন্দিৰটোৰ কামত হাত উজান দিছে।

ধৰ্মীয় অসহিষ্ণুতাৰ বিপৰীত দিশত সহিষ্ণুতাৰ কাহিনীৰ প্ৰথমটো নিদৰ্শন পোৱা গৈছে পুনেৰ ঘোৱাপাৰি গাঁৱত। ইয়াত কাশী বিশ্বেশ্বৰ মন্দিৰৰ ওচৰতে স্থাপিত হৈছে আলে-চুন্নত জামা মছজিদটো। মছজিদটো দুশ বছৰ পুৰণি। ১৯৯২ চনত যেতিয়া বাবৰি মছজিদ ধ্বংস হৈছিল তেতিয়াই পুনেৰ এই মছজিদটোৰ চোতালতে মাত্ৰ এখন দেৱাল ৰাখি মন্দিৰটো স্থাপন কৰা হয়। বাবৰি মছজিদ ধ্বংসৰ পিচত উদ্ভৱ হোৱা অশান্তিৰ বিপৰীতে সম্প্ৰীতিৰ বিৰল নিদৰ্শন দেখুৱাবলৈ মছজিদৰ চৌহদত নিৰ্মাণ হয় মন্দিৰটো। ইয়াত আজান দিলে বন্ধ হয় আৰতি দিয়া। ইয়াত ঈদ, দেৱালী, শিৱৰাত্ৰি, মহৰম সকলো একাকাৰ।

অযোধ্যা ৰায়ৰ পিচত সম্ভৱতঃ ভাৰতৰ মাত্ৰ এটা অংশতে ইয়াক লৈ কাৰো সাৰ-সিকতি নাই। সেয়া হ'ল বিহাৰৰ বেগু চৰাই জিলাৰ বাচাৱাৰা গাঁও। যোৱা কেইটামান দিন ধৰি গাঁওখনৰ মুছলমানসকলে এটা মন্দিৰ নিৰ্মাণৰ কামত সহযোগ কৰিছে হিন্দুক। সহাৰস্থানৰ বিৰল চানেকী দাঙি ধৰি এটা শিৱমন্দিৰ নিৰ্মাণত হিন্দুধৰ্মীক সহযোগ কৰিছে মুছলিমসকলে।

হিমাচল প্ৰদেশৰ কেইবাটাও মন্দিৰত এতিয়া হিন্দুৰ পুৰোহিতৰ মন্ত্ৰোচ্চাৰণ সমানে সমানে ঢাক-ঢোলৰ সলনি বাজে মুছলমান সকলৰ পৰম্পৰাগত ঢোল, চেহ্নাই আৰু পেঁপা। ৰাজ্যখনৰ উনা জিলাৰ চিন্ট পুৰ্নি মন্দিৰ, বিলাসপুৰ জিলাৰ নৈইনা দেৱী মন্দিৰ, কাৰৱা জিলাৰ জৱালাজী আৰু চামুণ্ডা মন্দিৰ আদিত এতিয়া সামাজিক বান্ধোনৰ লগতে সাম্প্ৰদায়িক সম্প্ৰীতি নিকপকপীয়া কৰাৰ জোৰ তৎপৰতা পৰিলক্ষিত হৈছে। ইয়াত হিন্দু মন্দিৰ বোৰত প্ৰতিজন ভক্তক বিভিন্ন ধৰণে আপ্যায়ণ কৰে মুছলমানে। আনকি মন্দিৰবোৰৰ কাৰুকাৰ্য্যত সহায় কৰিছে মুছলিম শিল্পীয়ে। অযোধ্যাৰ এটুকুৰা মাটিক লৈ চলা বিবাদৰ বিপৰীতে এয়া গা-মন পুলকিত কৰা সংবাদৰ বাহিৰে একো নহয়।

আজিৰ পৰা প্ৰায় দুবছৰৰ আগৰ এখন ইংৰাজী দৈনিক কাকতত পঢ়িবলৈ পালো, কাশ্মীৰ উপত্যকাৰ বৰফেৰে আবৃত লীডাৰ (Lidder) নৈৰ পাৰত ৯০০ (নশ) বছৰ পুৰণি শিৱমন্দিৰ এটিত দুজন মুছলিম পুৰোহিতে মন্দিৰৰ দুৱাৰ কাশ্মিৰী পণ্ডিত সকলে সেই ঠাই ত্যাগ কৰাৰ পাছতো খোলা ৰাখিছে। মহম্মদ আব্দুল্লা আৰু গোলাম হাচান নামৰ ব্যক্তি দুজনে মন্দিৰৰ সম্পূৰ্ণ তত্বাৱধান কৰাৰ উপৰিও প্ৰতিদিনে 'আৰতি'ৰো আয়োজন কৰে। কোনো দৰ্শনাৰ্থী ভক্তই যাতে প্ৰসাদ নোলোৱাকৈ যাব নোৱাৰে তাতো তেওঁলোকে চকু দিয়ে।

আগৰ লোক পিয়ল সমূহলৈ চকু ফুৰালে দেখা যায় অসমৰ সিংহভাগ মুছলমান আদিতে নিম্ন জাতিৰ হিন্দু আৰু জনজাতীয় লোক আছিল। তাতকৈ পূৰ্বতেওঁ ১৮৮১ চনৰ পিয়লতো এই কথাষাৰ প্ৰমাণিত হৈ গৈছে। উক্ত সময়ত ধৰ্মান্তৰিত হোৱা অনেক মুছলিম আদিতে মুছলমান কোচ বুলি জনাজাত আছিল। দৈহিক অৱয়বৰ ক্ষেত্ৰত বিশেষকৈ মুখৰ আকৃতি, আৰু দেহৰ উচ্চতাৰ পিনৰ পৰা বামুণ, কলিতা, সাৰী, আহোমসকলৰ সৈতে ইছলামধৰ্মী অসমীয়াৰ ব্যাপক মিল আছে। শিৱসাগৰ জিলাৰ চামগুৰি অঞ্চলৰ এঘৰ মুছলিমক আজিও 'গগৈৰ ঘৰ' বুলি জনা যায়।

আনহে নালাগে জিকিৰৰ মাজত হিন্দু ধৰ্মৰ প্ৰতি থকা মৰ্য্যদাৰ স্বাক্ষৰো আছে।''......গংগাজল ল'বলৈ কোমল / বৈ আছে হৃদয়ৰ মাজে।'' শংকৰ-মাধৱৰ স্থানো জিকিৰত আছে— ''শংকৰ দেউৰ



জীয়ৰী / মাধৱ দেউৰ বোৱাৰী / ৰহেপুৰ নগৰত ঘৰ / ৰহেপুৰ নগৰৰ / ৰসক নমাই আনি / দিলে সকলোকে বাটি / শংকৰদেৱত এৰাতি / মাধৱদেউত পীৰিতি / গোপালদেৱৰ সৰোবৰ খনি / শ্ৰীকৃষ্ণৰ এখনি / কণ্ঠতে পিন্ধিলে / ব্ৰহ্মাণ্ডত লগালে ধ্বনি।''

বিশেষকৈ ত্ৰয়োদশ শতিকাৰ কানাই বৰশী বোৱা শিলালিপি, সপ্তদশ শতিকাৰ বিবি মোকামৰ তামৰ ফলি, ঘনশ্যাম খনিকৰৰ স্থাপত্য, ঊনবিংশ শতিকাৰ ৰূপৰ বন কৰা পাত্ৰ, দোলা, হাতীদাঁতৰ বন কৰা আচবাব, মৰিয়া শিল্পীসকলৰ সৃষ্টিৰাজি আদি অসমীয়া মুছলমানসকলৰ বৃহত্তৰ অসমীয়া সংস্কৃতিৰ ক্ষেত্ৰখনলৈ অনুপম অৱদান।

'শংকৰ বিভ্ৰাট' নামৰ গ্ৰন্থখন নিষিদ্ধ তথা লেখকক উপযুক্ত শাস্তি দিয়াৰ দাবীত অসমৰ বিভিন্ন প্ৰান্তৰ দৰে বৰপেটা সত্ৰৰ পৰাও এটি সমদল উলিওৱা হৈছিল। আচৰিত কথা যে এই সমদলটো যেতিয়া খোজকাঢ়ি বজাৰ পাইছিল, তেতিয়া বহুকেইজন মুছলমান লোকেও ইয়াত ভাগ লৈছিল। মহাপুৰুষজনাৰ প্ৰতি থকা অকৃত্ৰিম শ্ৰদ্ধাই তেখেতসকলকো সেই সমদলৰ মাজত সোমাই যাবলৈ উদ্গনি দিছিল। ঠিক এইখন সমাজৰ সপোন দেখিয়েই এদিন মহাপুৰুষজনাই ধৰ্ম, সাহিত্য, সংস্কৃতিৰে অসমীয়া সমাজ জীৱনৰ ভেটি নিৰ্মাণ কৰিছিল।

গোলাঘাটৰ ইছলাম পট্টি মছজিদৰ ''মোৱাজ্জিন'' আব্দুল ৰছিদক তেওঁ কাম কৰা 'ললিতা ফাৰ্নিচাৰ'' স্বত্বাধিকাৰী শ্ৰীবুদ্ধ হাজৰিকাই ২০০৮ চনত হজ যাত্ৰাৰ সমূদায় খৰচ বহন কৰে। তেওঁৰ অনুৰোধত আব্দুল ৰছিদে মক্কা আৰু মদিনাৰ পবিত্ৰ ভূমিত হাজৰিকাৰ প্ৰয়াত পিতৃ-মাতৃ বিদ্যানাথ হাজৰিকা আৰু লিলি হাজৰিকাৰ বাবে প্ৰাৰ্থনা কৰে।

কাশ্মীৰত সম্প্ৰতি হিন্দু আৰু ইছলাম ধৰ্মাৱলম্বী লোকসকল একেলগ হৈ এটা পুৰণি শিৱ মন্দিৰ পুনৰ নিৰ্মাণত নামি পৰিছে। ৰাজ্যখনত ডাল লেকৰ কাষত ৰাইনাবাৰীত থকা এটা পুৰণি শিৱ মন্দিৰ পুনৰ নিৰ্মাণৰ বাবে যেতিয়া ইতিপূৰ্বে কাশ্মীৰ এৰি যোৱা পণ্ডিত সম্প্ৰদায়ৰ পৰিব্ৰাজক সকলে আহি নিৰ্দিষ্ট স্থানত উপস্থিত হয়হি তেতিয়া সেই ঠাইৰ স্থানীয় ইছলাম ধৰ্মাৱলম্বীৰ লোকসকলে পণ্ডিতসকলৰ সেই কাৰ্য্যত পাৰ্যমানে সেৱা আগবঢ়াইছে। 'বিগত ত্ৰিশ বছৰ ধৰি ভগ্নপ্ৰায় অৱস্থাত থকা এই শিৱ মন্দিৰটো পুনৰ নিৰ্মাণৰ ক্ষেত্ৰত স্থানীয় বাসিন্দাসকলে সহায় নকৰা হ'লে এই কাম হয়তো সম্ভৱ নহ'লহেতেন। 'আমি যেতিয়া মন্দিৰটো নিৰ্মাণৰ সিদ্ধান্ত লৈছিলো তেতিয়া প্ৰথমেই আগবাঢ়ি আহিছিল মুছলমান লোকসকল —'' এনেদৰে সংবাদ মাধ্যমৰ আগত নিজৰ মত ব্যক্ত কৰে শিৱ মন্দিৰ কল্যাণ কমিটিৰ সদস্য মহাৰাজা কৃষ্ণ পণ্ডিতে। স্থানীয় মুছলমান বাসিন্দাসকলে নিৰ্মাণৰ কামত ব্যস্ত থকা পণ্ডিত লোক সকলক চাহ,পানী যোগান ধৰাৰ উপৰি নিৰ্মাণৰ সা-সঁজুলিও যোগান ধৰি আহিছে।

আমাৰ অসমৰে হাউলী অঞ্চলত প্ৰতিবছৰে কাতি মাহত অনুষ্ঠিত ৰাস উৎসৱৰ সমূহ কাৰ্য্যসূচীতে স্থানীয় তথা দাঁতি কাষৰীয়া অঞ্চলৰ ইছলাম ধৰ্মাৱলম্বী লোকসকলেও ধৰ্মীয় সংকীৰ্ণতা পৰিহাৰ কৰি অংশগ্ৰহণ কৰে, ৰাস উৎসৱৰ আনন্দত মতলীয়া হৈ পৰে কেৱল ধৰ্মীয় আচাৰ-অনুষ্ঠানবোৰক বাদ দি।

এক হাতত কোৰাণ আৰু আন হাতত ভাগৱত গীতা লৈ উত্তৰপ্ৰদেশৰ বাৰাণসী জিলাৰ চিত্তানপুৰত থকা ইছলামিক চেমিনাৰী বা বাহৰুল উলুম মাদ্ৰাছাৰ ৫৮ বছৰীয়া শিক্ষক মুখ্তাৰ আহমদে তেওঁৰ ছাত্ৰ সকলক ধৰ্মীয় শিক্ষা প্ৰদান কৰিছে। আহমদৰ ওপৰি আন একাংশ শিক্ষকেও তেওঁক অনুকৰণ কৰি মুছলমান ছাত্ৰ সকলক একে সময়তে কোৰাণ আৰু গীতাৰ শিক্ষা দিছে। মুখ্তাৰ আহমদৰ মতে — ''দুয়োটা ধৰ্মৰ ঐশ্বৰিক গ্ৰন্থৰ জ্ঞান দিয়াৰ উদ্দেশ্য হ'ল তেওঁলোকে হিন্দু আৰু ইছলাম ধৰ্মৰ মাজত সাদৃশ্য বিচাৰি পাব। তেওঁলোকে কোৰাণ আৰু ভাগৱত গীতাৰ জ্ঞান আহৰণৰ জৰিয়তে একে দৃষ্টিভঙ্গীৰে ইছলাম আৰু হিন্দু ধৰ্মক সন্মান কৰিবলৈ শিকিব। মাদ্ৰাছাখনত কোৰাণৰ লগতে ঋগ বেদ, সাম বেদ, যজু ৰ্বেদ আৰু অথৰ্ব বেদৰ ওপৰিও হিন্দী, ইংৰাজী আৰু কম্পিউটাৰৰো পাঠদান কৰা হয়।

এটা কথা বোধকৰো বহুতেই নাজানে যে ভাৰতৰ বিষয়ে ইছলাম ধৰ্মৰ প্ৰৱৰ্ত্তক হজৰত মহম্মদে (ছঃ) কৈছিল — 'হিন্দৰ ফালৰ পৰা প্ৰায়ে ঠাণ্ডা মলয়া বতাহ বৈ আহে'। ইয়াতেই সমগ্ৰ ভাৰতবৰ্ষৰ এখনি সুন্দৰ চিত্ৰ প্ৰতিফলিত হয়।

১৮৯৪ চনৰ ২৮ জানুৱাৰীত দৰং জিলাৰ পথৰু ঘাটত সংঘটিত কৃষক বিদ্ৰোহত সাতকুৰি জন কৃষক ঘটনাস্থলীতে নিহত হোৱাৰ লগতে বহু সংখ্যক লোক কাললৈ ঘূণীয়া হ'ল। পথৰু ঘাটৰ কৃষক বিদ্ৰোহৰ আন এক বৈশিষ্ট্য হ'ল হিন্দু-মুছলমান আটায়ে মিলি এক বিৰাট ৰাজহুৱা মেলৰ সিদ্ধান্ত অনুসৰি খাজনা বৃদ্ধিৰ প্ৰতিবাদ কৰা ই এক গণতান্ত্ৰিক বিদ্ৰোহ।

শ্ৰীনগৰৰ মুছলিম সকলে প্ৰতিবেশী অকলশৰীয়া হিন্দুলোক এজনৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰি সাম্প্ৰদায়িক সম্প্ৰীতিৰ এক অনন্য নিদৰ্শন দাঙি ধৰে। জম্মু আৰু কাশ্মীৰত ১৯৯০ চনত ইছলামিক উগ্ৰবাদ মূৰ দাঙি উঠাৰ পিছত বেছিভাগ হিন্দু পৰিয়ালে কাশ্মীৰ ত্যাগ কৰে। শ্ৰীনগৰত



কেৱল ভোলানাথ কাচৰোৰ পৰিয়ালটো থাকি যায়। ভোলানাথ কাচৰোৰে মৃত্যুৰ সময়ত এৰি থৈ যায় পত্নী আৰু একমাত্ৰ কন্যাক। কাচৰোৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰিবলৈ নিজৰ বুলিবলৈ কোনো নথকাত প্ৰতিবেশী মুছলিমসকল সহায় কৰিবলৈ ওলাই আহে আৰু কাচৰোৰ অন্ত্যেষ্টিক্ৰিয়াৰ সকলো ব্যৱস্থা কৰে। স্থানীয় মুছলিম ৱেলফেয়াৰ ছচাইটিৰ সম্পাদক গোলাম মহম্মদ ভাটে কয় — 'অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰিবলৈ কাচৰোৰ কোনো নাই। প্ৰতিবেশী এগৰাকী বয়োজ্যেষ্ঠ লোকৰ মৃত্যুত আমি সমানে দুখিত। আমি প্ৰতিবেশীসকল লগ লাগি তেওঁ শেষকৃত্য সম্পন্ন কৰিলো। প্ৰতিবেশী এজন ব্যক্তিৰ মৃত্যুত ধৰ্মীয় বিবেচনাৰ কথা নাই।''

বাতৰি কাকতত প্ৰকাশ পোৱা বাতৰি মতে অসম আন্দোলনৰ সময়ত বৰদোৱা থান ধ্বংস কৰাৰ বাবে অগ্ৰসৰ হোৱা বিদেশী বাংলাদেশীৰ পৰা খিলঞ্জীয়া মুছলমান লোক সকলেহে বৰদোৱা থান ৰক্ষা কৰিছিল।

ছাতাগুৰি দুৰ্গাপূজা পৰিচালনা সমিতি আৰু মণিপুৰ আংগাৰকাটা দুৰ্গাপূজা সমিতিৰ নেতৃত্ব বহন কৰিবলৈ সভাপতি হিচাপে যথাক্ৰমে মইজুদ্দিন শ্বেখ আৰু খাইৰুল আলমক বিলাসী পাৰা আৰু বগৰীবাৰীৰ ৰাইজে নিৰ্বাচন কৰে। আনহাতে গুৱাহাটীৰ মালিগাওঁ গো শালাৰ সমীপৱৰ্ত্তী নামবাৰী সাৰ্ব্বজনীন দুৰ্গাপূজা সমিতিয়ে ইছলাম ধৰ্মী খনিকৰৰ হতুৱাই দুৰ্গাপূজাৰ মূৰ্ত্তিসমূহ নিৰ্মাণ কৰোৱায়। উত্তৰ বংগৰ শিলিগুৰিত বাংলাদেশৰ ইছলামধৰ্মী খনিকৰৰ হতুৱাই দুৰ্গাপূজাৰ মৃন্ময় মূৰ্ত্তি নিৰ্মাণ কৰোৱা হয়।

অমৰনাথত থকা বৰফৰ শিৱ লিংগৰ সম্ভেদ দিছিল এজন ইছলামধৰ্মী লোকেহে। অমৰনাথত ঘোঁৰা আৰু পাল্কী কঢ়িওৱা বহুতো ইছলামধৰ্মী লোক আছে।

আহক আমি সকলোৱে মিলি সাম্প্ৰদায়িক সম্প্ৰীতিৰ মহান আদৰ্শক সাৱোগত কৰি এখনি সৰ্বাংগসুন্দৰ ভাৰতবৰ্ষ গঢ়ি তুলো। ▪



আজিকালি আমাৰ সৰহভাগ স্কুল-কলেজেই নিজা নিজাকৈ একো একোখন আলোচনী প্ৰকাশ কৰা দেখা যায়। এইবোৰ সাধাৰণতে বছৰত এবাৰকৈ ওলায়। কোনো কোনো স্কুল বা কলেজে ছ'মাহ বা তিনি মাহতো উলিয়ায়। স্কুলৰ আলোচনীবোৰৰ বিশেষ বিশেষ অৰ্থব্যঞ্জক আৰু আকৰ্ষণীয় নামো থাকে যেনে— মুৰুলী, নিজৰা, জননী, প্ৰভাত ইত্যাদি। কলেজৰ আলোচনীসমূহক কলেজৰ নামেৰেই নাইবা অনুষ্ঠানটোৰ নামৰ প্ৰতিটো শব্দৰ একোটা আখৰ লৈ নামকৰণ কৰা হয় যেনে ঃ— ডিগবৈ মহাবিদ্যালয় আলোচনী, এমকো (অসম মেডিকেল কলেজ আলোচনী), কটনিয়ান (কটন কলেজ আলোচনী) ইত্যাদি। যিখন স্কুল বা কলেজৰপৰা আলোচনী উলিওৱা হয়, সাধাৰণতে সেইখন স্কুল বা কলেজৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলেই প্ৰবন্ধ পাতি লিখে। কেতিয়াবা স্থানীয় আন লোকৰো দুই-এটা প্ৰবন্ধ অন্তৰ্ভূক্ত কৰা হয়। আলোচনীৰ প্ৰচাৰো অনুষ্ঠানটোৰ ছাত্ৰ-ছাত্ৰীৰ মাজতে সীমাৱদ্ধ। অৱশ্য কিছু সংখ্যক আলোচনী বিশিষ্ট লোক কিছুমানক উপহাৰ দিয়া হয়।

আলোচনীবোৰ শিক্ষকসকলৰ সহযোগত ছাত্ৰ-ছাত্ৰীসকলে নিজেই প্ৰকাশ কৰে। ছাত্ৰ-ছাত্ৰীৰ বৰঙণিৰে ইয়াৰ বাবে একোটা পুঁজি তৈয়াৰ কৰা হয় আৰু তাৰেই আলোচনীখন ছপা কৰি উলিওৱা হয়। অভিজ্ঞ আৰু অনুৰাগী শিক্ষক এজনক তত্ত্বাৱধায়ক হিচাপে লৈ শিক্ষক আৰু ছাত্ৰৰ কেইজনমান সভ্যৰে এখন সম্পাদনা সমিতি গঠন কৰা হয়। কলেজ আলোচনীবোৰৰ বাবে ছাত্ৰৰ মাজৰ পৰাই সম্পাদক নিৰ্বাচন কৰা হয়। স্কুলৰ আলোচনীবোৰ কেতিয়াবা শিক্ষকেও সম্পাদনা কৰা দেখা যায়। ছাত্ৰ-ছাত্ৰীসকলে গল্প, কবিতা, জীৱনী, নাটিকা আৰু ৰচনা লিখি সম্পাদকক দিয়ে আৰু সম্পাদকে সেইবোৰ চাই-চিন্তি যোগ্য বুলি বিবেচনা কৰাখিনি সম্পাদনা সমিতিক অনুমোদনৰ কাৰণে দিয়ে। সম্পাদনা সমিতিয়ে আৱশ্যকমতে প্ৰৱন্ধবোৰত হাত ফুৰাই প্ৰকাশৰ কাৰণে অনুমোদন জনায় আৰু তেতিয়া সম্পাদকে তাক ক্ৰম লগাই ছপাখানাত ছপাবলৈ দিয়ে। প্ৰৱন্ধ পাতিৰ উপৰিও স্কুল-কলেজৰ কাম-কাজৰ বিৱৰণ, পৰীক্ষাৰ ফলাফল, বিশেষ বিশেষ কামত কৃতিত্ব দৰ্শোৱা ছাত্ৰসকলৰ নাম, ছবি আদি প্ৰকাশ কৰা হয়।

স্কুল-কলেজৰ আলোচনীবোৰৰ ভালেখিনি উপকাৰিতা আছে। ই ছাত্ৰ-ছাত্ৰীৰ চিন্তা-চৰ্চাৰ পৰিসৰ বৃদ্ধিত সহায় কৰে। আলোচনীত প্ৰৱন্ধ বা নাম প্ৰকাশ পোৱা গৌৰৱৰ কথা। ছাত্ৰ-ছাত্ৰীৰ মাজত ইয়াৰদ্বাৰা প্ৰতিযোগিতাৰ মনোভাৱ সৃষ্টি হয়। যিসকল ছাত্ৰ-ছাত্ৰীৰ সাহিত্যৰ প্ৰতি অনুৰাগ আছে, তেওঁলোকে সাহিত্য-চৰ্চা কৰিবলৈ উৎসাহ পায়। আন আন বিষয়ত অনুৰাগী ছাত্ৰ-ছাত্ৰীয়েও সেই বিষয়ত আগস্থান লাভ কৰিবলৈ যত্ন কৰে, যিহেতু তেনেকুৱা ছাত্ৰ-ছাত্ৰীৰ নামো আলোচনীত প্ৰকাশ পায়। ছাত্ৰ-ছাত্ৰীৰ প্ৰৱন্ধবোৰতো বহুত ভাল ভাল কথা থাকে। নিজে লিখিব নোৱাৰিলেও এইবোৰ পঢ়ি উপকাৰ পোৱা যায়। বিশেষতঃ এই আলোচনীবোৰত শিক্ষকসকলে ছাত্ৰসকলক উদ্দেশ্যি যিবোৰ প্ৰৱন্ধ লিখে, তাৰ পৰা ছাত্ৰসকলে বহু কথা শিকিব পাৰে। কটনিয়ান, প্ৰভাত (যোৰহাট নৰ্মাল স্কুলৰ মুখপত্ৰ) আদি আলোচনীয়ে এসময়ত আমাৰ শিক্ষা আৰু সাহিত্যৰ জগতলৈ বিশেষ অৰিহণা আগবঢ়াইছিল। আমাৰ ভালেমান লব্ধ প্ৰতিষ্ঠ সাহিত্যিকে এনেকুৱা আলোচনীৰ জৰিয়তেই পোনতে সাহিত্য-চৰ্চাৰ কাৰণে অনুপ্ৰেৰণা পাইছিল। এইবোৰলৈ চাই স্কুল-কলেজৰ আলোচনীৰ উপকাৰিতা কোনোপধ্যেই উলাই কৰিব নোৱাৰি।

আমাৰ স্কুল-কলেজ সমূহৰ পৰা একোখন আলোচনী উলিওৱাটো নিতান্তই আৱশ্যক। যিবোৰ স্কুল-কলেজৰপৰা এতিয়াও কোনো আলোচনী আদি ওলোৱা নাই, তাৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলে যেন আলোচনী একোখন উলিয়াবলৈ যত্ন কৰে। ■



# শিক্ষানুষ্ঠানৰ আলোচনী আৰু ইয়াৰ উপকাৰিতা

মৃণাল শৰ্মা
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা শাখা)



# নাম এক, ৰূপ অনেক

হাছান আখতাৰ ফাৰিদ
স্নাতক প্ৰথম ষান্মাসিক (কলা)

ভাৰতীয় সংস্কৃতিত ঈশ্বৰ অৱতাৰ, ইছলামী সংস্কৃতিত নবী (ঈশ্বৰৰ দূত) বা মহাপুৰুষ, খ্ৰীষ্টান সংস্কৃতিত Prophet (ঈশ্বৰৰ দূত) বা মহাপুৰুষৰ স্থান একেই।

শ্ৰীশ্ৰী ঠাকুৰে আপোন মনেৰে কৈ গৈছে — ''অৱতাৰে অৱতাৰে যি তুলনা কৰি প্ৰভেদ দেখুৱাই, এজনক সৰুকৈ দেখুৱাই আৰু এজনক ডাঙৰ কৰে, এইটো বৰ বেয়া।''

মোৰ এই কথাখিনিৰ জৰিয়তে মানুহৰ মনটোক ভ্ৰাতৃত্বভাবেৰে গঢ়াই তুলিবলৈ ক্ষুদ্ৰ প্ৰয়াস কৰা হ'ল।

পৱিত্ৰ কোৰ আনত মহাপুৰুষ আদমৰ নাম ''হজৰত আদম (আঃ) ৰূপে, মোজেছৰ নাম ''হজৰত মুছা (আঃ) ৰূপে, আব্ৰাহমৰ নাম ''হজৰত ইব্ৰাহীম (আঃ) ৰূপে, নোৱাৰ নাম ''হজৰত নুহ (আঃ) ৰূপে, ছলমনৰ নাম ''হজৰত ছোলেমান (আঃ) ৰূপে, লুটৰ নাম ''হজৰত লুত (আঃ) ৰূপে আৰু যীশুখ্ৰীষ্টৰ নাম ''হজৰত ইছা'' (আঃ) ৰূপে উল্লেখ কৰা হৈছে। একেশ্বৰবাদ ধৰ্ম প্ৰচাৰ কৰিবলৈ পৱিত্ৰ কোৰআনৰ মতে ১ লাখ ২৪ হাজাৰ নবী (ঈশ্বৰৰ দূত)ক আল্লাই যুগে যুগে পৃথিৱীৰ বুকুলৈ প্ৰেৰণ কৰাইছিল। তাৰ ভিতৰত হজৰত আদম (আঃ) সৰ্বপ্ৰথম নবী (ঈশ্বৰৰ দূত)। এই একেশ্বৰবাদ ধৰ্মটি পৃথিৱীৰ আদি মানৱ হজৰত আদম (আঃ) ৰ পৰা আৰম্ভ কৰি যীশুখ্ৰীষ্ট অৰ্থাৎ হজৰত ইছা (আঃ) লৈ প্ৰত্যেকজন নবী (ঈশ্বৰৰ দূত) এ বেলেগ বেলেগ নামত জগতত প্ৰচাৰ কৰি গৈছিল। এই একেশ্বৰবাদ ধৰ্মটিয়ে শেষ নবী (ঈশ্বৰৰ দূত) হজৰত মোহাম্মদ (ছঃ) ৰ দিনত ''ইছলাম ধৰ্ম'' নামেৰে পূৰ্ণতা লাভ কৰে। [গ্ৰন্থ — নবী কাহিনী (১৯৮১)। লেখক — মোহাম্মদ ছাদেৰ আলী।]

আব্দুল কাদিৰ বিদ্যাৰ্থী নামৰ লেখক এজনাই তেওঁৰ গ্ৰন্থত উল্লেখ কৰিছে যে, পৱিত্ৰ কোৰ আনত শ্ৰীকৃষ্ণৰ নাম ''হজৰত আছোৱাদ'' (আঃ) ৰূপে আৰু গৌতম বুদ্ধৰ নাম ''হজৰত জুলকিফলৰ'' (আঃ) ৰূপে উল্লেখ কৰা হৈছে। হজৰত আছোৱাদ (আঃ) আৰু হজৰত জুলকিফলৰ (আঃ) নাম ১ লাখ ২৪ হাজাৰ নবী (ঈশ্বৰৰ দূত)ৰ ভিতৰত পৱিত্ৰ কোৰআনত পোৱা যায়। আব্দুল কাদিৰ বিদ্যাৰ্থীয়ে এনেকুৱা আৰু বহুতো প্ৰমাণ তেওঁৰ গ্ৰন্থত উল্লেখ কৰিছে। (অনুবাদ) [Book – Mohammad in the world scripture by Abdul kadir vidyathi]

মোহাম্মদ ছাদেৰ আলী নামৰ লেখক এজনাই তেওঁৰ গ্ৰন্থত উল্লেখ কৰিছে যে,



পবিত্ৰ বাইবেলত হজৰত মোহাম্মদ (ছঃ)ৰ নাম ''আহমদ'' ৰূপে উল্লেখ কৰা হৈছে। আহমদ আৰু মোহাম্মদ (ছঃ) দুয়োটা শব্দৰ অৰ্থ হৈছে 'প্ৰশংসিত'। পৱিত্ৰ বাইবেলত হজৰত ইছাই (আঃ) অৰ্থাৎ যীশুখ্ৰীষ্টই হজৰত মোহাম্মদ (ছঃ)ৰ আগমনৰ ভবিষ্যবাণী কৰি থৈ গৈছে। [গ্ৰন্থ – নবী কাহিনী (১৯৮১)। লেখক – মোহাম্মদ ছাদেৰ আলী।]

এম.এন.এণ্ডাৰছন নামৰ লেখক এজনাই তেওঁৰ গ্ৰন্থত উল্লেখ কৰিছে যে, পৱিত্ৰ বেদত হজৰত মোহাম্মদ (ছঃ)ৰ নাম ''মামাহ''ৰূপে আৰু যীশুখীষ্টৰ নাম ''মহাঋষি হিৰণ্যগৰ্ব''ৰূপে উল্লেখ কৰা হৈছে।

এম.এন.এণ্ডাৰছনে তেওঁৰ গ্ৰন্থত পুনৰ উল্লেখ কৰিছে যে, হিন্দু ধৰ্মৰ শাস্ত্ৰত থকা ''ব্ৰহ্মাৰ'' নাম ইছলাম ধৰ্মৰ শাস্ত্ৰত ''ইব্ৰাহীম'' আৰু খ্ৰীষ্টান ধৰ্মৰ শাস্ত্ৰত ''আব্ৰাহম'' ৰূপে উল্লেখ কৰা হৈছে। তেওঁ আকৌ উল্লেখ কৰিছে যে, হিন্দু ধৰ্মৰ শাস্ত্ৰত থকা ''মহাঋষি মনু''ৰ নাম ইছলাম ধৰ্মৰ শাস্ত্ৰত ''নুহ'' আৰু খ্ৰীষ্টান ধৰ্ম শাস্ত্ৰত ''নোৱা'' ৰূপে উল্লেখ কৰা হৈছে। এম. এন. এণ্ডাৰছনে এনেকুৱা আৰু বহুতো প্ৰমাণ তেওঁৰ গ্ৰন্থত উল্লেখ কৰিছে। (অনুবাদ) [Book – Prophet Mohammad in Hindu scripture. by M.N. Anderson]

যীশুখ্ৰীষ্টৰ অন্যতম শিষ্য বাৰ্ণবাছেও হজৰত মোহাম্মদ (ছঃ)ৰ আগমনৰ ভবিষ্যবাণী আৰু গুণ-গান তেওঁৰ গ্ৰন্থ 'গছপেল অ'ব বাৰ্ণবাছ'ত লিখি থৈ গৈছে।

'গছপেল অ'ব বাৰ্ণবাছ'ত আছে – Then said John: ''Well hast thou spoken, o master, but we lack to know how man sinned through pride.''

Jesus answered: When God has expelled satan, and angel Gabriel had purified that mass of earth whereon satan spot, God created everything that liveth, both of the animals that fly and them that walk and swim, and he adorned the world with all that it hath. One day satan approached unto the gates of paradise, and, seeing the horses eating grass, he announced to them that if that mass of earth should recieve a soul there would be for them grievaus labour; and that therefore it would be to their advantage to trample that piece of earth in such wise that it should be no more good for anything. The horses aroused themselves and impetuously set themselves to run over that piece of earth which lay among lilies and roses.

Whereupon God gave spirit to that unclean portion of earth upon which lay the spittle of satan, which Gabriel had taken up from the mass; and raised up the dog, whose barking filled the horses with fear, and they fled. Then God gave his soul to man, while all the holy angels sang: 'Blessed be holy name, o God our Lord.'

'Adam, having sprung up upon his feet, saw in the air a writing that shown like the sun, Which said: "There is only one God, and Mohammad is the messenger of God." Whereupon Adam opened his mouth and said: "I thank thee, O Lord my God, that thou has designed to create me ; but tell me. I pray thee, what is meant by the message of these words: "Mohammad is messenger of God. Have there been other man before me ?"

Then said God: "Be thou welcome, o my servant Adam. I tell thee that thou are the first man whom I have created and he whom than hast seen (mentioned) is thy son, who shall come into the world many years hence, and shall be my messenger, for whom I have created all thing; who shall give light to the world when he shall come; whose soul was set in a celestial splendour sixty thousand years before I made anything." [Book – 'Gospel of Barnabas' (39: Adam gets life)]

বেদ প্ৰকাশ উপাধ্যায়ে [প্ৰয়োগ হিন্দু বিশ্ববিদ্যালয় (এলাহাবাদ), এম.এ, সংস্কৃত, বেদ] তেওঁৰ গ্ৰন্থত উল্লেখ কৰিছে যে, কল্কি পুৰাণত যি কল্কি অৱতাৰৰ ভবিষ্যবাণী কৰা হৈছে সেই কল্কিয়েই হৈছে 'মোহাম্মদ'(ছঃ)'। কল্কিৰ জন্ম তাৰিখ, জন্মদাতা মাতৃ আৰু পিতৃৰ নাম, জন্ম সময় আদি বহুবোৰ কথা হজৰত মোহাম্মদ (ছঃ)ৰ লগত সাদৃশ্য পোৱা যায়।

কল্কি পুৰাণত আছে —

*''দ্বাদশ্যাংস শুক্লপক্ষস্য মাধৱে মাসি মাধবঃ।*
*জাতে দদৃতুঃপুত্ৰ পিতৰৌ হৃষ্টমান গো।।''*ৰপ্ত
(কল্কি পুৰাণ ২ য় অধ্যায় ১৫ শ শ্লোক।)

অৰ্থাৎ — ''ব'হাগ মাহৰ শুক্লপক্ষীয় দ্বাদশীত কল্কিৰ অৱতাৰ জন্ম গ্ৰহণ কৰিলে তাকে দেখি পিতৃকুল হৃষ্টচিত্ত হ'ল।'' ব'হাগ



মাহৰ শুক্লপক্ষৰ দ্বাদশ তাৰিখে কল্কি অৱতাৰৰ জন্মৰ কথা কোৱা হৈছে।

আনহাতে হজৰত মোহাম্মদ (ছঃ)ৰ জন্ম ৰবিলৈ আৱল (ব'হাগ) মাহৰ শুক্লপক্ষৰ দ্বাদশ তাৰিখে।

কল্কি পুৰাণত কল্কিৰ পিতৃৰ নাম 'বিষ্ণুযশা' আৰু মাতৃৰ নাম 'সুমতি' বুলি উল্লেখ আছে। 'বিষ্ণুযশা'ৰ অৰ্থ হ'ল বিষ্ণুৰ বা ঈশ্বৰৰ দাস আৰু 'সুমতি'ৰ অৰ্থ হ'ল সু-স্বভাৱ বা বিশ্বাসৎজনা।

আনহাতে হজৰত মোহাম্মদ (ছঃ)ৰ পিতৃৰ নাম 'আব্দুল্লাহ' অৰ্থাৎ আল্লাৰ বা ঈশ্বৰৰ দাস। আৰু মাতৃৰ নাম 'আমিনা' অৰ্থাৎ সু-স্বভাৱ বা বিশ্বাসৎজনা।

ভাগৱত পুৰাণত উল্লেখ আছে যে, কল্কি অৱতাৰ প্ৰধান পুৰোহিতৰ ঘৰত জন্ম গ্ৰহণ কৰিব।

আনহাতে হজৰত মোহাম্মদ (ছঃ)ৰ জন্ম মক্কাত অৱস্থিত কা'বাৰ সৰ্বপ্ৰধান পুৰোহিতৰ ঘৰত ৫৭১ খ্ৰীষ্টাব্দত। সেই সময়ত মক্কা নগৰীত অৱস্থিত কা'বা ঘৰত ৩৬০ টা দেৱ-দেৱীৰ মূৰ্ত্তি উপাসনা কৰা হৈছিল। হজৰত মোহাম্মদ (ছঃ) জন্মগ্ৰহণ কৰা বংশটো আছিল কোৰেছ বংশ। কোৰেছ বংশৰ মানুহবিলাকে মূৰ্ত্তি পূজা কৰিছিল। হজৰত মোহাম্মদ (ছঃ)ৰ পিতৃ আব্দুল্লাহ সেই কোৰেছ বংশৰ দলপতি আছিল।

তেনেকৈ আকৌ ভাগৱত পুৰাণত আছে —

*অশুমাশু গাৰুহ্য দেৱদত্তং জগৎপতিঃ।*
*অগ্নিসাধু দমন মটষ্টশ্যৰ্য গুনান্বিতঃ ।।*

(ভাগৱত পুৰাণ দ্বাদশ স্কন্ধ, দ্বিতীয় অধ্যায়, ১৯ শ শ্লোক।)

অৰ্থাৎ — কল্কি অৱতাৰে দেৱতাৰ পৰা অশ্ব লাভ কৰিব, আৰু তৰোৱালৰ দ্বাৰা পাপীক দমন কৰিব।

আনহাতে হজৰত মোহাম্মদে (ছঃ) আল্লাৰ পৰা 'বোৰাক' নামৰ এটা ঐশী অশ্ব লাভ কৰে। আৰু পিছলৈ 'বদৰ' যুদ্ধত পাপীবোৰক দমন কৰে।

আকৌ কল্কি পুৰাণত আছে —
যাত যুয়ং ভুবং দেবাঃ শ্বাংশাবতৰণে ৰতাঃ।
(কল্কিপুৰাণ ২য় অধ্যায় ৭ম শ্লোক।)

অৰ্থাৎ -- দেৱতাসকলে কল্কি অৱতাৰক যুদ্ধত সহায় কৰিব।

আনহাতে হজৰত মোহাম্মদ (ছঃ)ক ফিৰিস্তা (দেৱদূত) সকলে 'বদৰ' যুদ্ধত সহায় কৰে।

বেদ প্ৰকাশ উপাধ্যায়ে এনেকুৱা আৰু বহুতো প্ৰমাণ তেওঁৰ গ্ৰন্থত উল্লেখ কৰিছে। (অনুবাদ) [গ্ৰন্থ — মোহাম্মদ (ছঃ) এবং কল্কি অবতাৰ। লেখক — বেদ প্ৰকাশ উপাধ্যায়। (প্ৰয়াগ হিন্দু বিশ্ববিদ্যালয়, (এলাহাবাদ), এম.এ., সাংস্কৃত, বেদ)]

মঃ আমিনুদ্দিন আহমদ নামৰ লেখক এজনাই তেওঁৰ গ্ৰন্থত উল্লেখ কৰিছে যে, হিন্দু ধৰ্মাৱলম্বীসকলৰ ধৰ্মগ্ৰন্থ ভৱিষ্য পুৰাণত হজৰত মোহাম্মদ (ছঃ)ৰ আগমনৰ ভৱিষ্যবাণী আছে।

ভৱিষ্য পুৰাণত এইদৰে উল্লেখ আছে — ''এজন বিদেশী আহিব। তেওঁৰ নাম হ'ব মহামদ। মহামদ শিষ্যসকলৰ লগত আহিব। তেওঁ মানুহক সৎ ৰাস্তাত লৈ যাব। ভোজ ৰজাই তেওঁক সন্মান কৰিব।''

(ভৱিষ্যপুৰাণ, পৰ্ব ৩, খণ্ড ৩, অধ্যায় ৩, শ্লোক ৫-৮)

ভৱিষ্য পুৰাণত আকৌ এইদৰে উল্লেখ আছে — ''মহামদে বিশুদ্ধ ধৰ্ম প্ৰচাৰ কৰিব। তেওঁক বিশ্বাস কৰা মানুহখিনিয়ে দাড়ি ৰাখিব। তেওঁক বিশ্বাস কৰা মানুহখিনি মাংস প্ৰিয় হ'ব। মাংস খাব কিন্তু গাহৰিৰ মাংস নাখাব। তেওঁ মানুহক উপাসনা কৰিবৰ কাৰণে মাতিব। মহামদ'ৰ ধৰ্ম গ্ৰহণ কৰা মানুহসকল মুছলমান নামেৰে জনাজাত হ'ব।''

(ভৱিষ্যপুৰাণ, পৰ্ব ৩, খণ্ড ৩, অধ্যায় ৩, শ্লোক ১০-২৭)

মঃ আমিনুদ্দিন আহমদে এনেকুৱা আৰু বহুতো প্ৰমাণ তেওঁৰ গ্ৰন্থত উল্লেখ কৰিছে। (গ্ৰন্থ — বিতৰ্ক — ঈশ্বৰৰ অস্তিত্বৰ বিপক্ষে যুক্তি বনাম ঈশ্বৰৰ অস্তিত্বৰ সপক্ষে যুক্তি। লেখক — মঃ আমিনুদ্দিন আহমদ।)■



# মহাভাৰতৰ এটি ধূলিকণা “একলব্য”

**চন্দ্ৰ বাহাদুৰ ছেত্ৰী**
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (বাণিজ্য শাখা)



মহামতি ভৰদ্বাজৰ পুত্ৰ দ্ৰোণাচাৰ্য আছিল কৌৰৱ আৰু পাণ্ডৱৰ অস্ত্ৰবিদ্যাৰ গুৰু। এদিনাখন হঠাতে এজন অচিনাকি শিষ্য আহি গুৰু দ্ৰোণাচাৰ্যৰ কাষ চাপিল। যেতিয়া দ্ৰোণাচাৰ্যই সেই ল'ৰাজনক নিজৰ পৰিচয় দিবলৈ ক'লে তেতিয়া ল'ৰাজনে নিজৰ চিনাকি দি ক'লে ‘‘মই নিষাদৰাজ হিৰণ্যধনুৰ পুত্ৰ একলব্য। আপোনাৰ অধীনত অস্ত্ৰ-বিদ্যাৰ শিক্ষা গ্ৰহণৰ বাবে আহিছো। গুৰুদেৱে যদি মোক শিষ্যৰূপে গ্ৰহণ কৰে, তেন্তে মোৰ জীৱন সফল হ'ব।’’ দ্ৰোণাচাৰ্যই তপৰাই উত্তৰ দিলে, —

*ন স তংপ্ৰতিজগ্ৰাহ নৈষাদিৰিতি চিন্তয়ন্।*
*শিষ্য ধনুষি ধৰ্মজ্ঞস্তেষা মেবান্বৱেক্ষয়া।।*

‘‘মই তোমাক নিষাদ বুলি জনাৰ পিছতো ধনুৰ্বিদ্যাৰ শিষ্য হিচাপে গ্ৰহণ নকৰোঁ’’।

দ্ৰোণাচাৰ্যই আচলতে ভাৱিছিল যে এই ল'ৰাটি নিষাদৰ পুত্ৰ যেতিয়া সকুৱেপৰা ধনুৰ্বিদ্যাত পাৰদৰ্শীয়ে হ'ব, আকৌ পিতৃ হিৰণ্যধনুৰপৰাও চাগে বহুখিনি শিকি থৈছো। হয়তো এসময়ত ই অৰ্জুনতকৈও শ্ৰেষ্ঠ ধনুৰ্ধৰ হৈ উঠিব। গুৰু দ্ৰোণাচাৰ্যই অস্ত্ৰ বিদ্যাৰ শিক্ষা দিবলৈ আপত্তি দৰ্শোৱাত বিফল মনোৰথ লৈ আচাৰ্যক প্ৰণাম জনাই একলব্য হাবিৰ মাজলৈ ঢাপলি মেলিলে।

গভীৰ-গহীন অৰণ্যৰ মাজত সোমাই তেওঁ মাটিৰে এটা দ্ৰোণাচাৰ্যৰ মূৰ্ত্তি সাজি সেই মাটিৰ প্ৰতিমা খনিকে গুৰু বুলি মানি লৈ অচলা ভক্তিৰে নিজে নিজে অস্ত্ৰ বিদ্যাৰ কঠোৰ অনুশীলন কৰিবলৈ আৰম্ভ কৰিলে। শ্ৰদ্ধা আৰু অধ্যৱসায়ৰ জৰিয়তে তেওঁ ধনুৰ্বিদ্যাত অতিশয় পাৰ্গত হৈ উঠিল। অত্যন্ত ক্ষীপ্ৰতাৰে তেওঁ অতি সূক্ষ্ম লক্ষ্যবিন্দুত সফলভাৱে লক্ষ্যভেদ কৰিবলৈ সমৰ্থ হয়।

এদিনাখন পঞ্চপাণ্ডৱ মৃগ চিকাৰ কৰিবলৈ গৈ গভীৰ অৰণ্যত সোমাই পৰিল। তেওঁলোকৰ লগত এটি পোহনীয়া কুকুৰো আছিল। কুকুৰটোৱে কিবা খাদ্য বস্তুৰ গোন্ধ পাই ইফালে-সিফালে ঘূৰি ফুৰিবলৈ ধৰিলে। খাদ্য বস্তু বিচাৰি ফুৰোতে কুকুৰে একলব্যক দেখা পালে। অহৰহ তীব্ৰ গতিৰে কাঁড়বোৰ আহি থকা দেখি ভয়তে কুকুৰটোৱে ভুকিবলৈ ধৰিলে। কুকুৰৰ ভুক-ভুকনিত একলব্যৰ একাগ্ৰতাত ব্যাঘাত জন্মাত তেওঁ কুকুৰটোলৈ নোচোৱাকৈয়ে কাঁড় মাৰি পঠিয়ালে। কুকুৰৰ মুখত কাঁড় লাগি থাকিল কিন্তু এটোপাল তেজো নোলাল। মুখত কাঁড়েৰে বিন্ধি থকা অৱস্থাৰে কুকুৰটো আহি পাণ্ডৱৰ ওচৰ চাপিল। পঞ্চ পাণ্ডৱে এনে শব্দভেদি আৰু ক্ষীপ্ৰতাৰে বান প্ৰয়োগ কৰা বীৰজননো কোন হ'ব পাৰে তাকে জানিবলৈ কুকুৰটোৰ



পিছে পিছে যাবলৈ ধৰিলে। ল'ৰাজন দেখাত ধুনীয়া নাছিল, গতিকে এই গভীৰ হাবিৰ মাজত এয়ানো কোন তপস্বী তাক জানিবলৈ তেওঁলোকৰ মন গ'ল। একলব্যৰ পৰিচয় সোধাত তেওঁ উত্তৰ দিলে ''হে বীৰসকল, তোমালোকে মোক দ্ৰোণাচাৰ্যৰ শিষ্য বুলি জানি লোৱা। মই নিষাদৰাজ হিৰণ্যধনুৰ পুত্ৰ একলব্য।'' পাণ্ডৱসকল আচৰিত হৈ উঠিল আৰু তাৎক্ষণাত দ্ৰোণাচাৰ্যৰ ওচৰলৈ গৈ সকলো কথা অৱগত কৰিলে। দ্ৰোণাচাৰ্যক অৰ্জুনে অতি দুখেৰে প্ৰশ্ন কৰিলে ''হে গুৰু, আপুনি দেখোন মোক কৈছিল মই আপোনাৰ সকলো শিষ্যতকৈ শ্ৰেষ্ঠ''। অৰ্জুনৰ চকুত বিষাদ, মিনতি আৰু ক্ষোভ দেখি গুৰু যেন ভীষণ সংকটত পৰিছিল। তেওঁ নিজৰ বাক্য আৰু আশীৰ্বাদ নিষ্ফল হ'বলৈ নিদিওঁ বুলি মন স্থিৰ কৰিলে।

অৰ্জুনৰ সেই বিষাদ আৰু কৰুণ চাৱনিয়ে তেওঁক অতি নিষ্ঠুৰ আৰু কঠিন কৰি পেলালে। তেওঁৰ মন আহত হৈছিল, অপমানিত হৈছিল। কিয়নো একলব্য এজন সামান্য নিষাদৰ ল'ৰা, যাক তেওঁ শিষ্যৰূপে গ্ৰহণ নকৰি প্ৰত্যাখ্যান কৰি পঠিয়াইছিল, সি যদি কালক্ৰমত শ্ৰেষ্ঠ ধনুৰ্ধৰ হৈ পৰে তেন্তে তেওঁৰ আচাৰ্যত্বত ক'ব নোৱাৰাকৈ আঘাত লাগিব। তাৰে আকৌ শৈশৱকালৰে পৰা চিকাৰী পিতৃৰ লগত হাবিয়ে-বননিয়ে ঘূৰি ফুৰি একলব্য এজন ভাল ধনুৰ্বিদ হৈ পৰিছিল।

দ্ৰোণাচাৰ্যই অৰ্জুনক লগত লৈ একলব্যৰ ওচৰ পালেগৈ। ধূলি-মাকতিৰে আৱৰা শৰীৰ, ককালত এডোখৰ হৰিণাৰ ছাল আৰু দুচকু মাত্ৰ শৰ-সন্ধানৰ অনুশীলনত। তেনে একাগ্ৰতা দেখি গুৰু দ্ৰোণাচাৰ্য স্তব্ধ হৈ গ'ল। একলব্যই গুৰুক সন্মুখতে পাই সশ্ৰদ্ধাৰে প্ৰণিপাত জনাই ক'লে — ''মই আপোনাৰ শিষ্য। কিদৰে মই আপোনাক সন্তুষ্ট কৰিব পাৰো আদেশ দিয়ক।'' দ্ৰোণাচাৰ্যই সুবিধা লৈ অতি নিষ্ঠুৰভাৱে ক'লে, ''তুমি যদি মোৰ শিষ্য তেন্তে মোক গুৰু দক্ষিণা দিয়া'। একলব্যই হাত যুৰি ক'লে, 'কি দক্ষিণা দিম আজ্ঞা কৰক, গুৰুক অদেয় মোৰ একো নাই''। দ্ৰোণাচাৰ্যই একলব্যৰ হাতৰ ফালে চাই ক'লে যে তুমি মোক তোমাৰ বুঢ়া আঙুলিটো গুৰু দক্ষিণা হিচাপে দিলে মই সন্তুষ্ট হ'ম। দ্ৰোণাচাৰ্যৰ মুখৰ পৰা ওলোৱা এই বাক্যষাৰ যেন বচন নহয়, ভয়ংকৰ বজ্ৰপাতহে। এইজন গুৰুৰে চিৰকালৰ বাবে পৃথিৱীৰ সমগ্ৰ গুৰু শ্ৰেণীটোকে শিষ্যৰ ওচৰত কলংকিত কৰি থৈ গ'ল।

গুৰু দ্ৰোণৰ মুখৰপৰা এই বাক্যষাৰ শুনি অচল অটল হৈ পৰিল একলব্য। দয়া-মমতাহীন ; অপ্ৰাপ্যতাৰে সন্মান লোৱা গুৰুৰ প্ৰতি তাচ্ছিল্য, নে দুখ মিহলি হাঁহি। পৃথিৱীৰ আটাইতকৈ নিষ্ঠুৰ গুৰুৰ, এটি মুহূৰ্তৰ বাবেও শিষ্যক শিক্ষা প্ৰদান নকৰি গুৰু দক্ষিণা বিচৰা গুৰুৰ, নাইবা ক্ষমতালোভী আৰু নিজৰ স্বাৰ্থ পূৰণৰ বাবে অৰ্জুনক হাতত ৰাখি ভৱিষ্যতৰ বাবে আকাংক্ষা পূৰণ কৰিবলৈ সাজু হোৱা বিবেকহীন গুৰুৰ নৈতিক স্খলন দেখি সূৰ্য দেৱতাও যেন স্তব্ধ হৈ পৰিছিল। এনে এজন সামান্য নিষাদ পুত্ৰৰ হাতত পৰাজিত হৈছিল মহামতি ভৰদ্বাজপুত্ৰ দ্ৰোণাচাৰ্য।

দ্ৰোণাচাৰ্যলৈ এবাৰো নোচোৱাকৈ একেঘাপে সোঁহাতৰ বুঢ়া আঙুলিটো কাটি ৰক্তাক্ত হৈ পৰা হাতলৈ ভ্ৰূক্ষেপ নকৰি কটা আঙুলিটো গছৰ পাত এখিলাত তুলি গুৰুৰ চৰণত অৰ্পণ কৰি একলব্যই সেৱা কৰি ৰৈ থাকিল গুৰুৰ মুখৰপৰা মাত্ৰ এষাৰ আশীৰ্বাদ শুনিবলৈ, কিন্তু কোনো আশীৰ্বাদ নুশুনিলে। এসময়ত লাহে লাহে থিয় হ'ল সেই একান্ত বাধ্য, যুগজয়ী-কালজয়ী ভক্তিমান শিষ্যজন। গুৰু দ্ৰোণই একোৱেই নামাতি একলব্যৰ সন্মুখত থিয় হ'ব নোৱাৰি পলায়ন কৰিলে অৰ্থাৎ গুচি গ'ল। চিৰকালৰ কলংকিত সেই ভয়ানক গুৰু দক্ষিণা গ্ৰহণ কৰাৰ পিছত একলব্যৰ মুখলৈ চোৱাৰ বা আশীৰ্বাদ দিয়াৰ যোগ্যতা হেৰুৱাইছিল গুৰু দ্ৰোণাচাৰ্যই।

এনে এজন অতি সামান্য নিষাদ পুত্ৰৰ ওচৰত গুৰু দ্ৰোণাচাৰ্য আৰু শ্ৰেষ্ঠ ধনুৰ্ধৰ বুলি খ্যাত অৰ্জুনৰ নৈতিক পৰাজয় ঘটিছিল। একলব্যই আগৰ দৰেই নিৰৱিচ্ছিন্নভাৱে বিজুলী বেগেৰে কাঁড় মাৰিব নোৱাৰা হ'ল। মহাভাৰতৰ এই ঘটনাটোক এক অবুজনীয় যোজনা যেন লাগে। ■





# NEED A BALANCE

**Chandan Dey**
B.Sc. 2nd Yr.

While the murders and brutalisation of those defying restrictions on intra-gotra marriages needs to be strongly condemned punishment I fail to understand why most sections of the media and progressive opinion are condemning Haryana MP Naveen Jindal for taking up the demand for amendment in the Hindu Marriage Act (HMA) of 1955 to include same gotra marriages in the category of prohibited relationship for the Jats of Haryana.

*I hope Khap leaders understand that even if intra-gotra marriages are included in the prohibited list of relationship for Jats, the state cannot allow them to hold out Courts and carry out brutal murders.*

The Indian Constitution envisaged that the state shall impose a UCC (Uniform Civil Code). However till date religious minorities continue to follow what they consider as their personal laws.

Instance of the safeguarding one's gotra based identity is being described as proof of "medieval barbarism". In this modern world such traditional identities and institutions have no place.

The HMA has legitimized certain traditional prohibitions in marriage by declaring sapinda marriages invalid in the eyes of the law. Prohibited relationships include father and daughter, son and mother, father in law and widowed daughter in law, widowed mother in law and son in law, widow of the brother or father's brother or mother's brother or of grandfather's brother or of grandmother's brother, brother and sister, uncle and nice, aunt and nephew, or children of brother and sister or of two brothers or of two sisters. However after declaring a marriage between uncle and niece invalid in the law the HMA legitimizes customary practice of marriages among many south Indian



communities between first cousins and between maternal uncle and niece. Such a marriage among many North Indian communities would be considered as good as incest.

The rich diversity of Indian Society is based on easy acceptance by traditional communities that their ways do not have to be universally acceptable.

While it is fair to term Honour killing barbaric it is perfectly legitimate for each community to insist on the right to decide for itself what aspects of traditions it wishes to cherish and what it wishes to discard or reform.

Why Judge India's communities by the social and moral norms currently prevalent in the western nuclear family ? Why should we compel people to discard practices and kinship values simply because they are 'traditional' as long as they don't impose values through violence ?

I hope Khap leaders understand that even if intra-gotra marriages are included in the prohibited list of relationship for Jats, the state cannot allow them to hold out Courts and carry out brutal murders. Resorting to the barbaric means to prevent same gotra marriage is a sure sign of declining moral authority of Khap panchayats. It is also a sign that criminal elements have acquired hold over the bodies.

Their influence will decline further if this trend is not reversed and they continue trampling over individual freedom. Nor are they likely to succeed within our legal and constitutional framework in forcing the government to put all such peoples behind the bars.

But those who wish opt out of gotra-based identities have to be allowed to do so, without fear of criminal forms of coercion.

For example, under the existing law marriages between siblings and first cousins are prohibited but if a brother and sister were to engage in sex or get married to each other the law doesn't provide for death or jail terms for incest. No civilized society can sanction murder simply because some people claim a particular person brought them dishonour.

Likewise no civilised society can allow a small minority of self-appointed social reformers to decide arbitrarily which identities have sanctity and which must be banned out because it is a QUESTION OF BALANCE and we NEED A BALANCE. ■



Kisan Bafurao Hazare Popularly known as Anna Hazare was born in 15 June, 1937. He is an Indian social activist and a prominent Leader in the 2011 Indian anti-corruption movement, using non-violent methods following the teachings of Mahatma Gandhi. Hazare also contributed to the development and structuring of Ralegan Siddi, a villages in Parner taluka of Ahmed nagar district, Maharashtra, India. He was awarded the Padma Bhushan – the third highest civilian award by the Government of India in 1992 for his efforts in establishing this village as a model for others.

Anna Hazare started an indefinite hunger strike on 5 April 2011 to exert pressure on the Indian government to enact a stringent anti-corruption law as envisaged in the Jan Lokpal Bill, for the institution of an ombudsman with the power to deal with corruption in public places. The fast led to nation wide protests in support of Hazare. The fast ended on 9 April 2011, a day after the government issued a gazette notification on the formation of a joint committee, consisting of government and civil society representatives, to draft the legislation.

Anna has been ranked as the most influential person in Mumbai by a national daily newspaper. He has faced criticism for his authoritarian views on justice, including death as punishment for corrupt public officials and his alleged support for forced vasectomy as a method of family planning.


**RIGHT TO INFORMATION MOVEMENT :–**

In the early 2000s Hazare led a movement in Maharashtra state which forced the state government to enact a revised Maharashtra right to information Act. This Act was later considered as the base document for right to information Act 2005 (RTI), enacted by the union Government. It also ensured that the president of India assented to this new Act.

**LOKPAL BILL MOVEMENT :–**

In 2011, Hazare initiated a Satyagraha movement for passing a stronger anti-corruption Lokpal (ombudsman) bill in the Indian Parliament as conceived in the Jan Lokpal Bill (People's ombudsman Bill). The Jan Lokpal Bill was drafted earlier by N. Santosh Hegde, former justice of the supreme court of India and Lokayukta of Karnataka, Prashant Bhushan, a senior lawyer in the supreme court and Arvind Kejriwal, a social activist along with members. This draft bill incorporated more stringnet provision and wider power to the Lokpal (ombudsman) than the draft Lokpal bill prepared by the government in 2010. These include placing "the Prime Minister within the ambit of the proposed Lokpal's powers".

The movement attracted atten-





tion in the media, and thousands of supporters. Almost 150 people reportedly joined Hazare in his fast. Social activists, including Medha Patkar, Arvind Kejriwal, former IPS officer Kiran Bedi, and Jayaprakash Narayan lent their support to Hazare's hunger strike and anti-corruption campaign. People have shown support in internet social media such as Twitter and Facebook. In addition to spiritual leaders Sri Sri Ravi Shankar, Swami Ramdev, Swami Agnivesh and former Indian cricketer Kapil Dev, many celebrities showed their public support through Twitter.

Protest spread to Bangalore, Mumbai, Chennai, Ahmedabad, Guwahati, Shillong, Aizawl and a number of other cities in India.

**FAST AT RAMLILA MAIDAN, NEW DELHI :-**

On 20 August 2011, thousands of people came to the Ramleela Maidan in New Delhi to show their support for Hazare, while his advisers made television appearances to rally public support and defend themselves against criticism that their protest campaign and refusal to compromise is undermining India's parliamentary process. The National Campaign for People's Right to Information (NCPRI) condemned Hazare's deadline for passing the bill as undermining democracy, which operates by "holding wide – ranging consultations and discussions, allowing for dissent and evolving a consensus..... He (Hazare) has the right to protest and dissent. But nobody can claim it as an absolute right and deny the right of dissent to others.

**CONSPIRACY TO MURDER HAZARE :-**


Anna Hazare has exposed large corruption in co-operative sugar factories of Maharashtra. One of the sugar factories which Anna exposed corruption is controlled by Dr. Padamsinh Bajirao Patil, a member of parliament of 15th Lok Sabha and higher ranking leader of nationalist Congress Party from Osmanabad, and also a prime accused and conspirator in the 2006 murder case of Indians National Congress leader Pawanraje Nimabalkar.

The conspiracy to kill Hazare was exposed when Parasmal Jain, an accused in the Nimbalkar murder case, in his written confession before a magistrate said that Padamsinh Bajirao Patil had paid a sum of ₹ 3,000,000 (US $ 66, 900) to murder Nimbalkar, and also offered him supari (contract killing sum) to kill Anna Hazare. After this written confession, Anna appealed to the state government of Maharashtra to lodge a separate FIR against Padamsinh Bajirao Patil for conspiring to murder him but the government did not take any action in this regard. Anna Hazare decided to lodge a complaint himself and on 26 September 2009, he lodge complaint at Parner police station of Ahmednagar District in Maharashtra against the nationalist congress party (NCP) MP.

In this way Anna Hazare saved India from being corrupted. He has conveyed a truthful message to the youths of India. Let us make a better INDIA.

JAI HIND... ■





# The Most Mysterious Painting of the world *MONA LISA*

**Rimpi Sonowal**
B.A. 1st Semester

Mona Lisa is one of the most famous paintings of Leonardo da Vinci. It is a picture of a woman who is smiling mysteriously. It has come to symbolize for many of the mystery of woman. Many people have wondered what she was smiling at. Leonardo's famous painting, the Mona Lisa, today hangs in the Laukre Museum, Paris preserving some of the world's rarest art pieces and antiques which are beyond all evaluation today. Mona Lisa is probably the most admired and most popular painting in the Universe.

Mona Lisa was painted by Leonardo Da Vinci between 1503 and 1506. Mona Lisa was the wife of a Florentine gentleman, Francesco del Gioconda. That is why she is also called as La Gioconda. Leonardo was 51 and she was 24 when the painting started. She used to come to the great master's studio in the later afternoon when the light was soft. Leonardo worked hard on this painting for about three years. During the course of painting, he became fascinated both with his model and the portrait. The portrait has retained that exclusive aura about itself. The face, enigmatic in expression, has tantalized the millions over the years. The painting seems to be as alive as the beautiful women. The enigmatic smile of this Italian lady perhaps the most striking aspect of this psychological portrait. The extremely high smooth forehead and completely lack of eyebrows were fashionable at that time. She is dressed in a green, pleated satin gown with yellow brown sleeves. The Mona Lisa, Leonardo's most famous work, is as well known for its mastery of technical innovations as for the mysteriousness of its legendary smiling subject. This work is a skilled example of two techniques – sfumato and Chiaroscuro of which Leonardo was one of the first great masters.

The mysterious personality of Mona Lisa is reflected in the panoramic landscape which serves as a back ground. The dominant colours are brown, blue – green, and the blue of the sky seen between two columns and over a parapet, before which Mona Lisa sits. The landscape behind her adds a mysterious backdrop. The landscape is rather fantastic and unusual. Mona Lisa's portrait was actually ordered by her husband. Leonardo was himself charmed by it and never gave the portrait to Francesco. He always made the excuse that he had not quite finished.

This painting is the most popular painting of the world because of its' mysterious smiling. ■



ড° ভূপেন হাজৰিকা অসমৰ সংগীত জগতৰ এক কিংবদন্তি। ড° হাজৰিকাৰ দৰে একাধাৰে বিদগ্ধ গীতিকাৰ, কালজয়ী সুৰকাৰ আৰু সুধাকণ্ঠৰ অধিকাৰী গায়ক আজিও ভাৰতবৰ্ষতে বিৰল। অসমৰ ভৱিষ্যৎ প্ৰজন্মই হয়তো ভাবি গৌৰৱত আত্মহাৰা হ'ব যে এনে যাদুকৰী, বিস্ময়কৰ কণ্ঠৰ অধিকাৰী, কথা আৰু সুৰৰ অনন্য স্ৰষ্টা এই ভূমিতে উপজিছিল। ভূপেন হাজৰিকাৰ গীতে অসমৰ গীতি-সাহিত্যিক সমগ্ৰ দেশৰ ভিতৰতে মৰ্যাদাপূৰ্ণ আসনত অধিষ্ঠিত কৰাই থৈছে। এই গীত-মাতখিনিৰ বাহিৰত যথাযোগ্য প্ৰচাৰ আৰু প্ৰসাৰে অসমক সুকীয়া পৰিচিতিৰে উজলাই তুলিব। ড° ভূপেন হাজৰিকাই বিভিন্ন বিষয়ৰ গীত ৰচনাৰে অসমীয়া গীতি-সাহিত্যৰ সকলো দিশকে স্পৰ্শ কৰি গৈছে। বিভিন্ন সামাজিক দিশৰ গীত ৰচনাৰ বাদেও তেওঁ দেশ-জাতিৰ প্ৰেমৰ গীত, কৃষক-বনুৱাৰ মুক্তিৰ গীত, হালোৱা-হজুৱাৰ ত্ৰাণৰ গীত, শোষণৰ শৃংখল ছিঙি মানৱ মুক্তিৰ বাবে গোৱা গীত, বিভিন্ন সাময়িক প্ৰসংগৰ গীত, প্ৰাণৰ তাগিদাৰ বিভিন্ন বিষয়ক গীত, প্ৰকৃতি প্ৰেমৰ গীত, চলচ্চিত্ৰৰ বাবে লিখা গীত, সমগ্ৰ অসমত বিয়পি থকা আকৰ্ষণীয় লোকগীত, শিশুহঁতৰ ওমলা গীত, উদ্দীপ্ত যৌৱনৰ গীত, প্ৰেম-বিৰহৰ গীত, পাহাৰ-ভৈয়ামৰ এনাজৰীৰ গীত, খেয়ালী মনৰ গীত, জীৱন বোধৰ গীত, মানৱতাৰ গীত আদি সকলো বিধৰ গীতৰ ৰচনাৰে জাতিটোৰ দেহ-মন সজীৱ কৰি ৰাখিছে। এনে ৰুচিবান অসমীয়া নাই যি জীৱনত এবাৰো ভূপেন হাজৰিকাৰ গীত আওৰোৱা নাই। হালোৱা-হজুৱা, কৃষক-বনুৱা, শিক্ষিত-অশিক্ষিত, আবাল-বৃদ্ধ-বনিতা সকলো যেন ড° হাজৰিকাৰ সুৰৰ ইন্দ্ৰজালত বন্দী হৈ আছে। ড° হাজৰিকাৰ কল্পনা শক্তি ইমান সুদূৰ আৰু দিগন্ত প্ৰসাৰী, অথচ ইমান ওচৰৰ যে ভাবিলে আচৰিত হব লাগে। মানুহে মানুহৰ বাবে, মহাবাহু ব্ৰহ্মপুত্ৰ, বিমূৰ্ত মোৰ নিশাটি যেন, শীতৰে সেমেকা ৰাতি, গংগা মোৰ মা, পদ্মা মোৰ মা, তুমি নতুন পুৰুষ, তুমি নতুন নাৰী, যুৱতী অনামিকা গোস্বামী, চিয়াঙৰে গালং, শ্বিলঙৰ মনালিছা লিংডো, জীৱনটোৰ কান্দোনখিনি, যদি জীৱনে কান্দে, মেঘে গিৰ গিৰ কৰে, আহো হো মহো হো, বুকু হম হম কৰে, সাগৰ সংগমত, অ' বিদেশী বন্ধু, শাৰদী ৰাণী, অসম আমাৰ ৰূপহী, কহুঁৱা বন মোৰ অশান্ত মন, বিস্তীৰ্ণ পাৰৰে অসংখ্য জনৰে, জীৱন জোৱা খ্যাতিয়ে যদি, হো হো ধুমুহা আহিলেও, এটুকুৰা আলসুৱা মেঘ, আজি জীৱন বুটলিবি, ডুগ ডুগ ডম্বৰু, ৰণক্লান্ত নহওঁ, সময়ৰ অগ্ৰগতি, মোৰ গান হওক, চিৰযুগমীয়া ঢৌ তুলি, বিক্ষুব্ধ বিশ্বকণ্ঠই, সুউচ্চ পাহাৰত, সেন্দুৰ সেন্দুৰ ফোঁটটিয়ে, আমি অসমীয়া নহওঁ দুখীয়া, লুইত পৰীয়া ডেকা বন্ধু, অ' মোৰ ধৰিত্ৰী আই আদি বিভিন্ন সোণসেৰীয়া গীতেৰে ভূপেন হাজৰিকাই অসমৰ সংগীত আকাশ জলমল তৰাৰে উজলাই ৰাখিছে। 'অসম ৰত্ন', 'দাদা চাহেব ফাল্কে' বটাৰে বিভূষিত ড° ভূপেন হাজৰিকাৰ সৃষ্টিৰাজিত এনে সঞ্জীৱনী শক্তি আছে, যিয়ে আকৰ্ষণ কৰিব পাৰে সকলো প্ৰান্তৰৰ লোকক জাতি-জনগোষ্ঠীৰ সীমা চেৰাই। ৰাজ্যভাষাৰ পৰিধি নেওচি অসমৰ পাহাৰে-পৰ্বতে, লুইতৰ দুয়োপাৰে অসমৰ আকাশে-বতাহে খলকনি তোলা ড° ভূপেন হাজৰিকাৰ মুখ নিসৃত আৰু সুৰাৰোপিত অতুলনীয় অনিৰ্বচনীয় গীত সমূহে 'ভূপেন্দ্ৰ সংগীত' নামেৰে সংগীতৰ এটি ধাৰাৰ সৃষ্টি কৰিছে।

আজি অসমৰ ৰাইজৰ হিয়াৰ আমঠু 'ভূপেনদা' নাই। অসমৰ শদিয়াত জন্ম গ্ৰহণ কৰা ভূপেনদা ২০১১ চনৰ ৫ নৱেম্বৰত মুম্বাইৰ কোকিলা বেন ধিৰুভাই আম্বানি হাস্পাতালত মৃত্যু বৰণ কৰে। চন্দন কাঠৰ সুগন্ধৰে লুইতৰ কেঁচা পলসত সাৰ পাই উঠা অসমৰ মহান শিল্পী সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ নশ্বৰ দেহ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ পবিত্ৰ মাটিত ৰাষ্ট্ৰীয় মৰ্যাদাৰে বিদায় দিলে অসমৰ ৰাইজে। কিন্তু আমাৰ সকলোৰে মনত 'ভূপেন'দা সদায় অমৰ হৈ থাকিব আৰু তেওঁৰ ৰচনা আৰু সাহিত্যও চিৰযুগমীয়া হৈ ৰ'ব। ■

# সুধাকণ্ঠ ড° ভূপেন হাজৰিকালৈ শ্ৰদ্ধা

অম্পিপ মৰাণ
স্নাতক দ্বিতীয় বৰ্ষ, বাণিজ্য শাখা





Jajabor, the musical maestro of the country Legendary musician was born in 1926 at Aka village, Sadiya in North Lakhimpur. His father Late Nilakanta Hazarika hailed from Nazira & mother Santipriya from Kamrup. Dr. Bhupen Hazarika was educated in Dhubri, Guwahati & Tezpur. He passed matriculation in 1940. Then he admitted himself in Cotton College, Guwahati. He then went to Benaras Hindu University for higher study. He completed his MA in political science in 1946. He then got government of India's Scholarship to study PhD. at Columbia university, US. He grew up listening tribal music – its rhythms developed his inclination toward singing. He inherited singing skills from his mother He learnt music from Bishu Prasad Rabha. He met his soul mate Priyambada Patel and later he married her in America.

He was a great folk singer ever born in the land of rivers, hills and mountains. He was inspired by a black singer Paul Robeson whom he met at Chicago. The song of inspiration was "O ! man river : you say nothing, you just keep rolling along", and composed the song "Ami ekekhon nawore jatri". The song "Manuhe manuhar babe" was composed during the period 1960-61.

After returning from America, Dr. Hazarika joined Gauhati university as lecturer for a short period where he had composed the famous song "jilikabo luitor par". He witnessed the 1962 Chinese aggression and saluted the soldiers who sacrified their lives for the great cause of the mother land with the song – "koto jowanor mrityu hol". He had immense love for the people of Arunachal pradesh and made a number of films on Arunachal Pradesh. The film that had made land mark achievement was titled "Meri maa meri Dharam".

He was the first citizen who always wore tribal jacket, colourful tribal shawl, and a Nepali Cap. He was among the few artists who have bridged the gap of generations. He was the cultural icon, Dada Saheb Phalke awardee. The timeless elements of his lyrics, their innate poetic beauty, the mingling of the aesthetic & altruistic places him in the position the great reformers like Sankardev, Rabindra Nath Tagore, Nazrul Islam, Jyoti Prashad Agarwalla and Bishnu Prasad Rabha.

Nov. 5, 2011. The day of mourn for all the music lover and beloved of Bhupenda. The day when the glorious era of music stand aback when the message flared in air that our adorable Bhupenda "The Maestro" is no more. But the legend will always remain in our heart. The legend will always be living with us as long as the music will be with us as pleasure of life.

*"Love u Bhupenda"*. ■

# The Music Legend

**Sunita Deb**
B.Com. 2nd Yr.





Education has been a prime factor in acclerating the pace of economic development both in Quantitative and Qualitative terms. Educational institutes concerned with the effort of imparting education not only to shape a better career but also shape the students into a better personality has also been showing a rising trend which implies the importance which has been levied on personality development.

Education in Qualitative terms doesnot deals with an one-side view of making excellence in academic performance, extra-curricular or health maintainance but also in the growth of certain Qualities as an indivedual. People of different age groups add to the economic development in the own specific way, out of which, economically, the middle aged groups are regarded to be much active and energetic. This group includes the students, young businessman, traders, experts and so on. Present generations including the young minds are tagged as mation's bright  future and will serve with proper utilisation of their efforts and ejjiciency.

At the very grassroot bevel, this attitude of fuller utilisation is applicable in almost every phase of life. A student with his or her own efforts backed by the teacher's efforts can come up with an exellent academic records however, the overall performamce of a college fails to stand. This is because of the lack of quality improvement which comes up only with qualities such as leadership, efficiency in decision-making, punctuality, hardwork, skill as well as talent and most importantly an active participation which is basically required for individuals personality development.

In the development of college, students a very crucial role to play, right from the discipline maintainance to a healthy environment with no chaos. Colleges to a base for the students to shape their career as well as making them well versed with present day opportunities students should be keenly interested and concentrate enaugh to grab the ideas to understand their proper utility. The leadership quality of a student leads him or her to give an active participation which is very important so as to enhance their ability and add to their growing interest as well as proper management of initiatives undertaken. Such initiatives or programmes help the teachers and students to come closer to each other promoting a mutual understanding that acts as a key factor not only for the teachers to provide their full dedication and efforts but also the students to undergo its benefits and to make themselves successful. In this regard, suggestion from the younger minds who are yet to gain a lot of experience from the learned's can also help them to understand the need of the hour and lay focus on the prospects of bringing about an improvement in meeting those needs. That is, students should be able to speak out clearly but with respect which is necessary so as to maintain a  healthy relation with others. This ultimately helps in the collection of a  bunch of ideas which can be more effectives and able to bring about welfare.

In short, participation of students as a whole is very important in the development of college in qualitative terms and working out together in various campaigns may lead to its successful implementation on themselves as well as on the society. Thus these individual achievements in various fields together lead to promote the overall development. ■

# ROLE OF STUDENTS IN DEVELOPING THEIR COLLEGE

**Reshmi Bose**

B.A. Part-III



While going through the modern era, a student's responsibility in developing a college is huge and it is extremely necessary to use it in the betterment of our society.

While talking about a student's role, this role is largely indirect and is moderated by the college environment and a students interactions with faculty and peers. The campus environment exerts an enabling effort on college out comes. Last, all emphasise the importance of a partnership between the college and student. College provide opportunities for interaction and involvement and establish a climate conducive to responsible participation. Each approach reflects the centrality of what we call students responsibility.

The review indicates that the effects of initial group differences on college out comes are relatively slight and largely mediated by the manner in which the student engages the college experience.

Generally, college students appear more alike than different. The college context has two elements –

i) Structural frames of the institution.

ii) The climate or 'ethos'.

Structural features that tend to is rate students and promote an ethos of anonymity produces poor college outcome. College climate characterised by a strong sense of direction and which build students involvement tend to promote favourable outcomes by promoting student faculty and student peer relations, as well as establishing an expectation that students will behave responsibly.

Finally, the decisive single factor in affecting college outcomes is the degree to which students are integrated into the life of the campus, interact with faculty and peers and are involved in their studies.

Various scholars has emphasized the importance of student effort and involvement in their academic and co-curricular activities as the decisive elements in promoting positive college outcomes.

As College have struggled to extend opportunities, an accompanying expectation for students to assume responsibility for their own education often has been lacking.

We the students can contribute to our own learning and to the development of a campus climate in which also can grow and learn.

Students responsibility is the key to all development and learning. Research has demonstrated that college out comes are tied to the effort that students put into their work and the degree to which they are involved with their students and campus life.

Irresponsible students diminish our collective academic life. Within an individual classroom, the behaviour of even a few highly irresponsible students or worse a large number of passive, disaffected students can drag a class room down to its lowest common denominator. Institutional policies and practices must be oriented towards developing a climate in which students responsibility and active participation in their own collegiate experiences are promoted. Policies that stress the importance of student achievement and in class and co-curricular challenge and support are essential for student growth.

As student culture serves as a bitter for students entering college care must be taken to ensure that students who are prepared inadeqately understand the nature of college and what is expected to attain satisfactory academic and development gains. College are learning communities and individuals accepted and responsibilities of membership. If we are to set out of expectations we must offer a set of standards and examples that moves our discussion from generality to practice, which will be the base of development of our beloved institution.

# ROLE OF STUDENTS IN DEVELOPING THEIR COLLEGE

**Chandan Dey**
B.Sc. 3rd Year



# HOW TO LEAD A PURPOSEFUL LIFE

**Usha Upadhaya**
TB.A. 1st Semester

It has been said that "life is not the bed of roses." It is meant to face struggle and finally to shape it in a meaningful way that could benefit not only to an individual but also to the whole society. Human beings from that primitive age of living with all uncertainties through thousands of years of vegabond life, slowly and step by step arrived at this stage of full bloom of civilization which is not some thing that dropped on us spontaneously. It is the outcome of the great achievements of some great man in the past which have always guided us for a better life.

So, the life has it's own purpose. It should not be merely accepted with full of merriment and self-centredness but should be considered that with every person's contribution to a society makes the society a prosperous one. Today, it is a moted question for the youth, the torch bearers of the millennium is, in what way they accept the life. Behind the unrest of the youth is undoubtedly hidden the trend of the modern era which embraces blindly the cheap tastes associated with the western confound value are relegated to the background. Night clubs, cheep sorts of western music of the life of the aristocrat






class especially among the youths who crave for thrills and pleasure possessing wholly an apathetic attitude towards our classics, endowed with rich culture.

As Indians we should never give up the ideology of Mahatma Gandhi, Swami Vivekananda and so the innumerable thinkers and philosophers of the country. The biggest point is that one should not be blind with religion but it's background for constructive purposes should not be denied. Mahatma Gandhi firmly believed that religion supplies a moral values without which life is a mere sound and funny, signifying nothing. According to him religion is mainly concerned with the inner life of man either in the form of belief in truth or relation to God or belief in moral principles.

The types of crises faced by today's world may be conceived as the impacts of our thought and deeds in a Godless world. The modern man who tasted the fruit of the tree of knowledge and witnessed the starling developments in science & technology knows that god who ruled our fore fathers is now dead. So, the modern man is not ruled by constitution given by our religious scriptures. But inspite of the extensive gift of science one suffers from lack of peace and security caused by greed for possession associated with fear and hated of one another. Whether the Gods or God of ancient religious scriptures are alive or adopt that does not matter, Gandhiji's God as truth is lasting. And in making our life a purposeful one we must adopt the path of humanity with the ingredients of love, sacrifice, service, self-control which only can bring peace and security to societies.

The great saint Swami Vivekananda says "for the world can be good and pure only if our lives are good & pure. It is our effort and we are the means. Therefore, let us purify ourselves, let us make ourselves perfect." ■





# অসমৰ প্ৰব্ৰজনকাৰীৰ সমস্যা আৰু ইয়াৰ ভৱিষ্যত

মনোজ কুমাৰ শইকীয়া
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

**সূচনা ঃ**

জন্ম আৰু মৃত্যুৰ হাৰৰ বাহিৰে জনগাঁথনিক প্ৰভাৱিত কৰিব পৰা তৃতীয় শক্তিশালী উপাদান হ'ল প্ৰব্ৰজন। ই জনগাঁথনিক ভিন্নভাৱে প্ৰভাৱিত কৰে। মনত ৰখা প্ৰয়োজন যে প্ৰব্ৰজন কোনো জৈৱিক ঘটনা নহয়, বৰং ই সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক, ৰাজনৈতিক উপাদানেৰে পুষ্ট এক ঘটনা মাথোন। যিকোনো সময়ত প্ৰব্ৰজনে জনগাঁথনিক ভয়াবহভাৱে প্ৰভাৱিত কৰিব পাৰে। সাধাৰণতে এজন মানুহ বা এদল মানুহৰ যৌথ সিদ্ধান্তমৰ্মে প্ৰব্ৰজন সংঘটিত হয়। সাম্প্ৰতিক কালত অসমত দেখা দিয়া ভয়াবহ সমস্যাবোৰৰ ভিতৰত প্ৰব্ৰজন বা বহিৰাগত সমস্যাও অন্যতম। ভিন ভিন সময়ত ভিন্ন ভিন্ন উদ্দেশ্যে বিভিন্ন ঠাইৰ পৰা অসমলৈ জন প্ৰব্ৰজন ঘটি আহিছে। সাম্প্ৰতিক অসমৰ জনগাঁথনি তথা সামাজিক দিশত যি লক্ষণীয় পৰিৱৰ্তন সাধন হৈছে তাৰ বাবে প্ৰব্ৰজন বহু পৰিমাণে দায়ী।

**জন প্ৰব্ৰজন আৰু অসম ঃ**

অসমৰ কাষতেই আছে বাংলাদেশ (এসময়ৰ পূৰ্ব পাকিস্তান) নামৰ চুবুৰীয়া ৰাষ্ট্ৰ। ১৯৪৭ চনৰ ভাৰত বিভাজনৰ পিছত সেইখন ঠাই পাকিস্তানৰ অধীনত শাসিত হ'বলৈ ধৰে। অৱশ্যে ইছলাম হ'লেও ভাষা আৰু সংস্কৃতিৰ ফালৰ পৰা পাকিস্তানৰ লগত ইয়াৰ কোনো মিল দেখা পোৱা নগৈছিল। ফলত পাকিস্তানৰ শাসন এটা সময়ত বাংলাদেশৰ মানুহৰ বাবে অসহনীয় হৈ উঠিল আৰু বহুত সংগ্ৰামৰ পিছত ১৯৭১ চনত বাংলাদেশ স্বাধীন ৰাষ্ট্ৰ হিচাপে থিয় দিবলৈ সক্ষম হয়। অৱশ্যে এই স্বাধীনতাৰ বাবে ভাৰতবৰ্ষই বাংলাদেশক যথেষ্ট সহায় কৰিছিল। আৰ্থ-সামাজিকভাৱে বাংলাদেশ আগতেও দুখীয়া আছিল আৰু এতিয়াওঁ একে অৱস্থাতে আছে। প্ৰৱলভাৱে জনসংখ্যা বৃদ্ধি, ব্যাপক দৰিদ্ৰতা, প্ৰতিবছৰেই বানপানী আৰু ধুমুহা, অশিক্ষা আদি সমস্যাই দেশখনক জুৰুলা কৰি তুলিছে। খাদ্য-বাসস্থানৰ নিৰাপত্তা আৰু কামৰ আশাত বাংলাদেশৰ বিভিন্ন মানুহ ভাৰতবৰ্ষৰ লগতে অসমৰ বিভিন্ন প্ৰান্তলৈ বিশেষকৈ সেইবোৰ অঞ্চললৈ য'ত মুছলমান সম্প্ৰদায়ৰ লোকৰ সংখ্যা অধিক তালৈ প্ৰব্ৰজিত হৈছে। উদাহৰণস্বৰূপে – ধুবুৰী, গোৱালপাৰা, বৰপেটা, কৰিমগঞ্জ আৰু হাইলাকান্দি আদি জিলাত বাংলাদেশী সকলৰ প্ৰব্ৰজন ইমানেই ব্যাপক হাৰত দেখা গৈছে যে যাৰ বাবে বৰ্তমান সময়ত সেইবোৰ নিৰ্মূলকৰণৰ বাবে অসম চৰকাৰ তৎপৰ হৈ উঠিছে।

**বহিৰাগত আগমণৰ কাৰণ ঃ**

অসমত বহিৰাগত লোকৰ সংখ্যা দিনে দিনে বৃদ্ধি পাই অহাৰ প্ৰথম আৰু প্ৰধান কাৰণ হৈছে অসম চৰকাৰৰ অমনোযোগিতা। অসমৰ সীমান্ত অঞ্চলসমূহৰ উপযুক্ত পৰিমাণৰ সুৰক্ষা নোহোৱাৰ বাবেই প্ৰতিবছৰেই অসমলৈ বিভিন্ন স্থানৰ পৰা ইমানেই প্ৰব্ৰজন ঘটিছে যে বৰ্ত্তমানে ই ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। ইয়াৰ লগতে সীমান্ত অঞ্চলত অধিক সুৰক্ষা নোহোৱা বাবেও যধে-মধে নিজ ইচ্ছা মতে বাংলাদেশ, ভূটান আদি বিভিন্ন স্থানৰ পৰা মানুহৰ প্ৰব্ৰজন ঘটিবলৈ ধৰিছে। অসমত প্ৰব্ৰজনৰ সমস্যাই গা-কৰি উঠাৰ অন্য এটি প্ৰধান কাৰণ হৈছে সুলভ মাটি ক্ৰয় বিক্ৰয়ৰ ব্যৱস্থা। নিজৰ ইচ্ছা অনুসৰি অসমৰ যিকোনো ঠাইত মাটি ক্ৰয় বিক্ৰয়ৰ সুবিধা থকা বাবে অসমলৈ অহা প্ৰব্ৰজনকাৰী সকলেও সেই সুবিধা গ্ৰহণত কৃপনালী নকৰে। এই ক্ষেত্ৰত আমি অসম চৰকাৰৰ লগতে ভূমি বিভাগ ন্যস্ত থকা লোকসকলকো জগৰীয়া কৰিব লাগিব।

অসমৰ বাহিৰে ভাৰতবৰ্ষৰ অন্যান্য কিছুমান ৰাজ্যত অনুমতি পত্ৰৰ অবিহনে কোনো লোকেই সেই ৰাজ্যত প্ৰৱেশ কৰিব নোৱাৰে। কিন্তু অসমলৈ মানুহৰ প্ৰৱেশৰ ক্ষেত্ৰত তেনে কোনো ধৰণৰ প্ৰৱেশ পত্ৰ নথকাত যধে-মধে মানুহে অসমত প্ৰৱেশ কৰি নিগাজিকৈ থকাৰ সুবিধা লৈছে।

অসমত প্ৰব্ৰজন সমস্যাই দেখা দিয়া অন্য এটি প্ৰধান কাৰণ হৈছে যে অসমৰ চৰকাৰীয়েই হওঁক বা বেচৰকাৰীয়েই হওঁক বিভিন্ন খণ্ডত বাহিৰৰ লোকৰ কৰ্মক্ষেত্ৰত নিয়োগৰ সুবিধা। কৰ্ম নিয়োগৰ ক্ষেত্ৰত থলুৱা সকলক প্ৰৱঞ্চনা কৰি বাহিৰৰ লোকক সেইবোৰত নিয়োজিত হ'বলৈ ধৰা বাবেও প্ৰব্ৰজন সমস্যাই মূৰ দাঙি উঠিছে। বিনিয়োগ ক্ষেত্ৰত অসমৰ লোকৰ অনীহা আৰু অমনোযোগিতাৰ বাবেও অসমত প্ৰব্ৰজন সমস্যাই গা কৰি উঠিছে। উদাহৰণস্বৰূপে – ঠেলা-ৱালা, ৰিক্সাৱালা, নাপিত, মুছি আদি কৰ্মৰ প্ৰতি অসমৰ লোকৰ অনীহাৰ বাবে বৰ্তমানে সেই সেৱাসমূহ অসমত



জৰুৰী হোৱা বাবেও বহিৰাগত সমস্যাই মূৰ দাঙি উঠিছে।

**আৰ্থ–সামাজিক দিশত বিৰূপ প্ৰভাৱ ঃ**

অসমৰ আৰ্থ–সামাজিক দিশত বিভিন্ন ক্ষেত্ৰৰ পৰা অহা অবৈধ প্ৰব্ৰজনে ভয়াবহ সমস্যাৰ সৃষ্টি কৰিছে। এই বিষয়টো নিম্নোক্ত ধৰণে আলোচনা কৰিব পাৰি।

**ভাষাৰ প্ৰয়োগ ঃ**

অবৈধ জন প্ৰব্ৰজনৰ ফলত অসমৰ অসমীয়া ভাষীৰ সংখ্যা দিনে দিনে উদ্বেগজনকভাৱে হ্ৰাস পাই আহিছে। ১৯৭১ চনত অসমীয়া ভাষীৰ সংখ্যা আছিল ৬০.৮৯%। কিন্তু বৰ্তমানে ইয়াৰ পৰিৱৰ্ত্তে অন্যান্য ভাষী লোকৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰিছে। ভাষা প্ৰয়োগৰ এই পৰিৱৰ্ত্তনে অসমীয়া ভাষাৰ উন্নয়ন আৰু উৎকৰ্ষ সাধনত বাধাৰ সৃষ্টি কৰিছে।

**শ্ৰমৰ যোগান বৃদ্ধি ঃ**

প্ৰব্ৰজিত মানুহে সকলো কামতে নিয়োজিত হৈ শ্ৰমৰ বজাৰত শ্ৰমৰ যোগান বৃদ্ধি কৰি তুলিছে আৰু ইয়াৰ দ্বাৰা শ্ৰমৰ যোগান যিদৰে বৃদ্ধি পাইছে সেইদৰে মজুৰি হাৰো হ্ৰাস পাবলৈ ধৰিছে। যিকোনো মজুৰিতে প্ৰব্ৰজনকাৰীয়ে কাম কৰিবলৈ ৰাজি হোৱাত নিয়োগকৰ্ত্তাই কম দামী শ্ৰমিক নিয়োগত আগ্ৰহী হৈছে। ফলত কামৰ সুযোগৰ পৰা খিলঞ্জীয়া শ্ৰমিকসকল বঞ্চিত হ'ব লগা হৈছে।

**সমস্যাৰ জটিলকৰণ ঃ**

বাংলাদেশৰ পৰাই হওঁক বা বিভিন্ন ঠাইৰ পৰা হওঁক যিসকল লোক প্ৰব্ৰজিত হৈছে সেইসকল মূলত দুখীয়া মানুহ। দুখীয়া মানুহে তেওঁলোকৰ লগত আনিছে নিৰক্ষৰতা, আনিছে বিভিন্ন বেমাৰ, অস্বাস্থ্যকৰ জীৱন–যাপন প্ৰণালী ইত্যাদি। গতিকে অবৈধ প্ৰব্ৰজনে অসমত বৃদ্ধি কৰিছে নিৰক্ষৰতাৰ হাৰ, দৰিদ্ৰতাৰ হেঁচা, বেমাৰৰ প্ৰৱণতা বৃদ্ধিৰ দৰে ভয়ংকৰ সমস্যা। সন্তান জন্ম নিয়ন্ত্ৰণৰ বাবে অবৈধ প্ৰব্ৰজনকাৰীসকলে গুৰুত্ব দিয়া নাই। অৱশ্যে তেওঁলোকৰ অজ্ঞতাই ইয়াৰ বাবে দায়ী। কিন্তু এই অজ্ঞতাই অসমৰ বাবে এক জটিল সমস্যাৰ সৃষ্টি কৰিছে।

**মৌলবাদৰ সম্প্ৰসাৰণ ঃ**

ধৰ্মীয় সচেতনতাই যি কট্টৰবাদীসকলৰ জন্ম দিছে সেইয়া হ'ল মৌলবাদ। বৰ্তমান গোটেই অসমতে মৌলবাদী কাৰ্যৰ ক্ষেত্ৰত এক ব্যাপকতা লক্ষণীয় হৈছে। যাৰ ফলস্বৰূপে জন্ম হৈছে একাধিক মৌলবাদী সংগঠনৰ। মৌলবাদ যিয়েই নহওঁক ই কিন্তু প্ৰগতিশীল নহয়। ইয়াৰ মধ্যযুগীয়া অৱধাৰাৰ কু–ফলসমূহ আমি ইতিমধ্যেই আফগানিস্তান আৰু পাকিস্তানত দেখিবলৈ পাইছো। এই মৌলবাদৰ আগ্ৰাসন বাংলাদেশত যথেষ্ট তৎপৰ হৈছে। মৌলবাদীৰ লগতে যোগদান কৰিছে বিভিন্ন সন্ত্ৰাসবাদীসকলে, যাৰফলত দিনে দিনে বৃদ্ধি পাইছে কূটাঘাটৰ দৰে জটিল সমস্যা।

**সমস্যা সমাধানৰ উপায় ঃ**

অসমত দিনে দিনে বৃদ্ধি পাই অহা বহিৰাগত সমস্যা দূৰ কৰিবলৈ বিভিন্ন কাৰ্যপন্থা হাতত ল'ব লাগিব। এই ক্ষেত্ৰত কেৱল দল–সংগঠনেই ভূমিকা ল'লেই নহ'ব ইয়াৰ বাবে চৰকাৰেও যথেষ্ট গুৰুত্ব সহকাৰে বিষয়টো বিবেচনা কৰিব লাগিব। এই ক্ষেত্ৰত সফলতা লাভ কৰিবলৈ তলত কেইটামান উপায় দাঙি ধৰা হ'ল –

ক) অসম বাংলাদেশৰ বা অন্যান্য দেশৰ সীমান্তৱৰ্তীত দক্ষতাসম্পন্ন সৈন্যবাহিনী, আৰক্ষী বাহিনী আদি নিয়োজিত কৰিব লাগে যাতে অবৈধ প্ৰব্ৰজনকাৰী প্ৰৱেশ কৰিব নোৱাৰে।

খ) সীমান্তৱৰ্তীত যিবিলাক কাটাতাঁৰ আছে সেইবিলাক অতি পুৰণিকলীয়া হোৱা বাবে প্ৰব্ৰজনকাৰীয়ে অতি সহজে প্ৰৱেশ কৰিবলৈ সুবিধা হয়। সেই হেতু অত্যাধুনিক কাটাতাঁৰ ব্যৱহাৰ কৰি প্ৰবেশ দুৱাৰ বন্ধ কৰিব লাগে।

গ) বিদেশী প্ৰব্ৰজনৰ সমস্যা ৰোধ কৰিবৰ কাৰণে বিভিন্ন দল–সংগঠনৰ লগতে চৰকাৰেও গুৰুত্ব প্ৰদান কৰাটো অতি জৰুৰী। ৮৫৫ গৰাকী শ্বহীদৰ আত্মত্যাগৰ বিনিময়ত অসম চুক্তি স্বাক্ষৰিত হৈছিল যাৰ মূল কথা আছিল অসমৰ বিদেশী নাগৰিক সমস্যাৰ সমাধান। যাৰ বাবে ১৯৭১ চনক ভিত্তি বছৰ হিচাবে লৈ বিদেশী নাগৰিকক চিনাক্তকৰণ, ভোটাৰ তালিকাৰ পৰা নাম কৰ্তন আৰু বহিষ্কৰণ, ভাৰত–বাংলাদেশ সীমান্ত চীল কৰাকে ধৰি সমস্যা সমাধানৰ বাবে বিভিন্ন প্ৰতিশ্ৰুতিৰ এখন চুক্তি সম্পাদন কৰা হৈছিল। কিন্তু পৰৱৰ্তী পৰ্য্যায়ত ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰে অসম চুক্তিৰ প্ৰতি লোৱা নেতিবাচক আৰু ষড়যন্ত্ৰমূলক স্থিতিৰ বাবে আজিও অসম চুক্তি ৰূপায়ণ নহ'ল। গতিকে যদিহে চৰকাৰে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণ কাৰ্যপন্থা হাতত লয় তেনেহ'লে বিদেশী সমস্যা সমাধান হ'ব সেইটো নিশ্চিত।

**সামৰণি ঃ**

মুঠতে এই কথা স্বীকাৰ কৰিবই লাগিব যে অসমৰ ব্যাপক জন গাঁথনিৰ পৰিৱৰ্ত্তনত অবৈধ প্ৰব্ৰজনে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। ৰাজ্য আৰু জনসাধাৰণৰ মংগলৰ বাবে এতিয়া প্ৰয়োজন আইনৰ ব্যৱস্থা গ্ৰহণ কৰি সমস্যা সমাধানত গুৰুত্ব আৰোপ কৰা। যিকোনো বেমাৰ সোনকালে নিৰাময় নকৰিলে সময়ত ই জটিল ৰূপ ধাৰণ কৰে। ঠিক সেইদৰে কোনো গুৰুত্বৰ সমস্যা আৰম্ভণিতে সমাধান নকৰিলে ই এদিন জটিল সমস্যাত পৰিণত হয়। অবৈধ প্ৰব্ৰজনো হয়তো এদিন অসমৰ পৰিচয়ৰ এক ডাঙৰ প্ৰাচীৰ হৈ উঠিব। ■





গল্প

# ছন্দপতন

**পবিত্ৰ ভৰালী**
সহকাৰী অধ্যাপক, ইংৰাজী বিভাগ

তিনি আলিৰ এচুকত তিনি মিটাৰ দীঘল বেনাৰখন।

গোট গোট নীলাভ শব্দৰ মাজে মাজে কেইটামান ফুটা বতাহ আহ যাহ কৰিবৰ বাবে।

বাছৰ বাবে বৈ থকা মানুহবোৰে সময় কটাবৰ বাবে এটা এটাকৈ শব্দবোৰ পঢ়ে।

..."তুমি কাব্য সমুদ্ৰত অৱগাহন কৰি চাউল চেনীলৈ নাপাহৰিবা।" মানুহজনীয়ে গামোচাখনৰ লগতে প্লাষ্টিকৰ বেগটো দি সকিয়াই পঠিয়াইছে। এৰা, মানুহজনীয়েও আজিকালি কাব্যসমুদ্ৰ, অৱগাহন আদি শব্দহে ব্যৱহাৰ কৰে। হওঁক তেও, মোৰ প্ৰভাৱ যে কাৰোবাৰ ওপৰত পৰিছে, তাৰে এটা প্ৰমাণ। আনক্ষেত্ৰত অৱশ্যে মানুহজনীৰ বিশেষ একো পৰিবৰ্ত্তন নহল। মাথো ছোৱালীজনী গুছি মানুহজনী হ'ল, মাক হ'ল – এহাল ল'ৰা-ছোৱালীৰ। সহজ-সৰল, মুক্তমনা, কষ্টসহিষ্ণু, ধৈৰ্য্যশীলা আদি বিশেষণবোৰ তেওঁৰ নামৰ আগত নিগাজীকৈ বহি থাকিল। ভালেহে দেউতাহঁতে মোৰ পচন্দত বাধা প্ৰদান কৰি তেওঁকে বিয়া কৰোৱাত সন্মতি দিলে। বিয়া মানে এখন সাধাৰণ অথচ অসাধাৰণ বিয়া – মোৰ এখন কবিতা পুথি উন্মোচন, কেইজনমান নবীন-প্ৰৱীণ কবিৰ উপস্থিতি, একোকাপ চাহ, এটা মিঠাইৰ পেকেট। মই নিজে পাঠ কৰিছিলো এই কবিতা –

শিৰোনাম ঃ কবিতা

কবিতা ! তোমাৰ মসৃণ দেহাবৰণত
মুগ্ধ হোৱা হ'লে — (চিকমিক ৰূপালী জোনাক)
গলকাণ ভৰি স্বৰ্ণালংকৰে হ'লে — (হিন্দুৰ পূজ্যদেৱী)
(অ) গুণ বখানি মোৰ নিজৰাত
তোমাৰ ঘাটেৰে নেপালেহেঁতেন নাওঁ।

কাব্যসত্তা তোমাৰ হৃদয়ৰ হেন্দোলনি
জীৱনৰ মৌ কোঁহ
স্বপ্নালী তোমাৰ কোলাৰ জীও
সেয়ে মোৰ অভিযান কবিতা !
কবিতাৰ স'তে।

নিৰলংকাৰ কবিতাৰ শ্ৰেষ্ঠ অলংকাৰ
স্বপ্নালী-কাব্যসত্তা কৰভাৰ মায়া
শব্দ তাৰ কায়া।

কবিতায়ো মোক আচৰিত কৰি এটা কবিতা আবৃত্তি কৰিছিল —

শিৰোনাম ঃ কবি

কবিৰ বসুধাত স্বপ্নবিভোৰা কবিসত্তা
মানুহৰ বসুধা তৰু-তৃণ-লতা



পিছে ধর্ষিতা আই আজি

মায়াৰে নহয়

জীয়াই আছে ক্ষত-বিক্ষত গলিত এটা পিণ্ড হৈ ;

উষ্ম নিশ্বাসৰ আটাহ — 'আহ, ওলাই আহ'।

সুৰৰ মূৰ্চ্ছনা নহয়

শৃংখলিত পাথৰৰ সকিয়ণি

পুহাইল ৰজনী উঠা কবি যদুমণি।

মানুহজনীয়ে সেই এটা কবিতাই ৰচিলে, বিয়াৰ দিনা পঢ়িলে। কবিবন্ধু সকলে মোক কৰা সমালোচনাৰ বাবে যেন কবিতাটো এটা যোগ্য প্ৰত্যুত্তৰ। তেওঁলোকে আচলতে আচৰিত হৈছিল সাহিত্যৰ লগত জড়িত নথকা এজনী ছোৱালীক মই বিয়া কৰাবলৈ সিদ্ধান্ত কৰাত। সি যি কি নহওক কবিসত্তা আৰু স্বপ্নালীক ডাঙৰ-দীঘল কৰাত, পঢ়া-শুনাত চকু দিয়াত, সীমিত আয়ৰে ঘৰখন চলোৱাত কবিতাই দক্ষতা দাঙি ধৰিছে। এৰা কবিতাৰ আচল নাম, মাক দেউতাকে দিয়া নাম বিয়াৰ পাছত লোপ পালে — মোৰ বাবে। মই নাম দিলো কবিতা। হিয়াভৰি আছে কবিতাৰ সৰলতা।

"হে'ৰা, মানুহ অকল চেনী চাউল খাই জীয়াই থাকেনে ?"

"নেথাকে, অকল কবিতা লিখিওতো জীয়াই নেথাকে।"

"কবিবোৰ জীয়াই থাকে স্বপ্নালী আৰু কবিসত্তাৰে।"

"কিন্তু পাহৰি নেযাবা মোৰ কবি, আমাৰ কবিসত্তা,

মানৱসত্তাৰ প্ৰতিনিধি ; স্বপ্নালী আমাৰ বাস্তৱ জীয়াৰী।

আমাৰ সন্তান, অকল মায়াৰ নহয়, কায়াৰো।"

সৰলতাৰ মাজতো কবিতাৰ এনে দাৰ্শনিক সুৰৰ কথাই মোৰ জীৱনটোক – মোৰ ভিতৰৰ কবিজনক বিমলানন্দ প্ৰদান কৰি আহিছে। কবিতা তুমি ধন্য।

ধন্য মোৰ কবিতা।

ধন্য মোৰ কাব্যচৰ্চা। যাৰ বাবে আজি কবি হিচাপে আৰু কবিতাৰ সমালোচক হিচাপে এখন উচ্চাসণ পাইছো। কাব্যত অলংকাৰ প্ৰয়োগ সম্পৰ্কীয় মোৰ বিশ্লেষণাত্মক লেখাসমূহে আজি কাব্যপ্ৰেমী সকলৰ অন্তৰ চুইছে। ছন্দ, স্পন্দন, ভাৱ-ভাষা-অলংকাৰ-উপমা-আঃ কবিসত্তাই সাতুৰিব পৰা এখন স্বপ্নবিধৌত সমুদ্ৰ-কাব্যসমুদ্ৰ-পাৰাপাৰহীন এখন জগত-দিগন্তত লগ পোৱা আকাশেৰে উঠি গলে কল্পনাৰগণ্ডীকো অতিক্ৰম কৰা এখন বিশ্ব ইমান মনোমোহা ঈশসৃষ্টি। আৰু এই যে কাব্যসমুদ্ৰ। ৰবীন্দ্ৰ নাথে হয়তু ইয়াৰ প্ৰেমত পৰিয়ে কৈছিল — 'মৰিতে চাহিনা আমি সুন্দৰ ভূৱনে।"

সভাত কবলগীয়া কথাখিনি জুকিয়াই লৈছো। বিশিষ্ট আলোচক হিচাপে নিমন্ত্ৰিত। গতিকে বিশিষ্টতা ৰক্ষা কৰিব লাগিব। আজিৰ মোৰ আলোচ্য বিষয় -- "Rhythm in poetry".। ব্যাখ্যাৰ বাবে মোৰ কণ্ঠে নিগৰিব — 'বাৰিষাৰ ৰাতি তোমাৰ কবিক মনত পৰেনে অৰুন্ধতী ? "Let us go then, you and I when the evening is spread out against the sky"। উপমা আনিম বৰেণ্য কবিৰ কবিতাৰ পৰা। কবিতাই কৈ পঠিওৱাৰ দৰে কাব্যসমুদ্ৰত মই অৱগাহন কৰিম। নতুন কবিসকলে মোক উপৰ্যুপৰি প্ৰশ্ন কৰিব, মই উত্তৰ দি যাম ; সভাত হাত চাপৰিৰ ৰোল উঠিব।

বেনাৰখনলৈ চালো। "বিশেষ কবি সন্মিলন" শব্দকেইটাই প্ৰাণত হেন্দোলনি তুলি গ'ল। সকলোৰে প্ৰাণত এই হেন্দোলনি অহা হলে জগতখন আৰু মনোমোহা হ'লহেঁতেন।

....জিলা কবিচক্ৰই মোক কাব্যপ্ৰাণ উপাধি প্ৰদান কৰাৰ দিনা কি যে এক কাব্যময় পৰিবেশ বিৰাজ কৰিছিল।

ঃ কবিতা আপুনি কিয় লিখে ?

ঃ কবিতা আৰু বহল ভাৱে সাহিত্য মানসিক খাদ্য – food for the mind.

ঃ তেনেহলে কবিতাক আমি উপভোগৰ উপকৰণ বুলিমনে ?

ঃ সস্তীয়া উপকৰণ নহয়। কবিতাৰ ৰসাস্বাদন সকলোৱে কৰিব নোৱাৰে। কবিতাৰ তাৎপৰ্য্য বুজিবলৈ কষ্ট কৰিব লাগিব; মানসিক কছৰৎ লাগিব। কাৰণ, কবিতা কি ? ই একে সময়তে পাঠ্য বা শব্দৰ সংযুতি আৰু এটা পৰিঘটনা — কবিৰ কাৰ্য্য, পাঠকৰ অভিজ্ঞতা, সাহিত্যৰ বুৰঞ্জীৰ এটা পৃষ্ঠা। শব্দৰ সংগঠন হিচাপে কবিতাৰ আলোচনাৰ এটা প্ৰধান বিষয় হল ইয়াৰ অৰ্থ / তাৎপৰ্য্য আৰু শব্দ আৰু স্পন্দনৰ (Rhythm) সম্বন্ধ। এই সম্বন্ধৰ আলোচনাত চাবিকাঠি হিচাপে কাম কৰে কবি আৰু কবিতাটোৰ বক্তাৰ মাজৰ সম্বন্ধই। কবিতাটোৰ বক্তা বা Image of the poetic voiceৰ বিষয়ে ধাৰণা হ'ব কবিৰ এলানি বা সমগ্ৰ কবিতাৰাজীৰ অধ্যয়নৰ পৰা বা তেওঁৰ কাব্যতত্ত্বৰ পৰা। ইংৰাজ কবি ইয়েট্‌চৰ মাস্ক (Mask) থিয়ৰীৰ কথা শুনিছা ?

ঃ দুৰ্বোধ্যতা তেনেহলে কবিতাৰ লক্ষণ ?

ঃ ঠিক তেনে নহয় কথাটো — কেৱল ভাৱৰ নহয়, ভাষাৰ প্ৰাচুৰ্য্যৰো প্ৰয়োজন কবিতাত।

ঃ মাটিৰ গোন্ধ থকা.....

ঃ মাটিৰ গোন্ধ থকা দৰকাৰ ; কিন্তু সেই বুলিয়ে গদ্যময় কথা এখিনিক কবিতা বুলিব নোৱাৰি। তথাকথিত বহুতো বিপ্লৱীয়ে কবিতা লিখে। কিন্তু ভাৱ ঘণ হ'লেও সকলোকে কবিতা বোলা নাযায়। ভাৱ আৰু



ভাষাৰ এক সুন্দৰ সংমিশ্ৰণত কবিতাৰ জন্ম। কাব্যকলাৰ আলোচনাত ভাষা-ছন্দ-স্পন্দনেহে মুখ্য স্থান পায় বা পোৱা উচিত।....

ধম্ কৰি এটা শব্দ হ'ল। বাচখন আহিব লগা ৰাষ্টাটোৰ কাষৰ এখন দোকানৰ সন্মুখত। মানুহবোৰে লৰা ঢপৰা আৰম্ভ কৰিছে। প্ৰথমে দোকানখনৰ ফালৰ পৰা চৌদিশলৈ, পাছত চৌদিশৰ পৰা দোকানখনৰ ফালে। কি কৰো কি নকৰো কৰি থাকোতেই দেখিলো বাচত সহযাত্ৰী হ'ব লগা সকলো দোকানখনৰ ফালে গ'ল। কৰবাৰ পৰা পুলিচ কিছুমানো আহি পালেহি। দোকানখনৰ ভিতৰত কিনো হ'ল জানিবলৈ সকলোৰে উৎসুকতা। কব নোৱাৰাকৈয়ে ভৰি কেইখনে মোক সেইফালে টানি নিলে। কিন্তু মানুহৰ বাবে বিৰ দি বাট নোপোৱা অৱস্থা। কেইটামানৰ কিলাকুটিৰ খুন্দা খোৱাৰ পিছত দোকানখনৰ অলপ ওচৰ পালোগৈ। কাপোৰৰ দোকান। দোকানৰ ভিতৰতো মানুহৰ ভিৰ। বহুতৰে হাতত কাপোৰৰ টোপোলা। সেইসকলে লৰালৰিকৈ বাহিৰলৈ ওলাবলৈ চেষ্টা কৰিছে। বিক্ৰী ভাল হয় দোকানখনত — মনতে ভাৱিলো। পিছে'ই কি ? বাচত মোৰ সহযাত্ৰী হ'বলগা কেইজনেনো কেতিয়া কাপোৰ কিনিলেহি ! পুলিচ কেইজনে মানুহবোৰ খেদিবৰ যত্ন কৰিছে। ফটো সাংবাদিক কেইজনমানে ফটো লবৰ বাবে হেতা ওপৰা কৰিছে। কোনোজনে কৈছে — ''বহুদিন এনেকুৱা ভাল ফটোৰ সুবিধা পোৱা নাছিলো ; ভালদৰে লৈছো।'' পুলিচৰ কথা মানি অলপ আঁতৰলৈ আহিলো। হুলস্থুল কমাত দোকানৰ ভিতৰৰ পৰা অহা কান্দোনৰ ৰোল শুনি চশমাযোৰ পিন্ধি দোকানখনলৈ চালো। এজন আদহীয়াই সৰু ল'ৰা এটাক সাৱটি কান্দি আছে। কান্ধত তঁৰা চিহ্ন থকা পুলিচ এজনে কৈছে — 'ল'ৰাটোৰ পষ্টম'ৰ্টেম কৰাওক। আৰু আমি এটা কেছ ফাইল কৰিম; এতিয়া পাঁচশ মান দিলেই হ'ব।

''পষ্টম'ৰ্টেমৰ কি দৰকাৰ ? গ্ৰেনেড বিস্ফোৰণৰ চাক্ষুষ প্ৰমাণ মই নিজ বাপেকটো থাকোতে ?''

''দৰকাৰ আছে। আৰু মোৰ হস্পিতালত 'Concession Package' কিছুমান আছে। তাৰ সুবিধা লব পাৰিব।'' ওচৰতে মাতটো শুনি ঘুৰি চাই দেখিলো নগৰখনৰ নামী ডাক্তৰ কৃষ্ণকান্ত চহৰীয়া। মনত পৰিল, খবৰ কাগজত এইজন মানুহৰ ওপৰত কিবা অভিযোগ আনি বাতৰি পৰিবেশন কৰা হৈছিল। অভিযোগৰ সমৰ্থনত সাংবাদিকজনে প্ৰামাণিক তথ্য দাখিল কৰিছিল। কেইদিনমান পিছত একেখন কাকততে বাতৰিটো ভুল বুলি কোৱা হ'ল। আমি পাঠক হিচাপে এটাহে বুজিলো — সেই কেইদিন খবৰ কাগজৰ বিক্ৰী বৃদ্ধি হ'ল।

সেইখন বাতৰি কাকততে অম্লান স্বাধীনতা ফুকনৰ গ্ৰেপ্তাৰৰ খবৰ প্ৰকাশ পাইছিল। সেই কাকত গোষ্ঠীৰ পষেকীয়াখনত ''অম্লান স্বাধীনতা ফুকনৰ কবিতাৰ সৌন্দৰ্য বিচাৰ'' নামৰ মোৰ লেখাটো প্ৰকাশ হৈছিল।

দোকানীজনে কেছবাকচটোত হাত দি অতি আচৰিত হ'ল — সেইটোতচোন এপইচাও নাই।

কি ভাৱি জানো মানুহজনে কন্দা বন্ধ কৰিলে। চকু কেইটা জিকমিকাই উঠিল — ৰ'দৰ পোহৰ পৰি।

মনটো খেলি মেলি হৈ গ'ল। কবিতাৰ আবেলিটোত কম বুলি ভবা কথাবোৰত আউল লাগি গ'ল। কবিতালৈ মনত পৰিল। মানুহজনীয়ে ঠিকেই কৈছিল — কাব্যসত্তা আৰু স্বপ্নালীৰ নামকৰণৰ সময়ত। তেওঁৰ পচন্দৰ নাম আছিল – মানৱ সত্তা আৰু বাস্তৱিকা। কবিতাৰ হৃদয়খন অতদিনে মই চিনিকে নেপালো। শব্দ গাঠনি বিশ্লেষণ কৰা ''মই''টোৱে দেখোন সংযুতি সাধনত ব্যৰ্থতাৰ ইংগিত দেখি হাঁহাকাৰ কৰি উঠিছো। মোৰ মানুহজনীৰ কথাবোৰ যেন মই বুজিবলৈ আৰম্ভ কৰিলো। কবিসত্তাক কোলাত লৈ ক'ম — ''বাবাতু, মোৰ সোণ, কাব্যালংকাৰ চৰ্চা নহয়, তোমাৰ অধ্যৱসায় হ'ব লাগিব মানৱ সংগঠনৰ বাবে।' সাধু শুনিবলৈ দৌৰি অহা স্বপ্নালীক ক'ম — ''ওহোঁ, নহয় ; মাজনী, তুমি মোক ক'বা — 'দেউতা, মই সমাজৰ মংগলজনক কাম কৰিব বিচাৰো। কেনেদৰে আগবাঢ়িম কোৱাচোন।' ওঁ, এনেদৰে ক'ম। কবিতায়ো ভাল পাব। কবিতাই ভাল পাব বাবেই নহয়, এতিয়া যে এয়াই কৰণীয়।

মোৰ ভাৱত যতি পেলাই আকৌ এটা শব্দ হ'ল। মানুহবোৰৰ আকৌ লৰা ঢপৰা। গ্ৰেণেডৰ নহয়, এইবাৰ বাচখন আহি ৰোৱাৰ শব্দ। মোৰ ভৰি দুখন বাচখনৰ ফালে আগ নাবাঢ়িল। কবিতাৰ সভাখনৰ মূল মানুহজন তিনিআলিতে স্থবিৰ হৈ গ'লো। মোৰ চকুযোৰ, মনটো দোকানখনত আবদ্ধ হৈ থাকিল। মই জড়তাৰ প্ৰতিনিধি হৈ থাকিলো দোকানীজনৰ চকুত। সেই চকুযুৰিৰ পৰা মোৰ দৃষ্টি আঁতৰাই আনিব নোৱাৰিলো। মহাভাৰতীয় পৰিক্ৰমালৈ ৰূপান্তৰিত হোৱা সেই চকুযুৰিত ''সঞ্জয় উবাচ'' হৈ ধৰা দিলে –

*"Sweet was the bomb that killed my son ;*
*It made him sleep and sleep in peace;*
*It made him free from the bars of war;*
*Now no more guns, no more bombs."*■



গল্প

# নিঃস্বাৰ্থ হাঁহিৰ মাজত থকা কৰুণ হৃদয়খন

বিশ্বজিত দাস
স্নাতক ১ম যান্মাষিক (বাণিজ্য বিভাগ)



গুঞ্জন। এটা সহজ-সৰল, উদাৰ মনোভাৱৰ ল'ৰা। সি হয়তো দুৰ্ভাগ্যক অতি সৰু কালতেই আঁকোৱালি লৈছিল। কিয়নো তাৰ অন্তৰখন যিমান মৰম পিয়াসী সিমান হয়তো সি কাৰোবে পৰাই পোৱা নাছিল। ৪ বছৰ বয়সতে তাক দুজন মিছলীয়াই 'এতিয়াই আহিমগৈ' বুলি তাৰ পৰা চিৰকালৰ বাবে নিস্তব্ধ হৈ আঁতৰি গৈছিল। সেয়া তাৰ মাক-দেউতাকৰ মৃত্যু !! লাহে লাহে সি বাঢ়ি আহিল। তাক মোমায়েকহঁতে তুলি লৈছিল অতি মৰমেৰে...। কোনো বস্তুৰে অভাৱ নোহোৱাকৈ তাক অতি আলসুৱাকৈ ৰাখিছিল।

সি ১৮ বছৰ বয়সত ভৰি দিলে। মেট্ৰিক দিলে, পাছো কৰিলে খুব ভালদৰেই। তাৰ জীৱনটো এনেকৈ গতি কৰি আহিল। হঠাৎ এদিন সি এজনী ছোৱালীৰ প্ৰতি গভীৰভাৱে আকৃষ্ট হ'ল। লাহে লাহে সি প্ৰেমৰ দৃষ্টিৰে চাবলৈ ধৰিলে। এনেতে এদিন সি তাইক প্ৰেমৰ প্ৰস্তাৱ দিলে। প্ৰথমে তাই গ্ৰহণ কৰা নাছিল। কিন্তু সি মেট্ৰিক পাছ কৰাৰ কিছু দিনৰ পিছতেই তাই তাক ক'লে — "গুঞ্জন, তোমাৰ প্ৰস্তাৱ মই গ্ৰহণ কৰিলো।" সি পৃথিৱীৰ অসীমৰ সীমান্তত যেন সুখৰ সাগৰত ডুব গ'ল। বহুদিন, অৰ্থাৎ প্ৰায় তিনিবছৰমান সিহঁতৰ প্ৰেম সুন্দৰভাৱে চলি আছিল। গুঞ্জন ল'ৰাটো বৰ প্ৰতিভাবানো আছিল। সি ধুনীয়া গান গাইছিল আৰু তাইক অৰ্থাৎ জাহ্নৱীক লৈ এটা গীতো ৰচিছিল। কিন্তু ওপৰৰ জনে যেন তাক পুনৰ দুঃখ দিবৰ বাবে গুণাগথা কৰিলে হঠাৎ এদিন সি লোকৰ মুখেৰে গম পালে যে জাহ্নৱীয়ে তাক কেৱল সহজভাৱেহে লৈছিল, গভীৰভাৱে কোনোদিনেই গ্ৰহণ কৰা নাছিল। সি কথাটো তাইক সুধিবলৈ মন মেলিলে। হয়ো সঁচা, সি তাইক কথাটো সঁচা নে বুলি সুধাত একে উশাহে তাই কৈ দিলে যে "অ', সঁচা। মই তোমাক কোনো দিনেই মোৰ নিজৰ বুলি ভবা নাছিলো।" সি থমকি ৰ'ল। তাই তাক মাথোঁ শেষত "মই যাওঁ" বুলিহে কৈ গুচি গ'ল। সি তাতে বহু পৰ বহি ভাবিবলৈ ধৰিলে। কিবাকিবি....।

পানী টেংকী আৰু শিৱ মূৰ্ত্তিটোৰ ওচৰতে বহি সি আকাশ-পাতাল ভাবিলে আৰু হেঁপাহ পলুৱাই কান্দি ল'লে। আবেলিৰ বেলি ডুবাৰ লগে লগে ঘৰ সোমাল। কি কৰিব ?.... তাৰ কোঠাতে বহি যেন তাইৰ স'তে কটোৱা মুহূৰ্তবোৰ সি ধিক্কাৰ দিব ধৰিলে। এনেকৈ তাৰ দিন বাগৰিল।

কলেজীয়া শিক্ষা শেষ হ'বলৈ আৰু মাত্ৰ দুবছৰ আছে। তেনেতে সি এদিন এটা প্ৰস্তাৱ পালে এজন বন্ধুৰ পৰা। সেই প্ৰস্তাৱ আছিল এনেধৰণৰ যে সিহঁতৰ থকা ঠাইখনত হ'বলগীয়া স্কুল এখনৰ সোণালী জয়ন্তীত গান গাব লাগে। সি মান্তি হ'ল আৰু গীত গাবলৈ সাজু হ'ল। কিন্তু সি যিদিনাখন সেই মঞ্চত গীত গাই আছিল সেই মূহুৰ্তত সি ষ্টেজৰ পৰা জাহ্নৱীক দেখা পালে। সি মনৰ ভ্ৰম বুলি ভাবি সিমান গুৰুত্বও দিয়া নাছিল। কিন্তু পাছত দেখিলে যে হয়..! তাই জাহ্নৱীয়েই হয়। সি গানটো গাই ওলাই আহিয়েই তাইক দেখা পালে কিন্তু সন্মুখৰ পৰা নহয়, পিছফালৰ পৰাহে। তাই কিন্তু তাক সিমান 'নটিচ' নকৰিলে। সি তাইক মাথো চালে আৰু চায়েই ৰ'ল। কিয়নো সি যে তাইক ভাল পায়। সেই দিনাই সি আকৌ এবাৰ তাইক এজন



ল'ৰাৰ সৈতে দেখা পালে। সিহঁত দুটাক সি লাহে লাহে তাৰফালে আহি থকা দেখা পালে। সি ভাবিলে, তাইক মাত দিও নেকি ? এহ ! নামাতো মাতিলে কিজানি তাই লাজ পায় ??? সি লাহে লাহে পিছুৱাই গৈ পকা খুটাটোৰ আঁৰত লুকাব বিচাৰিলে। কিন্তু লুকাবলৈ চাপৰি বহোঁতেই তাৰ লগত থকা তাইৰ ফটোখন পৰি গ'ল। তাৰ বুকুখন জিকাৰ খাই গ'ল। যদি তাই ফটোখন দেখা পায় ?? অৱশ্যে সেয়া ৰাতিৰ ঘটনা। ফটোখন পৰি আছে। সি কেনেকৈ উঠাই আনে এতিয়া.... ?? জাহ্নৱী আৰু ল'ৰাজন আহি ফটোখনৰ ওচৰ পাওঁতেই ঘপহকৈ লাইট নুমাই থাকিল। সি লগে লগে ফটোখন উঠাই আনিব বিচাৰিলে। কিন্তু নাই দেখা ফটোখন। হঠাৎ ফটোখনৰ ওপৰত তাৰ হাতখন লাগিল আৰু উঠাই আনিবলৈ লওঁতেই তাৰ হাতৰ ওপৰেৰে জাহ্নৱী পাৰ হৈ গ'ল। সি হাতখন মাটিৰ ওপৰত এনেকুৱাকৈ থৈ ফটোখন ঢাকি ধৰি আছিল যে তাই তাৰ হাতৰ ওপৰেদি গছকি যাওঁতে তাই নিজেই গম নাপালে। হয়তো সেয়া গুঞ্জনৰ বাবে এক আৱেগিক মুহূৰ্ত....!!

দিন বাগৰিল। আজি ছমাহ মানেই হ'ল, সি তাইক দেখা পোৱা নাই। অৱশ্যে সিও গান গোৱাত ব্যস্ত। ইখনৰ পিছত সিখন ছবিত সি গান বাণীবদ্ধ কৰিছে। তাৰ গানৰ 'এলবাম' ওলাইছে। মুঠতে সি সম্পূৰ্ণৰূপে ব্যস্ত আৰু ...।


এদিন ৰাতি প্ৰায় ১২ মান বজাত সি ষ্টুডিঅ'ৰ পৰা ঘৰলৈ ঘূৰি আহিছে। তেনেতে ঘৰ পোৱাৰ আগতেই সি সোমাল এখন ৰেষ্টুৰেণ্টত। সি তাতেই সুৰামত্ত হৈ আগৰ দিনবোৰৰ কথা ভাবি নষ্টালজিক হৈ পৰিল আৰু কান্দি কান্দি লগৰ বন্ধু কেইজনক সেই কথাবোৰ ক'লে। লাহে লাহে সি নিচাত নিজৰ ভাৰসাম্য হেৰুৱালে। লগৰ কেইজনে তাক ঘৰত থৈ আহিলগৈ। প্ৰায় দুই মান বাজিছে...। এযোৰ সুন্দৰ পোছাকৰ সৈতে জাহ্নৱী তাৰ ওচৰ চাপিছে আৰু গুঞ্জনেও তাইৰ ফালে তধা লাগি চাই ৰৈছে। তাই কান্দি কান্দি গুঞ্জনক কৈছে "শুনা গুঞ্জন, তুমি মোক ক্ষমা কৰিবা। মই তোমাক বহুত দুখ দিছো আৰু নিদিও। সেই গতিকে তোমাৰ ওচৰলৈ আহিছো। সকলো খুলি ক'বলৈ। আমাৰ প্ৰেম কেতিয়াও সম্ভৱ নহয় জানা গুঞ্জন। কাৰণ সমাজৰ কটু দৃষ্টি, জাত-পাত, উচ্চ-নীচ এই সকলোৱে হিংস্ৰ মেৰপাকত আমাৰ প্ৰেম আছিল। কিন্তু কিমান দিন থাকিব কোৱা ?? শুনা গুঞ্জন, মই তোমাৰ মৰমক শ্ৰদ্ধা কৰিছিলো আৰু সদায় কৰি থাকিম, মনত ৰাখিম। তুমি আগুৱাই যোৱা, বিশাল সংগীতৰ সুৰৰ তৰংগবোৰ তোমাৰ বাবে ৰৈ আছে। তুমি গীত গাই যোৱা।" তাই আকৌ ক'লে, "তোমাৰ অন্তৰৰ মৰম এই পৃথিৱীতকৈ বিশাল। কিন্তু আমাৰ যে প্ৰেম....??" এনেকৈ কৈ তাই চিঞৰি চিঞৰি কান্দিলে। সি কিন্তু নিমাত, নিস্তব্ধ......।

ৰাতিপুৱা সি সাৰ পাই দেখিলে, ক'তা ?... জাহ্নৱী ক'ত ?? পিছতহে গম পালে যে সেয়া এক করুণ আৰু আৱেগপূৰ্ণ সপোনহে আছিল।

আজি দেওবাৰ, ২৬ ডিচেম্বৰ, তাৰ জন্মদিন। তাৰ আইতাকে গোঁসাই ঘৰৰ পৰা ওলাই আহি তাৰ গালত এটা চুমা দি ক'লে, "গুণ ! তই কুশলে থাক, আগুৱাই যা..।" সকলোৱে তাক তাৰ জন্মদিনৰ শুভেচ্ছা দিলে। ইয়াৰোপৰি তাৰ আজি এটা অসমীয়া এলবাম ৰিলিজ হ'ব। সি ৰেডি হৈছে ষ্টুডিঅ'লৈ যাবলৈ।

ষ্টুডিঅ' পাওঁ পাওঁ হৈছে.....। ট্ৰেইন ষ্টেচনত সি জাহ্নৱীক দেখা পালে কেইটামান বেগৰ সৈতে। জাহ্নৱীয়েও সোঁফালে ঘূৰোতেই তাক দেখিলে আৰু দুয়ো দুয়োকে চাই এটা নিস্বাৰ্থ হাঁহি মাৰিলে আৰু করুণ হৃদয় কেইখনক সান্ত্বনা দিলে। ট্ৰেইন আহি পালে। জাহ্নৱী ট্ৰেইনত উঠাৰ আগে আগে তাৰফালে চাই চিঞৰি ক'লে "মই যাওঁ.....!!" ■






# *The Truth*

**Siddhant Bharali**
H.S. 2nd Yr. (Science)

Contemplation is straight to knowledge what digestion is to food. Reading gives us information and suggestive ideas; but it is the pure meditation that we form our judgements.

Everyone on this earth has to go through all kinds of ordeals and pain in order to survive on this earth. It is just like a warfront where we see, suffer and survive. We are not less than the mortal faculties living like prisoners of war. It makes us think deeply that often facing such hardships and hurdles we have, the guts to live in courage. Someone has truly said; "Courage is victory and Timidity is defeat." It is not the size of the dog in the fight; but the fight in the dog that matters. Keeping this things in our mind we should believe that be it a bitter one and lastly this bitter truth have totally engulfed our life thoroughly.

"Life is not a bed of roses";
"Nor its a midsummer night dream";
"It's just the comedy of errors";
"take it as you like it". ■

# THE EARTH AND ITS ENVIRONMENT



**Pinky Gowala**
B.Com. 2nd Year

Our earth is a unique planet in the universe. It is the only known planet having life on it. The mother earth provides us water, air and land. In others words, it provides the essential spheres of life. That is hydrosphere, lithosphere and atmosphere. The narrow zone where the three spheres coincide is the only life sustaining part of the earth and the known universe.

The earth has a delicate ecosystem, its environment is made up of both the non-living or physical component and the living components. The non-living components are the land, oil, water etc. and the living components are the flora, fauna and micro organisms. Life depends on the non-living part of the earth. There is a sensitive balance between both the living and non-living and plant and animals. This balance depends on an interlinked cycle of various activities. Thus, disturbing anyone disturbs the other three also. Pollution of physical components of nature will destroy life and destruction of wild life will ultimately destroy the man. ■



# No Pain no Gain

**Juli Nath**
B.A. 2nd Year

A lot of thought, advice and guidance must have gone into our choice of a career be it medicine, engineering, computers or any related discipline. That is just the first step in concretising our lifetime ambition. What remains to be done is detailed planning, hardwork, discipline and above all, Preservance in achieving target. And it is not easy task.


Having chosen our goal we must take one step at a time. We must to begin with possess the grit and the determination to see it through at all costs. This calls for consistency as well as introspection. We must assess our strengths as well as weaknesses; our assets and liabilities, our plus and minus points what would in the ultimate analysis impel us to move closure to our goal.

We should be consistent and unwavering in our efforts. Let nothing and no one destruct our formative years as we climb this hung of the success ladder. For one false step, one wrong move, will hurtle us downwards and negate all our efforts towards the realisation of our ambitions. Fun and good times can not wait. We will have plenty of time and opportunities to indulge ourself in what summingly keep us away from our goal at the given moment. We are to seize the moment and make the best of it.

With best wishes !!

With best wishes !! ■

---



# TIME AND TIDE WAIT FOR NONE

**Smita Saikia**
B.Sc 1st Semester

Time is invaluable. It flows uselessly and without any consideration for the convenience of any man, however high placed he may be. And time once gone is gone for ever. Lost wealth may be regained by industry, lost knowledge by study but lost time cannot be recovered by any means.

We should realize this but many of us do not realise the fact. They waste their time, thinking that they would make up the loss in future. Every moment of our time has its particular duty. Putting off our work means over burdening us. Besides, Who can say what this future will be - whether it will not be worse than the present ? Moreover, if we begin to put off things we shall soon get into the habit of indolence and thus slowly bring about our own ruin.

Lack of punctuality is another way of wasting time. An unpunctual man cannot finish his own duties.

If we look around we see that successful man everywhere are those who made proper use of every moment of their time. We should take lessons from them both for ourselves and for our nation. ■




# TRUTH IS BEAUTIFUL

**Mili Debnath**
B.Sc. 1st Semester

Is 'truth' always beautiful ? If it is so, all of us should willingly agree to express the truth all the time. But sometimes it is rather startling and unpleasant to express the truth.

Infact, the actual truth, which is absolute, is always beautiful. It, indeed, is so beautiful that it attracts everyone, including the truth itself. That is why many sages, saints and devotees have left everything for the sake of truth. Mahatma Gandhi, an idol of the modern world, dedicated his life exprimenting with truth and all his activities were aimed towards truth only.

Unfortunately, people have no information of the actual truth. Indeed, 99.9 percent of men in all walks of life are pursuing untruth only, in the name of truth. The beauty of the outer skin can be destroyed in only a few hours merely by a dose of a strong purgative, but the beauty of truth is indestructible and always the same. ■



# PARTICIPATION IS IMPORTANT THAN WINNING

**Rinku Mahato**
B.Com. 2nd Year

Various competitions in different filds, liked sports, education, general awareness, computers, cultural activities are usually organised in school, colleges and also by different organisations. Further, the winners are awarded in order to motivate them to take part in more such competitions in future. But this is obviously not to discourage those who did not win. They are certainly not loosers, it is just that they could not get a materialistic reward in return for their hardwork.


Once you lost, you get an opportunity to take to your inner self and realise your weak points which can be improved by self determination, perseverance and hard work. Taking part in such competitions, boosts our morale and improves our sportsman spirit. Also, we should be competitive and overcome our nervousness and fear. Unless one participate, how can he / she win or loose? Therefore, participation is important than winning. ■



# EDUCATION BRINGS AWARENESS

**Nitesh Rajak**
B.Com. 2nd year

From time immemorial eminent thinkers of the world have been extrolling the virtues of education as well as its' emancipating values in unison that education is instrumental in cleaning the cobwebs of superstitions and false beliefs from human mind. It is firmly established by sagacious sages and seers through the ages. Despite tremendous advancement in science and technology many people are still groping in the darkness due to lack of proper education. Only proper education will expel the age old myths and false believes from their minds and bring light for them. Moreover to lead a wholesome life one need to acquire true education. It is rightly said that, "Education is a progressive discovery of our ignorance." By getting educated we gradually become able to leave behind our prejudices and can make easy the journey of our life to a great extent. ■



# *A Real Beauty*

**Priyam Rai**
B.Sc. 3rd Yr.

There are two aspects of beauty :

1) The inner beauty that is the beauty of our soul and


2) The other one is the outer beauty that is the beauty of our appearance. Beauty of appearance is worthless can be vanished at any time but beauty of our soul is immortal. It is certain that our outer appearance makes us alegant rather it is wrong. Beauty lies on our soul.

"A lovely lady is a better compliment than a beautiful lady."

And Beauty unaccompanied by virtue is like a flower without Perfume.

So, the first step to beauty is the way your character makes anyone to praise you. And lastly, give respect and be respected by everyone. Ultimately you will become the most beautiful one. ■





# LIFE OF A STUDENT

**Mohan Sharma**
**H.S. 2nd Yr (Arts)**

Every one say that student life is the most wonderful life which come only for a time period. So, just think how should be the life of a student, to which types of student we can say he/she is good student.

Only scoring marks in the examination is not a sign of a good student. Now, getting 90% in examination is very common, and within them also there is a great competition. One day one of my teacher said in a class, a student who came top all over Assam did not get admission in a University.

It is a very old saying 'Prevention is better than cure', so from right now we should get ready to over come the challenges which we face in present or in future.

A student should be alrounder. He should be good in studies, discipline, helpful, public speaking, cleanliness, sports etc. He should not hide his talent because talent can be a profession. If you want to make your future bright you should not neglect or feel shame for doing many works.

Now you are thinking, it is very easy to write
Such things in a paper but in reality it is not
So. But, By giving an example I try to solve
your question.

Who is a great ?

a] An Army – Who donot think for himself and give life for a nation.
b] A Sweeper – Who cleans a surrounding and make us healthy.
c] A Doctor – Who serve a patient and save a life.
d] A farmer – Who cultivates and the whole world depend on it.
e] An Engineer – Who gives design of a house and building under which we stay.

So, who is a great person ? Please, think ? think and think ? and get this answer.

And if you posses such qualities success comes behind you, and you will be the most happiest person in this world. ▪





# ছাত্ৰৰ জীৱন

বিনীতা শইকীয়া
স্নাতক ৩য় বৰ্ষ (কলা)

মুক্ত বিশাল আকাশ
অনুসন্ধিৎসু মন
ৰসাবৃক্ত এটি ভঁৰাল
সীমাহীন সপোন
সপোনৰ শেষত আকৌ সপোন,
ভৱিষ্যৎ সুন্দৰৰ দিগন্ত তুমি,
তুমিয়েই ছাত্ৰ জীৱনৰ প্ৰচ্ছদ সিক্ত প্ৰতীক ।।

# প্ৰতিজ্ঞা

হিমাদ্ৰী মেছ
স্নাতক ১ম ষান্মাসিক (কলা)

আহা বন্ধুসকল আমি একেলগে
বিচাৰি যাওঁ জোনাকৰ ঠিকনা।
যিটো আছে অতি দূৰত
তাক পাবলৈ নিচেই কাষত।
আমি জানিব লাগিব আমাৰ লক্ষ্য
কৰিব লাগিব আমি অগাধ সাধনা
পিছে বৰ দুৰ্গম এই পথ
নাই কোনো নিৰ্দিষ্ট বাট
আগুৱাই যাব লাগিব সকলোৰে আমি
আজুৰি সকলো ঘাত-প্ৰতিঘাত
জীৱনৰ সকলো সংগ্ৰামত
কৰো আহা আমি প্ৰতিজ্ঞা
সকলোৰে আগবাঢ়ি যাওঁ
আৰু নাহো কেতিয়াও পিছুৱাই।

# ‘ছাত্ৰ জীৱন’

বিমলা চামাৰ
উঃ মাঃ প্ৰথম বৰ্ষ (কলা)

এই জীৱনৰ, এহাত-এমুঠন জীৱনৰ এই পাৰে কাৰ মাত
কি দিন, কি ঋতু, কাৰ সুহুৰিৰ গান.....ওচৰতে চহাই
মৈয়াই চন পেলোৱা কিতাপৰ বৰষুণ।

কাক সোধো, কি সোধো, কোনে হেৰুৱাইছে কি, পাইছে কি
স্কুলৰ সময়ে কয় ৰাতিপুৱা এটাৰ পৰা পিছবেলা
তিনিটা বজা সময়ৰ কথা, খিল খিল হাঁহি ধেমালিৰ
সোৱাদ কিমান..........

সময়বোৰ সলনি হোৱা নাই, বহীৰ সজাত ওলমি আছে
কিতাপৰ শব্দবোৰ, অংক-বিজ্ঞান যেন একোজোপা
মাখিয়তী, চেকনি গালিৰ এমুঠি জলছবি.....

এই জীৱনৰ এহাত-এমুঠন জীৱনৰ এই পাৰে কাৰ মাত
কি দিন, কি ঋতু, কাৰ সুহুৰিৰ গান।





# MY EVERLASTING MEMORIES

**Tenzing Tamang**
H.S. 2nd year (Arts)

*What the great day!*
*When we were together,*
*All surroundings were covered*
*With happiness or joys*
*Just like a 'spring day'.*
*How was those days ? I*
*Spent my time with her,*
*Wherever, 'I' there 'she'!*
*Stalking just like a 'shadow'.*
*She, so beautiful from inside*
*No words to say;*
*Encouraged me to do,*
*What my heart wants.*
*Having changed my character*
*Moved away so far*
*Have felt so sad, so sad,*
*When she had left me alone.*
*And have disunited, it's so sad*
*I've' wet the scarf*
*With the tears,*
*You know, it's seedpearl,*
*Tell me,*
*You have made me, dissatisfied.*





# জোনাকৰ আঁৰে আঁৰে

**প্ৰবাল দ্বীপ মৰাণ**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

আউসীৰ আন্ধৰত জিলিকি উঠে
　　জোনৰ কাঁচিয়লি পোহৰ!!
হয়তো তাতেই জিলিকি উঠে
　　দুখত দিশহাৰা হৈ থকা এটোপাল নিয়ৰ!!
জোনাকৰ আঁৰে আঁৰে মাথো জুমি চাব খোজো
　　আমাৰ শৈশৱ কিম্বা কৈশোৰ বিহীন জীৱনক!!
বিলীন হৈ যোৱা অতীতক
　　ভাবি ৰও মই এক পলৰ বাবে!!
আহি আহি পালোহি এটা অচিন ষ্টপেজত
　　য'ত নাই
　　　　মানুহৰ ভালপোৱা
　　　　　　আৱেগ অনুভূতি,
　　　　সহানুভূতিৰ সাগৰ!!
আছে মাথো দুষ্ট মানুহৰ কোলাহল
　　কপতত‌া আৰু যাতনাৰ নৈ!!
এয়াই যেন জীয়াই থকা মানুহৰ
　　উন্মাদ বতৰা
আৰু এয়াই হয়তো মানুহৰ সুন্দৰতা!!

# অজানিতে তুমিও ছাগে

**জিম্পল মেছ**
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

কত আশা
কত নিৰাশা
উচ্চাকাংক্ষাত উৰিছে মোৰ মন
কিন্তু ভাগৰুৱা হৈছো মই
বিষাদময়তাত মই এতিয়া অকলশৰে
কেতিয়ানো লভিম সেই আলোকময় জীৱন।

অজানিতে তুমিও ছাগে
নামি পৰিছা...
সেই নিস্তব্ধ বালিময় দ্বীপত
যত আছে সুখ-দুখৰ চিৰন্তন ধাৰা
আৰু মইয়ো
তোমাৰ কবিতাৰ আঁৰে আঁৰে।।

হে হিৰন্ময়ী
মোক দেখুৱাই দিয়া সেই পথ
যি পথত আছে জীৱনৰ তুলিকাবোৰ
মই ল'ব বিচাৰো তাৰপৰা নতুনত্ব
দুখক নেওচি সাহিয়াল হও আমি
যাতে গঢ়িব পাৰো এক সুন্দৰ জীৱন।।





# তাহানিৰ সেই সুৰ

ফুলতি মেছ
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

সময় দুপৰীয়া। তোমালৈ চেৰেং-চেৰেংকৈ মনত পৰিল,
তুমি বাৰু চতিয়না তলিৰ কঠিয়ানি বাৰীৰ টঙিঘৰত
বহি বাঁহিটি লৈ বজাবানে আকৌ
তাহানিৰ সেই সুৰ ?
মোৰ যে সেই সুৰ আজিও কাণত বাজি থাকে
প্ৰায়েই..... ।
তুমি যে গুছি গলা....
বহু ওপৰলৈ ধনতান্ত্ৰিক সমাজে সৃষ্টি কৰা
অট্টালিকা আৰু বিলাসী জীৱনলৈ,
কিন্তু মই ?
মই যে আজিও কাণ পাতি থাকো কিজানিবা
চতিয়না তলিৰ কঠিয়ানি বাৰীৰ টঙিঘৰত
কেনেবাকৈ বাজি উঠে তাহানিৰ সেই সুৰ।

